# শীতকালীন অধিৱেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখ ঃ ৩/১২/২০১৯ মঙলবাৰ

---

**আজি ইংৰাজী ০৩-১২-২০১৯ তাৰিখে অসম বিধান সভাৰ শীতকালীন অধিৱেশন পূৰ্ব্বনিৰ্দ্ধাৰিত কাৰ্য্যসূচীমতে মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত ৰাতিপূৱা ৯.৩০ বজাত আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** Question no. 61, মাননীয় সদস্য শ্ৰী মামুন ইমদাদুল হক চৌধুৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী (নাওবৈছা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ নাওবৈছা সমষ্টিৰ  বহুত মানুহ শাক-পাচলি খেতি কৰি জীৱন নিৰ্বাহ কৰে। এই মানুহখিনিয়ে শাক-পাচলি সঠিক মূল্যত বজাৰত বিক্ৰী কৰিব নোৱাৰে, বিভিন্ন কাৰণত। তাৰে এটা কাৰণ হ'ল যে সঞ্চয় কৰাৰ সুবিধা নাই। আমাৰ মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে আমাক এটা signature project ৰ কথা কৈছিলে, মই এটা Cold Storage ৰ প্ৰস্তাৱ দিছিলো। আমাৰ কাৰ্য্যকালৰ প্ৰায় তিনি বছৰ ছয়মাহ গুছি গ'ল, এতিয়ালৈকে Cold Storage হোৱা নাই। অকল মোৰটো যে হোৱা নাই এনেকুৱা নহয়, মই গোটেই লিষ্টখন চালো তাৰ ভিতৰত প্ৰায় বাৰ চৈধ্য টা মানৰ এতিয়ালৈকে কোনো আৰম্ভ হোৱা নাই আৰু maximum 5%, 10%, 20% 30% ৰ কাম আৰম্ভ হৈছে। মাননীয় মন্ত্ৰী মহোদয়ে মোক যিটো উত্তৰ দিছে অহা জানুৱাৰী মাহৰ ভিতৰতকামটো আৰম্ভ কৰিম বুলি কৈছে। মই আকৌ কৈছো যিহেতুকে আমাৰ সমষ্টিটোৰ সৰহ সংখ্যক মানুহ অকল শাক-পাচলিৰ বেচা - কিনাৰ ওপৰত নিৰ্ভৰ কৰে আৰু ফলমুলৰ বহুত ব্যৱসায় আছে। সেই কাৰণে Cold Storage টো বহুত জৰুৰী আৰু মাননীয় মন্ত্ৰী মহোদয়ে যেনেকৈ যে অহা জানুৱাৰী মাহত আৰম্ভ কৰিব, মোৰ বোধৰে খুব সোনকালে আৰম্ভ কৰিলে ভাল হব বুলি মই ভাৱো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। Minister please.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে নাওবৈছা সমষ্টিৰ এক নং মিৰিগাঁওত Cold Storage নিৰ্মাণৰ বাবে চৰকাৰে ব্যৱস্থা লৈছিল, মাননীয় বিধায়ক গৰাকীৰ লগতো আলোচনা কৰিছিলে। সেইমতে Cold Storage টো tender call কৰা হৈছে। যোৱা এক তাৰিখে এইটোৰ tender award কৰিছে। গতিকে আমি ভাৱো যে জানুৱাৰী মাহৰ ভিতৰত ইয়াৰ কাম আৰম্ভ হব।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী (নাওবৈছা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা অনুৰোধ কৰিম যে যিটো project ১২৬ জন বিধায়ককে আপোনালোকে দিছে, খুব ভাল project, হয়তো দুই চাৰিদিন পলম হৈছো। মোৰ মাননীয় মন্ত্ৰী মহোদয়ৰ প্ৰতি অনুৰোধ থাকিল আকৌ এনেকুৱা project আমাক দিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এইটো পিছত সুধিব। এতিয়া মাননীয় সদস্য শ্ৰী তেৰছ গোৱালা।

**শ্ৰীতেৰছ গোৱালা (দুলীয়াজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, project টো অতিকৈ গুৰুত্বপূৰ্ণ,

কিন্তু দুৰ্ভাগ্যঃবশত মোৰ সমষ্টিত মই মাটি নোপোৱা কাৰণে আকৌ PWD road ৰ কাৰণে convert কৰিলো। ইতিমধ্যে মন্ত্ৰীয়ে approval দিলে। কিন্তু বিভাগীয় ভাৱে কামটো হোৱা নাই। এতিয়া estimate, technical sanction বা administrative sanction ৰ কাৰণে ইমান দৌৰাদৌৰী হৈছে কিন্তু হতাশ হৈছে। সেই কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো এই কামটো অতি সোনকালে কৰিব লাগে। যদি সোনকালে কৰিব নোৱাৰো তেতিয়া হ'লে নিশ্চয় মোৰ ৰাষ্টাৰ কামটো নহব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ সমষ্টিভিত্তিক যিটো কথা আছে। সেইটো অতি সোনকালে কামটো আৰম্ভ কৰা হব, সেইটো অসুবিধা নাই।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া মাননীয় সদস্য জাকিৰ হুইছেন ছিকদ্দাৰ।

**শ্ৰীজাকিৰ হুইছেন সিকদাৰ**, সৰুক্ষেত্ৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, Signature Project মানে নামতে বুজা যায় এইটো কিমান দৰকাৰী। সেই সময়ত বিত্তীয় মন্ত্ৰী ডাঙৰীয়াই ঘোষণাও কৰিছিল কিন্তু এতিয়ালৈকে বিভিন্ন সমষ্টিত আৰম্ভ হলেও মোৰ সমষ্টি এই কামটো আৰম্ভ হোৱা নাই। Rural Agriculture ৰ Market এখন দিছিলো। Agriculture training Centre হব। এতিয়ালৈকে চৰকাৰী ভাৱে অনুমোদনো পোৱা নাই। সেয়েহে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ পাব বিচাৰিছো যে কিমান দিনৰ ভিতৰত এইটো আৰম্ভ কৰা হব?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বেছিভাগ আঁচনিয়ে ইতিমধ্যে আৰম্ভ হৈছে, tender award হৈছে। দুই এটা আঁচনি যেনে ধৰক তিতাবৰত এটা project, সেই project টোৰ মাটি এতিয়ালৈকে আমাক দিয়া নাই।

ঠিক তেনেধৰণে আমাৰ দুই চাৰিটা আঁচনি আছে, হয়তো কৰবাত মাটিৰ অসুবিধা হৈছে, কৰবাত এনেকৰা ধৰণৰ কিবা এনেকুৱা ধৰণৰ অসুবিধা হৈছে। গতিকে সেই কাৰণে হয়তো এইটো হোৱা নাই। আমাৰ সৰুক্ষেত্ৰী সমষ্টিৰ বিধায়ক ডাঙৰীয়াই যিটো কথা কৈছে, এই কথাখিনি গুৰুত্ব সহকাৰে লোৱা হ'ব আৰু অতি সোনকালে কামটো আৰম্ভ কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া মাননীয় সদস্য আমিনুল ইছলাম।

**শ্ৰীআমিনুল ইছলাম (ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ যিবিলাক Signature Project দিছিলে, **১০** কোটি টকাৰ লিমিট বান্ধি দিছিলে আৰু লিমিড থকাৰ কাৰণে বহু কেইখন scheme ৰ কাম সম্পূৰ্ণ নহল। মোৰ এটা project আছিলে, **১৬** কোটি টকাৰ । পিছত কমাই পেলাই **১০** কোটি টকাৰ দিব লগীয়া হ'ল। তেতিয়া project টো confirm কৰিলে। গতিকে বাকী টকাখিনি পালে project টো সম্পূৰ্ণ হলে হৈ। এতিয়া যিটো Signature Project দি থকা হৈছে বা আকৌ চৰকাৰে দিব। এই ক্ষেত্ৰত মই ভাৱো যে সব কা সাথ সবকা বিকাশ, সবকা বিশ্বোৱাস, এই নিতিৰে যাতে পুনৰ বাৰ দিয়া হয়, তাৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিটো **১০** কোটি টকাৰ ভিতৰতে আমি সীমাবদ্ধা ৰখাৰ কথাটো কৈছো, তাতে কৰবাত কোনোবা মাননীয় সদস্যৰ ক্ষেত্ৰত হয়তো পইচা বেছি হব পাৰে। **১০** কোটি টকাতো আগতে সম্পূৰ্ণ হৈ যাওঁক। সম্পূৰ্ণ হৈ যোৱাৰ পিছত যদি দেখা যায়, এই scheme টো আৰু পইচা লাগে, তেতিয়া হলে নিশ্চয় বিভাগে এইটো বিবেচনা কৰিব আৰু সব কা সাথ সবকা বিকাশ, সবকা বিশ্বোৱাস থকাৰ

কাৰণেই সকলোকে দিয়া হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াতে যিটো উত্তৰ দিছে। গোটেই বিলাক status আৰু progress ৰ ওপৰত কলা আখৰে লিখা আছে কিন্তু মোৰ তাত বগা হৈ আছে sl. no. 54. Deepor Beel project status & project report ত একো উল্লেখ কৰা হোৱা নাই উত্তৰত, ইয়াৰ কাৰণটো কি ?

**মাননীয় অধ্যক্ষ ঃ** Minister please.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Deepor Beel project ৰ ক্ষেত্ৰত status & project report তো উল্লেখ নকৰাৰ কাৰণটো হৈছে যে ইয়াৰ ওচৰে পাজৰে Environment & Forest Department জৰিত হৈ থাকে। তাত কিবা কৰিবলৈ হলে Environment & Forest Department ৰ অনুমতি লব লাগে। তেনেকুৱা ধৰণৰ কথা আহি যায় আৰু উত্তৰত status & project report তো উল্লেখ নকৰাৰ আচল কাৰণটো আমিও পোৱা নাই। কিন্তু যদিও বগা হৈ আছে, আপুনি চিন্তু কৰিব নালাগে, আপোনাৰ কামটো হব।

**মাননীয় অধ্যক্ষ ঃ** মই প্ৰশ্ন নং ৬২ লৈ যাম। তাৰ আগতে দ্বীপৰ বিলৰ কথাটো খুব গুৰুত্বপূৰ্ণ বিষয়। গতিকে পৰ্য্যাবেক্ষণ হ'ব লাগে, কাৰণ আমাৰ অকল সেইটোৱে ঠাই আছে।

**শ্ৰী উৎপল দত্ত ঃ** অধ্যক্ষ ডাঙৰীয়া, এক মিনিট।

**মাননীয় অধ্যক্ষ ঃ** নাই নাই, বেয়া নাপাব, মই সবকে দিয়া নাই নহয়, এজনক দিলে বেয়া হ'ব। এতিয়া প্ৰশ্ন নং ৬২, প্ৰদীপ হাজৰিকা। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন ডাঙৰীয়া, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী প্ৰদীপ হাজৰিকা ঃ** অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো আগতেও বিধান সভাত দুবাৰ কৰা হৈছে। উত্তৰটো পাইছো। ইয়াত যিটো physical progress দেখাইছে নুমলীগড়ৰ পৰা যোৰহাটলৈ সেইটো M/s HCC Ltd. য়ে কৰিছে 31.05%, যোৰহাটৰ পৰা জাঁজী 03.77%, জাঁজীৰ পৰা ডিমৌ 04.26%, ডিমৌৰ পৰা মৰাণ 30.72% আৰু মৰাণৰ পৰা বগীবিল সেইটো দেখুওৱা নাই। কিন্তু এতিয়া কথাটো হ'ল যে ২০০৫ চনতে এই ৰাস্তাটো বনোৱাৰ বাবে সকলো ব্যৱস্থা কৰি আৰু এইটো সম্পূৰ্ণ কৰিব লাগিছিল ২০০৮ চনত। আমি দুবাৰ তিনিবাৰ প্ৰশ্ন কৰি আছো। ইয়াত এতিয়া এই 04.26% কাম আগবাঢ়িছে। কিমান কম কাম হৈছে আপুনি এই কাথাটো চাওঁক আৰু ইয়াত দিছে যে The termination is kept in Abeyance as the Contractor has committed to complete 16.44% work till 31.03.2020. অধ্যক্ষ মহোয়, আৰু এটা মই প্ৰশ্ন কৰিছিলো যে যিটো 4 lane Road বনালে সেই বনোৱা ৰাস্তাটোৰ ঢালাই কৰা ৰাস্তাটোৰ মাজত কিছুমান দ দ গাত হৈছে। এই কথাটো মই কৈছিলো, কিন্তু কোনো গাত নাই বুলি কৈছে। কিন্তু আমি আহি থাকোতে ৰাস্তাটোত পাইয়ে আছো।

**মাননীয় অধ্যক্ষ ঃ** বোধকৰো তেখেত সকলে আপোনাৰ নুমলিগড়ৰ পৰা ডিব্ৰুগড় বুলি ভাবিলে।

**শ্ৰী প্ৰদীপ হাজৰিকা ঃ** নুমলিগড়ৰ পৰা ডিব্ৰুগড় আৰু বেছি।

**মাননীয় অধ্যক্ষ ঃ** নিৰ্মাণ কাম সম্পূৰ্ণ 4 lane Road গুৱাহাটীৰ পৰা নগাও চাগে।

**শ্ৰী প্ৰদীপ হাজৰিকা ঃ** নুমলিগড়ৰ পৰা ডিব্ৰুগড় পথটোৰ কিছুমানত যাব নোৱাৰা এটা অৱস্থা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** তাতটো কাম হোৱাই নাই, আপুনি কলেই।

**শ্ৰী প্ৰদীপ হাজৰিকা ঃ** অধ্যক্ষ মহোদয়, এতিয়া জানিব বিচাৰিছো এই ৰস্তাটোৰ কামটো কিয় ইমান দিন লাগিছে আৰু এইটো চৰকাৰৰ ফালৰ পৰা কেতিয়া সম্পূৰ্ণ কৰিব ?

**মাননীয় অধ্যক্ষ ঃ** আৰু বৰ্তমান হৈ থকা খিনিৰ গাত কেইটা কেতিয়া মাৰিব।

**শ্ৰী প্ৰদীপ হাজৰিকা ঃ** হয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী চন্দ্ৰমোহন ডাঙৰীয়া, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য প্ৰদীপ হাজৰিকা ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে, সেইটো গুৰুত্বপূৰ্ণ নগাওঁৰ পৰা আমাৰ ডিব্ৰুগড়লৈ যিটো 4 lane NH Road ৰ কাম। সেইটোৰ কামখিনি NHIDCL য়ে চাই আছে। NHIDCL ৰ ইতিমধ্যে তাত ৫ টা পেকেজ আছে, ৫ টা পেকেজ এৱাৰ্ড কৰা হৈছে। নগাওঁৰ পৰা ৰঙাগৰা এটা প্ৰজেক্ট আছে ৰঙাগৰাৰ পৰা কলিয়াবৰ এটা প্ৰজেক্ট আছে, মুঠ দুটা। বাকীখিনিত ৫ টা প্ৰজেক্ট আছে। সেই ৫ টা প্ৰজেক্ট NHIDCL য়ে ইতিমধ্যে তেওঁলোকক কামখিনি এৱাৰ্ড কৰা হৈছে।

**শ্ৰী প্ৰদীপ হাজৰিকা ঃ** মোৰ প্ৰশ্নটো নুমলিগড়ৰ পৰা ডিব্ৰুগড়।

**শ্ৰী চন্দ্ৰমোহন ডাঙৰীয়া, মন্ত্ৰী ঃ** বুজি পালো নুমলিগড়ৰ পৰা ডিব্ৰুগড়ৰ কথাকে কৈছো মই। গতিকে এইটো NHAI য়ে এই কামখিনি কৰে আচলতে তাৰ কাৰণে এই ৫ টা পেকেজ দিয়া হৈছে। মই মাননীয় সদস্য গৰাকীৰ লগত একমত যে যিহেতু এইটো MORTৰ ফালৰ পৰা হয় আৰু NHIDCL য়ে এই কামটো কৰে। গতিকে সেইকাৰণে এইকামটোত আমাৰ গড়কাপ্তানী বিভাগেও সম্পূৰূপে তদাৰক কৰি আছে আৰু NHIDCL য়ে এই কামটো তদাৰক কৰি আছে। কিন্তু এইটো কথা সত্য অধ্যক্ষ ডাঙৰীয়া, যিবিলাক এইটোৰ টেণ্ডাৰ হয় নেচনেল লেভেলৰ টেণ্ডাৰৰ যিবিলাক পাৰ্টি সেইবিলাকে অংশগ্ৰহণ কৰে। সেই কাৰণে কি হয় তেওঁলোকে বাহিৰৰ পৰা আহি ইয়াতে কামবোৰ কৰে। সেইকাৰণে বহু ক্ষেত্ৰত এনেকুৱা ধৰণৰ কামৰ প্ৰগ্ৰেছ বহু পৰিমাণে slow হৈছে সেইটো কথা মই মানো। আমাৰ শ্ৰী শুক্ল বৈদ্য ডাঙৰীয়া PWD মন্ত্ৰী থাকোতে তেওঁ এই Simplex ৰ লগত কাজিয়া কৰিব লগা হৈছিল। যাৰ ফলৰ বৰপেটাত যোৱা যিখন দলং, সেই ফ্লাই অভাৰ খন মানে কিমান দিনযে পৰি থাকিল হিচাপ নাই। সেইবাবে তেওঁ কাজিয়া কৰিবলগীয়া হ'ল Simplex ৰ লগত।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কি হ'ব ?

**শ্ৰী চন্দ্ৰমোহন ডাঙৰীয়া, মন্ত্ৰী ঃ** এতিয়া হৈ গ'ল। এই ক্ষেত্ৰত এতিয়া আমাৰ MK Enterprise company যিটোৱে কাম কৰি আছিল, সেইকামটো তেওঁলোকে slow কৰিছে। তেওঁলোকক ইতিমধ্যে terminate কৰি দিয়া হৈছে। এইটো reward কৰি দিয়া হ'ব নতুন যাতে কোম্পানীয়ে পায়। দ্বিতীয়তে, অন্য এটা কোম্পানী Simplex Ltd., তেওঁলোকক ইতিমধ্যে terminate কৰাৰ কাৰণে নটিচ জাৰি কৰা হৈছে। গতিকে এতিয়া নতুন কোম্পানীকে সেই কামবিলাক দিব লাগিব। সেইকাৰণে আমি এই কামবিলাক কৰিম আৰু দ্বিতীয়তে, পদৰ গাতৰ কথা যিটো কৈছে, সেইটোৰ বাবে NHAI ক কোৱা হৈছে যে তেওঁলোকে Simultaneously কৰিব লাগে। গতিকে সেইখিনি ইতিমধ্যে তেওঁলোকক কৈ দিয়া হৈছে। অধ্যক্ষ ডাঙৰীয়া, নতুনকৈ আমি আৰু এটা NHIDCL ক অনুৰোধ কৰিছিলো যে তেওঁলোকে প্ৰতি সপ্তাহতে আচলতে ইয়াৰে এটা পৰ্য্যালোচনা কৰিব লাগে। প্ৰত্যেকটো পেকেজৰ প্ৰতি সপ্তাহত তেওঁলোকক পৰ্য্যালোচনা কৰিবলৈ দিয়া হৈছে। এতিয়া প্ৰতি সপ্তাহতে এইটো পৰ্য্যালোচনা হৈ আছে আৰু এই যিবিলাক terminate

কৰি নতুন এৱাৰ্ড দিয়া হ'ল সেই কোম্পানী সমূহে ভালকৈ কাম কৰিব বুলি আমি আশা ৰাখিছো। আৰু সম্পূৰ্ণ হোৱা যিখিনি কাম তাত যিবিলাক পথৰ গাতৰ কথাটো কৈছে সেইটো মেৰামতিৰ কাৰণে ইতিমধ্যে MORTক কোৱা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ আৰু কিবা supplementary.

**শ্ৰী প্ৰদীপ হাজৰিকা ঃ** অধ্যক্ষ মহোদয়, NHAI, এতিয়া তেওঁলোকৰ হাতত এই কামটো নাই, এইটো অসমৰ গড়কাপ্তানী বিভাগক দিছে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াই এই কথাটো শুনিছে।

**শ্ৰী প্ৰদীপ হাজৰিকা ঃ** এতিয়া গড়কাপ্তানীয়ে যদি এই কামটো ৰাজ্য চৰকাৰৰ হাতত লৈছে, যদি এইটো সত্য হয় তেতিয়াহলে মই ভাৱো যে তেওঁলোকে কাম।

**মাননীয় অধ্যক্ষ ঃ** Let him know the answer whethere it is a fact or not !

**শ্ৰী প্ৰদীপ হাজৰিকা ঃ** এইটো মই জানিব বিচাৰিছো মন্ত্ৰীৰ পৰা। যদি ৰাজ্য চৰকাৰৰ পি ডব্লিউ লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, হ'ব।

**শ্ৰী চন্দ্ৰমোহন ডাঙৰীয়া, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, NHIDCL সেইটো অসম চৰকাৰৰ অনুষ্ঠান নহয়।

**মাননীয় অধ্যক্ষ ঃ** তেওঁলোকে PWD ক দিছে নেকি?

**শ্ৰী চন্দ্ৰমোহন ডাঙৰীয়া, মন্ত্ৰী ঃ** PWD য়ে কামবোৰ চোৱা চিতা কৰে, কিন্তু এইটো MORT ৰ কাম। এতিয়া বৰ্তমান আপোনালোকে জানে যে ৬ মাহ অসমত ৰাস্তাৰ কাম নহয়। কাৰণ বৰষুণৰ সময় বা বানপানী আদি। এই ছমাহত কাম এতিয়া আমাৰ আৰম্ভ হৈছে, এতিয়া যিটো কাম আৰম্ভ হৈছে তাত কিছুমান ইছু আছিল, তাৰ ভিতৰত প্ৰধান ইছু আছিল ভূমি অধিগ্ৰহণ। গতিকে এইটো আটাইতকৈ ডাঙৰ সমস্যা। এতিয়া এই ভূমি অধিগ্ৰহণৰ সমস্যাটো সমধান হৈ গ'ল। যিহেতু সমধান হৈ গ'ল গতিকে কামখিনি কৰিবলৈ এতিয়া অসুবিধা নহয়। গতিকে সেইটোৰ সম্পূৰ্ণৰূপে কামখিনি কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, হ'ব। এতিয়া দূৰ্গা ভূমিজ।

**শ্ৰী দূৰ্গা ভূমিজ ঃ** অধ্যক্ষ মহোদয়, ৩৭ ৰাষ্ট্ৰীয় ঘাইপথত ডুমডুমা বিচাকদুপ্তি দলংৰ পৰা তালাপ হাইস্কুললৈকে এনেকুৱা জৰজীৰ্ণ ৰাস্তা হৈছে যে চাইকেল যাব নোৱাৰে, স্কুটাৰ যাব নোৱাৰে আৰু গাড়ীও লাহে লাহে যাব লগা হৈছে। গতিকে তাত এনেকুৱা গাত হৈছে তাৰ ফলত তিনি জন মানুহৰ মৃত্যু হৈছে। তাৰ ভিতৰত এগৰাকী শিক্ষয়িত্ৰীও আছিল। গতিকে এই জৰজীৰ্ণ ৰাস্তাখিনিৰ মেৰামতি গ্ৰহণ কৰিব নেকি আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী চন্দ্ৰমোহন ডাঙৰীয়া, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, তেখেতে ডুমডুমাৰ পৰা তালাপলৈ যিটো ৰাস্তাৰ কথা কৈছে সেইটোৰ বিষয়ে মইয়ো জানো অলপ অলপ। মাজতে মই গৈছিলোও আৰু দেখিছিলো। মই মাননীয় সদস্য গৰাকীক নিশ্চয়া দিছো যে এইটো কাম খৰতকীয়াকৈ কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। প্ৰশ্নটো আমাৰ হাইৱে নুমলিগড়ৰ পৰা ডিব্ৰুগড়। মমিন ডাঙৰীয়াই হাত দাঙিছে, সত্যব্ৰত ডাঙৰীয়াও হাত দাঙিছে, মই দুয়োজনৰে চাইছো। এইটো মোৰ বাবেও বৰ গুৰুত্বপূৰ্ণ, মই নিজেও যোৰহাটত থাকো যিহেতু। আমাৰ মন্ত্ৰী ডাঙৰীয়াই কৈছে যে আমাৰ ৬ মাহ কাম কৰাৰ সময়। কিন্তু আমি ইতিমধ্যে ছেপ্তেম্বৰ, অক্টোবৰ, নৱেম্বৰ ৩ মাহ হেৰুৱালোৱে। এতিয়া ডিচেম্বৰ, জানুৱাৰী, ফেব্ৰুৱাৰী মাহ আছে মাত্ৰ। সেই কাৰণে এইটো বৰ গুৰুত্বপূৰ্ণ। সেইকাৰণে

আপোনালোকে প্ৰশ্নটোৰ সম্বন্ধীয় সোধক, নহলে অন্যক সুবিধা দিয়ক।

**ডাঃনোমল মোমিন, বিধায়ক (বোকাজান) ঃ** অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে অনুৰোধ কৰিম যে N H 36 ৰ কাম আৰম্ভ হৈছে ডবকাৰ পৰা মাঞ্জালৈকে। কিন্তু মাঞ্জাৰ পৰা ডিমাপুৰলৈকে যিবিলাক খাল আছে। ঠিকাদাৰে কাম পোৱাৰ পিচত আচলতে maintain কৰিব লাগে। কৰা নাই। অহা যোৱা কৰোতে ককাঁলৰ বিষ উঠি যায়। বিষয়টো মন্ত্ৰী মহোদয়ৰ দৃষ্টি আপোনাৰ জৰিয়তে আকৰ্ষন কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ..... মন্ত্ৰী ডাঙৰীয়া প্লিছ...

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, সন্মানীয় বিধায়কগৰাকীয়ে যিটো কথা কৈছে গড়কাপ্তানি বিভাগৰ বিষয়াক আমি MORT ৰ লগত কথা পাতিবলৈ দিম। এই কথাটো নিশ্চয় সমাধান কৰিব পাৰা যাব। যি কনট্ৰেক্টৰক দিয়া হৈছে তেওলোকে এই গাঁতখিনি ঠিক কৰিব। তালাপ আৰু ডুমডুমাৰ কামটো ২০২০ চনৰ মাৰ্চতকমপ্লিট হ'ব।

**মাননীয় অধ্যক্ষ ঃ** Question বিলাক related কওঁক । সমগ্ৰ অসম সাঙুৰিলে উত্তৰ দিয়াত অসুবিধা হ'ব। সত্যব্ৰত কলিতা ..... ৰিলেটেড Question কৰিব।

**শ্ৰীসত্যব্ৰত কলিতা (কমলপুৰ) ঃ** অধ্যক্ষ মহোদয়, মোৰ নেশ্যনেল হাইৱেৰ লগত ৰিলেটেড নহয় কিন্তু মই এটা ক'ব বিচাৰো যে, মোৰ সমষ্টি চিগনেচাৰ পেকত ১২ টা ৰাস্তা দিছিলো- ইয়াত প্ৰগ্ৰেছ ৰিপোৰ্ট দেখুৱাইছে ৫৫ শতাংশ।

**মাননীয় অধ্যক্ষ ঃ** এইটোতো ৰিলেটেড নহয়। আপুনি মিনিষ্টাৰক লগ কৰিব।

**শ্ৰীসত্যব্ৰত কলিতা (কমলপুৰ) ঃ** অধ্যক্ষ মহোদয়, বিলেগ এটা কথাহে ক'ম- ঠিকাদাৰসকলে কাম লয় কিন্তু কমপ্লিট নকৰে। আমি ৩-৪মাহহে সময় পাওঁ। গতিকে এনেধৰণৰ ঠিকাদাৰক যাতে আৰু নতুন কাম নিদিয়ে তাৰ বাবে মন্ত্ৰী মহোদয়ে ব্যৱস্থা ল'লে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া ৰফিকুল ইছলাম। ....,. আপোনাৰ Question টো Highway from Numaligarh to Dibrugarh related নহয় তেন্তে আমি বেলেগ এটা Question ত যাও।

**শ্ৰীৰফিকুল ইছলাম (জনীয়া) ঃ** অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো ৰিলেটেড নহয় কিন্তু মোৰ বেলেগ এটা প্ৰশ্ন আছে যদি আপুনি অনুমতি দিয়ে। মোৰ বৰপেটা জনীয়া আৰু কলগাছিয়া হৈ যিটো হাইৱে আছে সেইটোৰ ২ কি.মি ৰাস্তা এতিয়াও হোৱা নাই । বাকীখিনি হৈছে। মোৰ তৰাবিহীন প্ৰশ্নৰ উত্তৰত কৈছে- মাটি অধিগ্ৰহন হোৱা নাই, জৰীপ আৰু মানচিত্ৰও নাই। অধ্যক্ষ মহোদয় এইখন বহু পুৰনি গাওঁ - পুৰা ৰাস্তা হৈছে, জনীয়া - লেংটিচিঙাৰ মাত্ৰ ২ কি.মি বাকী আছে। মই মন্ত্ৰী মহোদয়ক কৈছো - অলপ মাটিখিনি ঠিক ঠাক কৰি অধিগ্ৰহণ কৰি লৈ বালাগাওঁ - ক্ষুদ্ৰ কুছিৰ ৰাস্তাৰ কামখিনি কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মিনিষ্টাৰ ডাঙৰীয়া- আপুনি কামটোত চকু ৰাখিলে ভাল হ'ব। মই পুনৰ কৈছো। আমি চৰকাৰখনে বহু উন্নয়নমূলক কাম কৰিছো কিন্তু বাহিৰৰ যিমান Tourist আহে আমাৰ ৰাজ্যলৈ কিন্তু Highway টো যদি ভাল নাপায় ৰাজ্যখনৰ ছবিটো কিন্তু বেয়া হয়। মই জানো যে অসম চৰকাৰে বিশেষ একো কৰিব নোৱাৰে, আঁচনিটো NHDICL ৰ আছিল। কিন্তু আমি যদি Strict নহওঁ ভাল নহ'ব। এই কথাটো আমি কিন্তু seriously ল'ব লাগিব।

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ, মিনিষ্টাৰ serious নহয় কাৰনে এইটো হৈ আছে নেকি ?

....... হুলস্থুল- বাদ-বিবাদ.....

**মাননীয় অধ্যক্ষ ঃ** আপুনি মাজতে কিয় মাতিছে। প্লিছ .... বহক। I am not allowing you. .. বহক।... প্লিছ..... ৰেকৰ্ডত নাযায়... বহক। ..........

...... হুলস্থুল- বাদ-বিবাদ.... ( কাৰো মাত শুনা নাযায়)

শাসকীয় দলৰ পৰা উফৰি অহা মন্তব্য ঃ অধ্যক্ষ মহোদয়, গুৰুত্ব নিদিয়া কথাটো অসত্য।

**মাননীয় অধ্যক্ষ ঃ** বহক... বহক , মই ৰাজ্যখনৰ বৃহত্তৰ স্বাৰ্থত এটা comment দিছো। ৰাজ্য চৰকাৰৰ ইয়াত দোষ নাই। কেন্দ্ৰীয় চৰকাৰক চেষ্টা কৰি আছে কিন্তু ঠিকাদাৰে কাম কৰা নাই। আমি পিছুৱাই গৈ আছো। সেই কাৰনে এই কথাটো আমি অকনমান priority দি পেলাই attention টো আমি ল'ব লাগিব। নহ'লে যিমান আমি ভাল কাম কৰি আছো বাহিৰত কিন্তু picture টো নাযাব নুমলীগড়ৰ পৰা ৰাস্তাটো সদ্যহতে বাদ দিছো কিন্তু গুৱাহাটীৰ পৰা নগাওঁলৈ যিটো ধুনীয়া ৰাস্তা আছে তাৰ কিন্তু repair খিনি সোনকালে কৰি দিলে ভাল।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ( সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, কথাটো হৈছে এই আঁচনি NHDCL য়ে কামখিনি কৰি আছে। গড়কাপ্তানি বিভাগে তাত monitor হে কৰিব পাৰিব। মাননীয় সদস্য প্ৰদীপ হাজৰিকা ডাঙৰীয়াই কোৱাৰ দৰে এই কামটো ষ্টেটৰ পি ডব্লিউ ডি ডিপাৰ্টমেন্টক দিয়া নাই। তেওলোকে নিজাববীয়াকৈ কৰি আছে। অধ্যক্ষ ডাঙৰীয়া ইয়াত সদস্য কেইবাটাও থাকে, প্ৰথম সমস্যাটো হ'ল মাটিৰ সমস্যা । যেনে মাননীয় সদস্য গৰাকীয়ে কৈছে, তাত যেতিয়া মাটি বিচাৰিছে , তাত কোনো মাটিৰ চিটা- পট্টা একো নাই। তাত Land Requisition এটা ডাঙৰ কথা । আমাৰ তাত লেণ্ড ৰিকুইজিশ্যনটো এতিয়া চেটেল হৈছে। গতিকে অধ্যক্ষ ডাঙৰীয়া এতিয়া আমাৰ NHDCL য়ে নতুন System এটা অকানিব Because of the afford of the Assam's PWD Department. তেওলোকক আমি বাধ্য কৰাইছো যে, প্ৰতি সপ্তাহত প্ৰদীপ হাজৰিকা ডাঙৰীয়াই যিকেইটা package কথা কৈছে , এই ৫ টা পেকেজে বৰ্ত্তমান তেওঁলোকে কৰি আছে। ২ টা বাতিল হৈছে, এই ৫ টা পেকেজে আমি মনিটৰ কৰিবলৈ দিছো। মনিটৰ কৰাৰ পিছত তেওলোকে প্ৰজেক্ট ৰিপোট আমাক দিব। যদি কাম ইনকমপ্লিট হৈছে পি ডব্লিউ ডি ডিপাৰ্টমেন্টে এইটোৰ ওপৰত Action ল'ব। গতিকে মই ভাবো যে এইটো জৰুৰী কথা আৰু এইখিনি কাম হ'ব। এটা কথা হ'ল মন্ত্ৰী Serious বুলি ক'ব নালাগে। অধ্যক্ষ ডাঙৰীয়া ভাৰতৰ মাননীয় গৃহ মন্ত্ৰী তেখেতক কিবা কাৰনে মাতিছে, তেখেতে দিল্লী গৈছে। পাৰ্লিমেন্টৰী এফিয়াৰ্চ ডিপাটমেন্ট Answerable Incharge . মাননীয় দেব ব্ৰত শইকীয়াৰ চকীখনত মোৰো বহাৰ সৌভাগ্য হৈছিল। Leader of the opposition. গতিকে অধ্যক্ষ মহোদয় তেতিয়া কোন মন্ত্ৰীয়ে কি উত্তৰ দিছিল মই জানো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে ধন্যবাদ। Question নাম্বাৰ - ৬৩ , ... চাপ্লিমেন্টৰি

**শ্ৰীঅতুল বৰা (পশুপালন বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীশ্বেৰমান আলি আহমেদ (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয় , মুখ্যমন্ত্ৰীৰ কৃষি সজুঁলি আঁচনিৰ যোগেদি আমাৰ প্ৰতিটো গাওঁ পঞ্চায়তত ২০০ Beneficiaryক ৫০০০ টকাকৈ অনুদান দিয়াৰ কথা আছিল। আমাৰ বৰপেটা জিলাত মূল প্ৰশ্নৰ উত্তৰ দিয়া হৈছে যে বাঘবৰ, সৰুক্ষেত্ৰী, জনীয়া, চেঙা এই ৪ টা সমষ্টিত Achievement Nill, অধ্যক্ষ মহোদয় সঁচা কথাটো হ'ল এই বাঘবৰ, সৰুক্ষেত্ৰী, জনীয়া, চেঙা ৰ লগতে ভৱানীপুৰ আৰু পাটাছাৰকুছি সমষ্টিত Achievement Nill

. ইয়াত দেখুৱাইছে মাননীয় অধ্যক্ষ মহোদয় কমিটিত এপ্ৰোভ কৰা নহ'ল। ডিষ্ট্ৰিক্ট লেভেল এখন কমিটিত ৮ টা সমষ্টিৰ আমি ৮ গৰাকী বিধায়ক আৰু ২ গৰাকী সমাজ কৰ্মী - মুঠ ১০ গৰাকী, আজি মাননীয় পবীন্দ্ৰ ডেকা ডাঙৰীয়া, মাননীয় গুনিন দাস ডাঙৰীয়া আমাৰ চেঙা সৰুক্ষেত্ৰী প্ৰত্যোকজন এম এল এ - সেই মিটিঙখনত উপস্থিত থাকি এপ্ৰ'ভ কৰিছিলো আজি এই ৮ জন বিধায়ক সাক্ষী তৎসত্বেও মাত্ৰ দুটা সমষ্টিত দিয়া হ'ল এটা হ'ল বৰপেটা আৰু এটা হ'ল সৰভোগ। বাকী ৬ টা সমষ্টিত পাটাছাৰকুছি, ভবানীপুৰকে আদি কৰি বাকী ৬ টা সমষ্টিত কিয় দিয়া নহ'ল? দ্বিতীয়তে, পি এম কিষাণৰ কথা যিটো কোৱা হৈছে মাননীয় অধ্যক্ষ মহোদয়, সদনক অত্যন্ত দুখেৰে জনাও যে পি এম কিষাণ আঁচনি অত্যন্ত ভাল আঁচনি আছিলে, কৃষকসকলে এটা সুবিধা পাব। পি এম কিষাণ আঁচনিত অধ্যক্ষ মহোদয়, ৰাতি ৰাতি আই ডি বিক্ৰী কৰা হ'ল লাখ লাখ টকাত অধ্যক্ষ মহোদয়। আমি ঘৰত শুই থাকো ৰাতি ১২- ১ বজাত হুলস্থূল লাগি যায়। পিচত গম পোৱা যায় অমুল চি এইচ পিয়ে এতিয়া আই ডিৰ নামবোৰ ভৰাই আছে। তেওলোকে ৬ হাজাৰ, ৩ হাজাৰ , ২ হাজাৰ টকালৈ উৎকোচ লোৱা হয়। এই বাস্তৱ , এইটো সত্য অধ্যক্ষ মহোদয়। ৰাতি মানুহে মোক কয় ছাৰ ৰাতি অমুকত আই ডি খুলিছে আমাৰ নামবোৰ সোমাব। ৬ হাজাৰ, ৩ হাজাৰ , ২ হাজাৰ টকা দিব লাগে। অধ্যক্ষ মহোদয় পি এম কিষাণ আঁচনি অত্যন্ত ভাল আঁচনি এটা ভাল উদ্দেশ্য লৈ কৰা হৈছিলে। বহু শ কোটি টকাৰ দূনীৰ্তি হৈছে । মই অধ্যক্ষ মহোদয় আপোনাৰ যোগেদি অনুৰোধ জনাম এই পি এম কিষাণ আঁচনি ৰ বাবে এটা CBI Inquiry দিয়া হওঁক আৰু দ্বিতীয়তে আমাৰ মুখ্যমন্ত্ৰী সাঁ সজুঁলিৰ আঁচনিত আমি ৮ জন বিধায়কে সাক্ষী দিম। যে একেখন মিটিঙত আমি

approve কৰিছিলো। মাননীয় বিধায়ক গুনীন দাস ডাঙৰীয়া আৰু পবীন্দ্ৰ ডেকা ডাঙৰীয়াই একমত হ'ব।

৮ গৰাকী বিধায়ক উপস্থিত থাকি approve কৰা সত্বেও ৬ সমষ্টিত কিয় দিয়া নহ'ল?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মিনিষ্টাৰ প্লিজ...।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্নকৰ্তা শ্ৰী শ্বেৰমান আলী ডাঙৰীয়াক ধন্যবাদ জনাইছো। পি এম কিষাণ আঁচনিখন ২০১৮ চনৰ ১ ডিচেম্বৰ তাৰিখৰ পৰা সমগ্ৰ দেশৰ লগতে অসমতো আৰম্ভ হৈছিল। মাননীয় অধ্যক্ষ মহোদয়, মই সদনক জনাবলৈ পাই সুখী হম যে দেশৰ ভিতৰতে এই আঁচনিখন ৰূপায়ণৰ সফলতাৰ ক্ষেত্ৰত অসমে দ্বিতীয় স্থান লাভ কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, এনে কেতবোৰ অভিযোগ আমি পাইছো। কিন্তু সকলো জিলাতে পোৱা নাই। বৰপেটা, দৰং, মৰিগাওঁ, ধুবুৰী জিলাৰ পৰা পাইছো। মৰিগাওঁত এনেকুৱা কেতবোৰ অভিযোগ পোৱাৰ পিছত আমি বিভাগীয় বিষয়াৰ জৰিয়তে যেতিয়া অনুসন্ধান কৰো তেতিয়া কেতবোৰ আসোঁৱাহ ধৰা পৰাত আমি জিলা কৃষি বিষয়া গৰাকীক নিলম্বন কৰো আৰু বিষয়টোত আৰু কোনাবা জড়িত আছে নেকি তাৰ কাৰণে অনুসন্ধান কৰি থকা হৈছে। ঠিক তেনেদৰে দৰঙতো অনুৰূপ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বৰপেটাৰ ক্ষেত্ৰত এইটো আৰু সুকীয়া। বৰপেটাত দেখিলো যে পি এম কিষাণত ইমান মানুহৰ নাম এই জিলাখনত অন্তৰ্ভুক্ত হ'ল যিটো আচলতে কল্পনাৰ বাহিৰত। যদিও ইয়াত চি বি আইৰ কথা কোৱা হৈছে আমাৰ বিভাগে এই ক্ষেত্ৰত সঠিকভাৱে অনুসন্ধান কৰি আছে। আমি কোনো biased হৈ এই কাম কৰা নাই। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই কৃষকক উপাৰ্জনত সকাহ দিয়াৰ কাৰণে বছৰি ৬ হাজাৰ টকাৰ আৰ্থিক সাহাৰ্য্য এই আচঁনিখনৰ জৰিয়তে

আগবঢ়াইছে। তিনিটা কিস্তিত ২ হাজাৰ টকাকৈ চাৰি মাহৰ অন্তৰে অন্তৰে কৃষকৰ বেংক একাউণ্টত প্ৰত্যক্ষ ভাৱে জমা দিয়া হয়। মাননীয় অধ্যক্ষ মহোদয়, আমা্ৰ সমস্যা আছিল এটাই যে যিটো পি এম কিষাণ প'ৰটেল আছিল ইয়াত কিছু আসোঁৱাহ আছিল। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই এইটো লঞ্চ কৰাৰ পিছত প্ৰথম কিছুদিনলৈ অৰ্থাৎ ২৮ ফেব্ৰুৱাৰী, ২০১৯ পৰ্য্যন্ত জিলা পৰ্য্যায়ৰ যিটো আই ডি আৰু পাচৱৰ্ড, যিটো নিৰীক্ষণ কৰিব পৰা ব্যৱস্থা, জিলা পৰ্য্যায়ত ফিল্টাৰ কৰিব পৰা ব্যৱস্থা হোৱা নাছিল। এই জিলা পৰ্য্যায়ৰ ফিল্টাৰৰ জৰিয়তে একোখন নিৰ্দিষ্ট জিলাৰ কৃষি বিষয়া তথা জিলা ন'ডেল বিষয়া গৰাকীৰ আই ডি ৰ জৰিয়তে সেইখন জিলাতে মাথো ব্লক লেভেল ইউজাৰ আই ডি সৃষ্টি কৰিব পৰা যায়। প্ৰত্যেকখন জিলাৰ বাবে এই নিদিষ্ট ফিল্টাৰৰ জৰিয়তে অন্য জিলাত কোনো ইউজাৰ আই ডি কৰিব পৰা নাযায়। আটাইতকৈ ডাঙৰ কথা হৈছে উৰ্দ্ধতম কতৃপক্ষই এইক্ষেত্ৰত বিশেষ ভাৱে চকু ৰাখিছে। আমি জানো যে কেতবোৰ এলেকাত এনেধৰণৰ ক্ৰুটি-বিচুৰ্তি হ'ব পাৰে বা কোনোবাই দূৰ্নীতিৰ আশ্ৰয় ল'ব পাৰে। আটাইতকৈ ডাঙৰ কথা হৈছে উৰ্দ্ধতম কতৃপক্ষই যদি ইউজাৰ আই ডি টো ডি- এক্টিভ ও কৰি দিয়ে তেতিয়াওঁ সেই ইউজাৰ আই ডি ব্যৱহাৰকাৰী জনে এক্টিভেট একাউণ্ট অপ্চনত গৈ পুনৰ এক্টিভ কৰি ল'ব পাৰে। এইটো আছিল আমাৰ কাৰণে আটাইতকৈ ডাঙৰ সমস্যা। আনহাতে **OTP Base Portal Access** টো ২৪ ঘণ্টালৈকে সক্ৰিয় হৈ থাকে ফলত উৰ্দ্ধতম কতৃপক্ষই কোনো এটা ইউজাৰ আই ডি ডি-এক্টিভ কৰিলেও সেই ইউজাৰ আই ডি ব্যৱহাৰকাৰী জনে এক্টিভেট একাউণ্ট অপ্চনত গৈ ২৪ ঘণ্টাৰ ভিতৰত পুনৰ এক্টিভেট কৰি ল'ব পাৰে। গতিকে জিলা ন'ডেল বিষয়াই ডি-এক্টিভেট কৰিলেও ব্লক পৰ্য্যায়ত বা ডাইৰেক্টৰ পৰা ডি-এক্টিভেট কৰিলও তলৰ পৰ্য্যায়ত এইখিনি এক্টিভেট কৰি ল'ব পৰা সুবিধা আছে। যাৰ কাৰণে কিছু ক্ৰুটি-বিচ্যুতি কেতবোৰ ঠাইৰ কিছু অঞ্চলত হ'ল যদিও সকলো অঞ্চলতে হোৱা নাই। কাৰিকৰী ক্ৰুটিৰ সুবিধা লৈ মই ভাৱো এচামে এইখিনি কৰিছে। আমি অনুসন্ধান কৰিম আৰু অনুসন্ধানত যিয়ে দোষী সাব্যাস্ত হয় সেইসকলৰ ওপৰত আইনগত ব্যৱস্থা লোৱা হ'ব।

**শ্ৰী শ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৬ টা সমষ্টিয়ে নাপালে মাত্ৰ ২ টা সমষ্টিয়েহে এই আঁচনিৰ সুবিধা পালে।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰী শ্বেৰমান আলী ডাঙৰীয়া নিজেই জিলা বাছনি সমিতিৰ এজন সদস্য। গতিকে মই ভাৱো এইখিনি বিষয় আমি আলাপ আলোচনাৰ মাজেদি সমাধান কৰিব পাৰিম। মাননীয় অধ্যক্ষ মহোদয়, আমি এতিয়াও দিব পৰাকৈ ৫ কোটি টকা উলিয়াই আচুতীয়াকৈ ৰাখিছো। গতিকে আপোনালোকৰ লেভেলত খেলিমেলিটো ভাঙিলে আমি সেইখিনি নাইকিয়া কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব পাৰিম।

**শ্ৰী শ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ কথাত আৰু লিখিত উত্তৰত এফ আই আৰ ল'জ কৰা হৈছে বুলি কোৱা হৈছে। অৰ্থাৎ এই কথাটো স্পষ্ট হৈছে যে দূৰ্নীতি হৈছে। ১ লাখ ৮৭ হাজাৰৰ ঠাইত ৫ লাখ ৪৮ হাজাৰ হৈছে। ইমানখিনি বাঢ়ি যোৱাৰ বাবে মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো কাৰণ যেতিয়া আই ডি বোৰ চি এচ পি বোৰত বিক্ৰী কৰা হ'ল এটা পৰিয়ালৰ মাকৰ নামৰ একাউণ্টত সোমালে ৬ হাজাৰ, বাপেকৰ নামৰ একাউণ্টত সোমালে, ল'ৰা-ছোৱালীৰ একাউণ্টৰ নামত সোমালে। যদি ভালকৈ তদন্ত কৰা হয়, দেখা যায় যে এটা পৰিয়ালে ৫০ হাজাৰ পালে। আন শ শ পৰিয়ালে নাপালে যিসকলে উৎকোচ নিদিলে। মাননীয় অধ্যক্ষ মহোদয়, এইটো মাননীয় প্ৰধানমন্ত্ৰীৰ স্কীম। তেওঁ আমাৰো প্ৰধানমন্ত্ৰী। আমিও অন্তৰত দুখ পাওঁ যেতিয়া মাননীয় প্ৰধানমন্ত্ৰীৰ স্কীমটো ভালকৈ ফলবতী নহয়। মই ভাৱো শাসনত থকা মন্ত্ৰী

মহোদয়ে আৰু দুখ পাব যদি মাননীয় প্ৰধানমন্ত্ৰীৰ স্কীমত এনেকুৱা খেলিমেলি হয়। সেইকাৰণে মই চি বি আই এনকুৱাৰী ডিমাণ্ড কৰিছো। আজি মোৰ দলৰ যদি প্ৰধানমন্ত্ৰী থাকিলে হেঁতেন কোনেও প্ৰশ্ন নকৰিলে ও মই চি বি আই তদন্ত দিলো হেঁতেন। আমি আশা কৰিছো তেখেতৰ মাননীয় প্ৰধানমন্ত্ৰীৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধা আৰু তেওঁ যে অন্তৰত আঘাত পাইছে তাৰে এটা চি বি আই তদন্ত দি সদনত প্ৰতিপন্ন কৰিব। মাননীয় মন্ত্ৰী মহোদয়, আমি দহ জনৰ ভিতৰত আঠ জন এম এল এ আৰু দুজন চচিয়েল ৱৰ্কাৰ। তাৰে ভিতৰত আমি আঠ জনে সন্মতি প্ৰদান কৰিছো কিন্তু এই দুজন চচিয়েল ৱৰ্কাৰে সন্মতি প্ৰদান নকৰাৰ কাৰণে ডি অ' জনে চচিয়েল ৱৰ্কাৰ দুজনৰ কথা মতে কিয় এই কামখিনি নকৰিলে এই বিষয়ে ডি অ'ৰ বিৰুদ্ধে এটা তদন্ত কৰিব লাগে আৰু অনুৰোধ জনাইছো যিহেতু ৫ কোটি আছেই যিখিনিয়ে নাপালো সেইখিনিক দিব বুলি অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী আবুল কালাম আজাদ।

**শ্ৰী আবুল কালাম আজাদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টি ভৱানীপুৰত পি এম বিকাশ আঁচনিৰ অধীনত এজন মানুহে ও নাপালে। ...........

**মাননীয় অধ্যক্ষ ঃ** মাননীয় বিধায়ক শ্ৰী শ্বেৰমান আলী ডাঙৰীয়াৰ বক্তৃতাত আপোনাৰ কথা খিনিও অন্তৰ্ভুক্ত হৈ আছে। এতিয়া শ্ৰী পবিন্দ্ৰ ডেকা। আপোনাৰ কথাটো already raised হৈছে, আপুনি বহক। এইটো তেওঁ include কৰিম বুলি কৈছে। ৫ কোটি টকা আছে তাৰ মাজৰ পৰা যিখিনি পাৰে কৰিব। মন্ত্ৰী ডাঙৰীয়া, তেখেতৰ সমষ্টিটো ৮ টা সমষ্টিৰ ভিতৰত আছে।

**শ্ৰী অতুল বৰা, কৃষি মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, নিশ্চিতভাৱে চাম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া পবীন্দ্ৰ নাথ ডেকা ডাঙৰীয়া।

**প্ৰবীন্দ্ৰ নাথ ডেকা, পাটাছাৰকুছি ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই কথাটো মন্ত্ৰী ডাঙৰীয়াই চাম বুলি কৈছে কিন্তু এটা কথা মই কৈছো যে এই যে আচঁনিবিলাক সম্পৰ্কে বিধায়কসল অজ্ঞাত হৈ থাকিব নালাগে। আমি meeting ত এটা সিদ্ধান্ত দি আছো, তাৰ পিছত তেওঁলোকে Form বিলাক দি আছে, সেই Form বোৰ কাক কেতিয়া দিলে, কি দিলে একো গম নাপাওঁ। লগতে কৃষি শষ্যৰ যে বীজ দিছে, ৰাইজে আমাক সোধে আহি যে তেওঁলোকে কিয় বীজ নাপালে? মই DO ক বহুতবাৰ কৈছিলো ADO ও নাজানে। ADO য়ে কৈছে ময়ো নাজানো Form কাক দিছে? তেওঁলোকে গোটেই পঞ্চায়তৰ গ্ৰাম সেৱক বিলাকক দিছে আৰু গ্ৰাম সেৱক বুলিলে ৰাইজে কি বুলি বুজি পায় সকলোৱে জানে এইটো। গতিকে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰো যাতে বিধায়ক সকলৰ জ্ঞাতাৰ্থে এই কামটো কৰা হয়। নলবাৰীত আমি এটা সিদ্ধান্ত লৈছো যে কৃষি সজুঁলিৰ যিখন Form আছে তাত আমি বিধায়ক সকলৰ recomendation দিয়াৰ ব্যৱস্থা কৰিছো। তেতিয়া আমি বিধায়ক সকল জ্ঞাত থাকো। গতিকে বিধায়ক সকলৰ জ্ঞাতাৰ্থে কৰিবলৈ মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, কৃষি মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানে যে যোৱা কংগ্ৰেছ চৰকাৰখনত এই কৃষি বিভাগটো কি পৰ্যায়লৈ পৰ্য্যবসিত হৈছে। ----হুলস্থুল-------

**মাননীয় অধ্যক্ষ ঃ** Please quiet.

**শ্ৰী অতুল বৰা, কৃষি মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দিনত এই বিভাগৰ জৰিয়তে কেতবোৰ নতুন নতুন আঁচনি গ্ৰহন কৰা হৈছে আৰু এই বিষয়ে মই সদনৰ মজিয়াত একোখনকৈ চিঠি দি সন্মানীয় প্ৰতিগৰাকী বিধায়কক অৱগত কৰিছো। RIDF ত ১ লাখ ১হাজাৰ total

cello tubewell, Solar Diesel Electronic pump দিয়াৰ ব্যৱস্থা কৰা হৈছে। যাতে এটা revolution হয়। মাননীয় পাটোৱাৰী ডাঙৰীয়া যেতিয়া অসমৰ কৃষি মন্ত্ৰী আছিল সেই সময়ত সেই irrigation ৰ ব্যৱস্থাটো এটা revolution ৰ সৃষ্টি কৰিছিল। ইমান এটা সুবিধা চৰকাৰৰ তৰফৰ পৰা দিয়া হৈছে। গতিকে সেই সুবিধাখিনিৰ সুযোগ আপোনালোকে গ্ৰহন কৰিব লাগিব। সন্মানীয় সদস্য শ্বেৰমান আলী ডাঙৰীয়াই মোৰ ওচৰলৈ -----হুলস্থুল------

মাননীয় অধ্যক্ষ ঃ I'm telling you, this is not the way.please---

**শ্ৰী অতুল বৰা, কৃষি মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, PM কিষাণৰ উপৰিও মুখ্য মন্ত্ৰী কৃষি সা-সজুঁলি যোজনা আচঁনিৰ জৰিয়তে আকৌ ৩লাখ ২০ কোটি টকা এইবাৰ বাজেটত ধাৰ্য্য কৰিছে। কৃষকক সকাহ দিবলৈ বিচৰা হৈছে। গ্ৰাম্য অৰ্থনীতিৰ বুনিয়াদ শক্তিশালী কৰিবলৈ কৃষি ক্ষেত্ৰ খনলৈ এক আমূল পৰিবৰ্তন আনিবলৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ ডাঙৰীয়াৰ নেতৃত্বত আমাৰ চৰকাৰে ব্যৱস্থা লৈছে। আগতে বোধহয় কৃষকে পোনপটীয়াভাৱে চৰকাৰৰ পৰা সুবিধা পোৱা নাছিল। PM কৃষাণৰ জৰিয়তে আজি ৩৮ লাখ খেতিয়ক উপকৃত হৈছে। এতিয়া আটাইতকৈ ডাঙৰ কথা সমগ্ৰ অসমৰ পৰা খবৰ আহিছে পৰিয়ালটোৰ কোনোবা এজনে পালেই, এতিয়া আবেদন আহিছে শ শ লাখ লাখ মহিলাৰ আবেদন আহিছে। এইকাৰণে আমি verification কৰিবলৈ দিছো। এই verification ৰ পিছত মুখ্যমন্ত্ৰী কৃষি সা- সঁজুলিৰ অধীনত আমি হিতাধীকাৰীৰ নাম নিৰ্বাচিত কৰিবৰ বাবে ব্যৱস্থা লৈছো। মই মাননীয় সকলো সদস্যকে কৈছো আপোনালোকে সহায় সহযোগিতা কৰে যেন।

গতিকে মই আশা ৰাখিছো শাসক পক্ষ বিৰোধী পক্ষ সকলোৰে যাতে কথাখিনি হৃদয়ঙ্গম কৰে। আমি আন্তৰিকতাৰে প্ৰচেষ্টা লৈছো। ইয়াত কোনো কৃত্ৰিমতা নাই।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া জাকিৰ হুছেইন সিকদাৰ।----হুলস্থুল------আপোনালোক দুয়োজন বহক। Question আৰু Answer session ৰ সময়ত যিজন মূল প্ৰশ্নকৰ্তা তেখেতে প্ৰশ্ন কৰে বাকী দুটা বা তিনিটা দিওঁ। যিহেতু প্ৰত্যেক ৰাজনৈতিক দলকে এটা দিলে ৪ টা দিয়া যায়। আপোনালোকৰ মাজত কংগ্ৰেছ দলৰ পৰা জাকিৰ হুছেইন সিকদাৰৰ আগত নুৰুল হুদাই বিচাৰিলে, জাকিৰ হুছেইনে বিচাৰিলে বা আপুনি কিবা কৰিলে মন্ত্ৰী এজনে কথা কৈ থাকোতে আপোনালোকে ধৈৰ্য্য সহকাৰে শুনিব। তেখেত বহাৰ পিছত যদি আপোনালোকে মোক objection টোৰ কথা জনায় I will allow to raise. কথা কৈ থাকোতে আপোনালোকে মাজতে উঠি দিয়ে। আপোনালোকৰ ফালৰ পৰা কৈ থাকিলে আমাৰ ফালৰ পৰা উঠিব নালাগে বা আমাৰ ফালৰ পৰা কৈ থাকিলে আপেনালোকৰ ফালৰ পৰা উঠিব নালাগে। এই কথাটোত গুৰুত্ব নিদিলে question hour টো চলোৱাত অসুবিধা হয়। আপোনালোকক request কৰিছো, যি আছে ক'বলগা Question Hour টো শেষ হ'ব, I will allow your point of order. Hon'ble Member, Shri Jakir Hussain Sikdar, I will allow you after completion of question hour now I'am allowing Hon'ble Member, Shri Nurul Huda to raise Question.

**শ্ৰী নুৰুল হুদা, ৰূপহীহাট ঃ** মাননীয় অধ্যক্ষ মহোদয়, PM কিষাণৰ মোৰ নগাওঁ জিলাৰ সমষ্টিৰ যিখিনি হিতাধিকাৰীৰ অনুমোদন হৈছিল তাৰে ৫০ শতাংশ হিতাধিকাৰীয়ে এতিয়ালৈকে গম পোৱা নাই আৰু মুখ্যমন্ত্ৰীৰ সা-সঁজুলিৰ সংক্ৰান্তত মাননীয় মন্ত্ৰী মহোদয়ে ক'লে দিছে বুলি। কিন্তু মোৰ সমষ্টিত এজনেও পোৱা নাই। এইটো মন্ত্ৰী মহোদয়ে চাব লাগে। লগতে CSP ৰ ক্ষেত্ৰত প্ৰতিটো

CSP তে inquiry করিব লাগে। ভুৱা নাম, ভুৱা account ৰে অলাগতিয়াল মানুহে পাইছে। প্ৰকৃত কৃষক সকল বাদ পৰিছে। গতিকে প্ৰকৃত কৃষকসকলে যাতে এই অনুদানটো পায় তাৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, কৃষি মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই এই কথাটো আগতে জনা নাই যে মুখ্য মন্ত্ৰী কৃষি সা-সঁজুলিৰ আঁচনিৰ অধীনত ৰূপহীত এগৰাকীও কৃষকে ধন লাভ কৰা নাই। এইটো বোধকৰো আপুনি ভালদৰে inquiry কৰিলে গম। নিশ্চয় পাইছে। নহ'লে তেনেকুৱা হ'লে আমাৰ হাতত report থাকিলেহেঁতেন। বৰপেটাৰ ক্ষেত্ৰত report আমাৰ হাতত আছে। তেখেতৰ ক্ষেত্ৰত এই report টো পোৱা নাই। নতুনকৈ দিয়াৰ কথা কৈছো। নতুনখিনিৰ এতিয়া বাছনি প্ৰক্ৰিয়া আৰম্ভ হ'ব। আবেদন পোৱা হৈছে। পূৰ্বৰ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি আমি অলপ ভালদৰে চালি জাৰি চাই এই আচনিখনৰ সফল ৰূপায়নৰ বাবে আমি যাৱতীয় ব্যৱস্থা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া গুৰুজ্যোতি দাস।

**শ্ৰী গুৰুজ্যোতি দাস, মঙ্গলদৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দৰং জিলাখন কৃষিপ্ৰধান জিলা। ইতিমধ্যে আমাৰ চৰকাৰখনে যথেষ্ট ভূমিকা লৈছে কৃষিৰ ক্ষেত্ৰখনত। লগতে মন্ত্ৰী মহোদয়েও বলিষ্ঠ পদক্ষেপ লৈছে। মুখ্যমন্ত্ৰী কৃষি সজুলিৰ আঁচনিৰ জৰিয়তে আমাৰ যথেষ্ঠ সংখ্যক কৃষক উপকৃত হৈছে আৰু 'প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি'ৰ জৰিয়তে বহুতে পাইছে। ইতিমধ্যে মন্ত্ৰী মহোদয়ে তেওঁৰ বক্তব্যত কৈছে যে দৰং জিলাত এটা Inquiry ৰ কেলেংকাৰী হৈছে। অধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে আমাৰ দৰং জিলাৰ প্ৰসাশনকো ধন্যবাদ জনাইছো। এই ক্ষেত্ৰত এটা CSPৰ ৮,৪৫৮ জনৰ পইচা এটা CSP য়ে ভৰাইছিল আৰু নেপালী বজাৰৰ ড° ৰেজাউল বুলি তেওঁক ইতিমধ্যে arrest কৰিছে। দৰং প্ৰশাসনক মই ধন্যবাদ জ্ঞাপন কৰিছো। কাৰণ এই লোক সকলে বহুতো প্ৰকৃত কৃষকৰ পৰা টকা আত্মসাৎ কৰিছিল। সেয়েহে, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে এই ক্ষেত্ৰত বিহীত ব্যৱস্থা গ্ৰহণ কৰে। আনহাতে, ২৬ হাজাৰ কৃষকক যি ট্ৰেক্টৰ দিয়াৰ ব্যৱস্থা কৰা হৈছে, সেইটো আগতে কেতিয়াও হোৱা নাছিল। গতিকে, এনে ধৰণেৰে যাতে প্ৰকৃত কৃষক সকলে সুবিধা সমূহ পায়।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

**শ্ৰী অতুল বৰা (কৃষি বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীৰ পৰামৰ্শৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। তেখেতে সদনত স্পষ্ট ভাৱে কৈছে যে মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰামোন্নয়ন যোজনা আঁচনিৰ জৰিয়তে ৰাজ্যখনৰ ২৬ হাজাৰ ৰাজহ গাঁৱলৈ ট্ৰেক্টৰ দিয়াৰ ব্যৱস্থা কৰা হৈছে । এইটো এটা ভাল পদক্ষেপ। লগতে, আমাৰ কাৰ্যকালত আমাৰ ৰাজ্যখনৰ খেতিয়কক প্ৰায় ১১ হাজাৰতকৈ অধিক পাৱাৰ টিলাৰ দিবলৈ আমি সক্ষম হৈছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। আমাৰ ৰাজ্যখন হৈছে কৃষিপ্ৰধান ৰাজ্য। সেয়েহে আজি এই আলোচনাখিনি দিয়া হৈছে। যদি বিষয় বেছি থাকে তেন্তে আগন্তুক সময়ত ইয়াৰ ওপৰত আলোচনা কৰা হ'ব।

এতিয়া Question No. 64- Sahab Uddin Ahmed.

**শ্ৰী পিযুষ হাজৰিকা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী চাহাব উদ্দিন আহমেদ (জলেশ্বৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ জলেশ্বৰ সমষ্টিৰ স্বাস্থ্য বিভাগৰ সম্পৰ্কত কেইটামান প্ৰশ্ন আনিছিলো। ইয়াৰ উত্তৰ ইতিমধ্যে সদনত দিয়া দেখা গৈছে।

মোৰ সমষ্টি দুখন জিলা অৰ্থাৎ গোৱালপাৰা আৰু ধুবুৰী জিলাত বিভাজিত। ধুবুৰীত ৯ খন গাওঁ পঞ্চায়ত আছে আৰু গোৱালপাৰাত ১৬ খন গাওঁ পঞ্চায়ত আছে। অধ্যক্ষ মহোদয়, মেদৰটাৰী ৰাজ্যিক চিকিৎসালয়খন ভাৰতবৰ্ষ স্বাধীন হোৱা আগত, ১৯৪৪তে স্থাপিত হৈছিল। ইমান পুৰণি চিকিৎসালয়খনৰ বৰ্তমান অৱস্থা বহুত জৰাজীৰ্ণ। মই যিমানখিনি জানো বা মই যিমানখিনি ক্ষেত্ৰ অধ্যয়ন কৰিছো, সেই অনুযায়ী মই পোৱা উত্তৰখিনি সঠিক নহয়। উক্ত ৰাজ্যিক চিকিৎসালয়খনত চিকিৎসা গৃহ, ডাক্তৰ আৱাস গৃহ, কাৰ্যালয়, Labour Room ৰ প্ৰয়োজনীয় সা-সুবিধা আছে। ইয়াৰোপৰি, Satff Nurse and Lab Technician গৰাকী চিকিৎসালয়ৰ আৱাস গৃহতে বাস কৰি আছে আৰু বৰ্তমান তাত তিনিটা আৱাস গৃহ আছে বুলি উত্তৰত দিছে। কিন্তু, এই উত্তৰটো সঠিক নহয়, অধ্যক্ষ মহোদয়। এই চিকিৎসালয়ৰ যি জৰাজীৰ্ণ অৱস্থা, তাৰ প্ৰমাণ স্বৰূপ মোৰ ওচৰত ফটো আছে আৰু আপোনাৰ জৰিয়তে এই ফটোখন মই মন্ত্ৰী মহোদয়ক দিম। এই চিকিৎসালয়খনত বেৰত প্লাছ নাই বৰঞ্চ তাত hardboard লগাই থৈছে। তাত থকাৰ কোনো ব্যৱস্থা নাই। বৰষুণ দিলে ১০-১২ ঠাইত পানী পৰে। সেয়েহে, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে ইয়াৰ ওপৰত এটা spot verification কৰে আৰু ইয়াৰ সঠিক উত্তৰ দিয়ে। কেন্দ্ৰীয় তথা ৰাজ্যিক চৰকাৰে স্বাস্থ্য বিভাগত যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে। গতিকে বানাক্ৰান্ত অঞ্চল তথা ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ অঞ্চলসমূহত উন্নতমানৰ চিকিৎসাৰ বাবে যাতে পৰিৱেশ গঢ়ি তোলে। স্বাস্থ্য আমাৰ প্ৰয়োজনীয় সম্পদ। স্বাস্থ্য সৱল নহ'লে দেশ সুস্থ নহয়। সেয়েহে, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে এই ৰাজ্যিক চিকিৎসালয়খনৰ সকলো আন্তঃগাঁথনি গঢ়ি তোলে আৰু বানাক্ৰান্ত অঞ্চলৰ লোক সকলে যাতে তাত চিকিৎসাৰ বাবে যাব পাৰে তাৰ সুবিধা কৰি দিয়ে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী পিযুষ হাজৰিকা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, কালি মই জলেশ্বৰ সমষ্টিলৈ গৈছিলো। মাননীয় সদস্যগৰাকী আৰু মই একেলগে 'জলেশ্বৰ আদৰ্শ চিকিৎসালয়'খন ৰাইজৰ বাবে উৎসৰ্গা কৰি আহিছো। যোৱাকালি তেখেতে ৰাজ্য চৰকাৰক ধন্যবাদ জ্ঞাপন কৰি ভাষণো দিছিলে। মাননীয় সদস্য গৰাকীয়ে যি মেদৰটাৰী ৰাজ্যিক চিকিৎসালয়ৰ কথা কৈছে, তাত বৰ্তমান দুগৰাকী ডাক্তৰ আছে, তাৰে এগৰাকী regular ডাক্তৰ আৰু আনগৰাকী NHM ৰ, দুগৰাকী staff nurse, এগৰাকী Lab Technician আৰু এজন Pharmacist আছে। যোৱা তিনিটা বছৰত সেই চিকিৎসালয়খনত কিমান ৰোগী আছিল তাৰ তথ্যখিনি মই সংক্ষিপ্তত ক'ম- ২০১৭-১৮ বৰ্ষত OPD ত ৰোগী আছিল ১৬,৯৩১ জন, **২০১৮-১৯** বৰ্ষত OPD ত ১৭,৬৬৮ জন ৰোগীয়ে treatment পাইছিল আৰু ২০১৯-২০ বৰ্ষৰ এপ্ৰিল মাহৰ পৰা অক্টোবৰ মাহলৈকে ১০,৭৫৮ জন ৰোগীয়ে treatment কৰিছে। তাৰ মানে, চিকিৎসালয়খন সম্পূৰ্ণ running condition ত আছে। মাননীয় সদস্য গৰাকীয়ে চিকিৎসালয়খনৰ আন্তঃগাঁথনি সম্পৰ্কে যি কৈছে তাৰ উত্তৰত মই ইতিমধ্যে কৈছো যে তাত চিকিৎসা গৃহ, ডাক্তৰৰ আৱাস গৃহ, labour room আছে। অসম চৰকাৰৰ স্বাস্থ্য বিভাগে সময়ে সময়ে চিকিৎসালয়সমূহৰ upgradationৰ ব্যৱস্থা কৰো আৰু প্ৰতি বছৰে ৩০ৰ পৰা ৪০ কোটি টকা infrastructure development ৰ বাবে খৰচ কৰি আছো। সেয়েহে, মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় সদস্য গৰাকীক আশ্বস্ত কৰিব বিচাৰিছো যে, যদি তেওঁৰ সমষ্টিৰ চিকিৎসালয়ৰ আন্তঃগাঁথনি উন্নীত কৰিব লাগে তেন্তে তেখেতে আমাক proposal দিয়ক; আমি সেইটো

কৰিবলৈ নিশ্চয় চেষ্টা কৰিম।

**শ্ৰী চাহাব উদ্দিন আহমেদ (জলেশ্বৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ আৰু এটা প্ৰশ্ন আছিল যে আমাৰ ধুবুৰী জিলাৰ অন্তৰ্গত চিৰাকুটী Mini PHCখন upgradation কৰিব লাগে। তাৰোপৰি, জনজাতীয় অঞ্চল চৈবাৰীত অৱস্থিত **১৯৫১** চনতে স্থাপিত হোৱা Mini PHC খন আৰু ১৯৬১ চনত স্থাপিত হোৱা ধুমেৰঘাটত থকা ৰাজ্যিক হস্পিতালখনৰ building জৰাজীৰ্ণ অৱস্থাত আছে। মন্ত্ৰী মহোদয়ে চিকিৎসা সেৱা বা নাৰ্চ আদি mandatory কথা কৈছে। কিন্তু, মই চিকিৎসা সেৱা বা নাৰ্চৰ কথা কোৱা নাছিলো, মই building ৰ কথাটোহে কৈছিলো। মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো যে যোৱাকালি তেখেতে মোৰ সমষ্টিত গৈছে আৰু চৰকাৰে কৰা উন্নয়নমূলক কামত মই ধন্যবাদ দিবলৈ সদায়ে সাজু আছো। গতিকে মন্ত্ৰী মহোদয়ে চৈৱাৰী, চিৰাকুটী আৰু ধুমেৰঘাট এই চিকিৎসালয়কেইখনৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰত যেন গুৰুত্ব দিয়ে।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া, আপুনি চাব।

**শ্ৰী পিযুষ হাজৰিকা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) ঃ** হয় মহোদয়। এই ক্ষেত্ৰত মই ইতিমধ্যে কৈছোৱেই যে আন্তঃগাঁথনি উন্নয়নৰ বাবে অসম চৰকাৰৰ স্বাস্থ্য বিভাগে প্ৰতি বছৰে বিভিন্ন হস্পিতাললৈ আৰ্থিক সাহায্য আগবঢ়াও। মই মাননীয় সদস্য গৰাকীৰ প্ৰথম প্ৰশ্নৰ উত্তৰটো ক'লো যে তেখেতে যেতিয়া সেই বিষয়টো প্ৰস্তাৱ সহকাৰে আনিব মই সেই চিকিৎসালয়কেইখনৰ আন্তঃগাঁথনিৰ কাৰণে কাম কৰিবলৈ নিশ্চয় চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষঃ** Thank you. Question No. 65- Wazed Ali Choudhury. Minister please.

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা)ঃ** মহোদয়, ২০১৮-১৯ বিত্তীয় বৰ্ষৰ বাবে বিধায়ক পুঁজিৰ দ্বাৰা মই কিছুমান আঁচনি, বিশেষকৈ, খোৱা পানী যোগানৰ আঁচনি দিছিলো। চৰ অঞ্চলত tubewell ৰ বাহিৰে খোৱা -পানীৰ অন্য কোনো ব্যৱস্থা নাই। সেয়েহে, মই tubewell ৰ জৰিয়তে খোৱা পানী যোগানৰ বাবে কেইবাটাও অঞ্চলত বিভিন্ন আঁচনি দিছিলো। কিন্তু, ধুবুৰীৰ উপায়ুক্ত ডাঙৰীয়াই তাৰে এটা আঁচনি approve কৰি বাকী কেইটা ঘূৰাই দিছে। এতিয়া কথা হ'ল যে, কি কাৰণে বিধায়ক পুঁজিৰ দ্বাৰা বিধায়কে দিয়া আঁচনি উপায়ুক্তই ঘূৰাই দিলে? মই দিয়া আঁচনিসমূহ যদি guideline ত নপৰে তেন্তে ঘূৰাই দিব পাৰে, কিন্তু চৰ অঞ্চলত tubewell ৰ বাহিৰে অন্য ব্যৱস্থা নথকা বাবেই মই আঁচনিসমূহ দিছিলো। এই ক্ষেত্ৰত মই ইতিমধ্যে Principal Secretary ক জনাইছো আৰু উপায়ুক্ত ডাঙৰীয়াই দিয়া চিঠিখনো দিলো। তেতিয়া তেখেতে ক'লে যে, আপুনি লিখি দিয়ক, আমি অতি সোনকালে বিহীত ব্যৱস্থা ল'ম। কিন্তু, এতিয়ালৈকে কোনো ব্যৱস্থা লোৱা হোৱা নাই। গতিকে, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো যে আমাৰ বিধায়ক পুঁজিৰ ক্ষেত্ৰত আঁচনিসমূহ বিধায়কৰ দ্বাৰা নিৰ্ণয় হ'ব নে উপায়ুক্তৰ দ্বাৰা নিৰ্ণয় হ'ব?

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে যে তাত তেখেতে প্ৰায় ৯০ লাখ টকাৰ tubewell ৰ আঁচনি লৈছিল। তাৰ ভিতৰত এটা ৬.২৭ লাখৰ আঁচনি sanction হৈছে। বাকী আমাৰ অসম

চৰকাৰৰ বিত্ত বিভাগৰ পৰা No. DPD.322/18-19, MLA South Salmara, Dtd 04-10-19 মতে মাননীয় বিধায়ক ডাঙৰীয়াই আঁচনিসমূহ কেনেকৈ কৰিব, সেই সম্পৰ্কত এখন চিঠি বিচাৰিছিলো। এই ক্ষেত্ৰত আমি সকলো বিধায়কে জানো যে ইয়াত বিত্ত বিভাগৰ এটা guideline আছে। সেই guideline খনত কৈছে যে এটা scheme ত ১০ লাখ মানকৈ টকা দিব পাৰি মাননীয় অধ্যক্ষ মহোদয়, দহ লাখ টকাতকৈ ওপৰৰ স্কীম হ'ব নোৱাৰে। গতিকে দুটা বছৰত হয়তো ২০ লাখ হ'ব পাৰে। ইয়াৰ আগতেও তেখেতে এই ধৰণৰ স্কীম দিছে আৰু গোটেই কেইটা স্কীমেই আগৰ বিত্তীয় বৰ্ষত চেংচন হৈছে। এইবাৰ বিত্তীয় বৰ্ষত এইটো গৈ ৯০ লাখতকৈও ওপৰ হৈছে। সেইকাৰণে বিত্ত বিভাগে এইটো পৰীক্ষা কৰি আছে আৰু মাননীয় সদস্য গৰাকীৰ পৰা এখন চিঠি বিচৰা হৈছে। উপায়ুক্তৰ পৰাও আমি তথ্য বিচাৰিছো যে গাইড লাইনৰ বাহিৰত উপায়ুক্তই এইটো কৰিব পাৰিব নে নাই? গতিকে এইক্ষেত্ৰত বিত্ত বিভাগে ব্যৱস্থা লৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** Now Question Hour is over. Now Point of Order. এতিয়া আবুল কালাম ৰছিদ আলম ডাঙৰীয়াই ক'ব। এইটো সম্পূৰ্ণ ৰূপে Point of Order নহয়। তথাপিও মই আপোনাক অনুমতি দিছো।

**শ্ৰী আবুল কালাম ৰছিদ আলম (পূব গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চেলো পাম্পৰ ক্ষেত্ৰত এক বৃহৎ কেলেংকাৰী হৈছে। যিটোৰ বিষয়ে হয়তো মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ে নাজানে আৰু সেইকাৰণে মই এই বিষয়ে তেখেতক অৱগত কৰিব বিচাৰিছো। যিটো Solar, Electronic or Disel ৰে কৰিব তাত বজাৰৰ দৰতকৈ প্ৰত্যেকটো ছেটতে বহু টকা বেছি ধৰা হৈছে। যেনেকৈ এই সদনত ট্ৰেক্টৰৰ দামৰ ১৪০০ কোটি টকাৰ কেলেংকাৰী ওলাইছিল আৰু মাননীয় মন্ত্ৰী মহোদয়ে এই সদনতে ষ্টেটমেণ্ট দিবলৈ বাধ্য হৈছিল, ঠিক তেনেকৈ এইটো এটা বৃহৎ কেলেংকাৰী হয়।

**মাননীয় অধ্যক্ষ ঃ** মই আপোনাক এটা অনুৰোধ কৰিছো যে এই বিষয়টোৰ ওপৰত আপুনি অতি সোনকালে মন্ত্ৰী মহোদয়ক এখন লিখিত দিয়ক। এতিয়া ৰ'জলীনা তিৰ্কী ডাঙৰীয়ানীয়ে কওঁক।

**শ্ৰীমতী ৰ'জলীনা তিৰ্কী (সৰুপথাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই Starred Question 72 ত এটা অতি গুৰুত্বপূৰ্ণ প্ৰশ্ন আনিছিলো। ধপাত জাতীয় দ্ৰব্য সেৱনৰ ফলত হোৱা কেঞ্চাৰ ৰোগ আৰু এই দ্ৰব্য বন্ধ কৰাৰ সম্পৰ্কত। ইয়াত এই বিষয়ে উত্তৰ দিছে। আমি সকলো বিধায়কে জানো যে ধপাত সেৱনৰ ফলত বহু লোকৰ কেঞ্চাৰ ৰোগ বাঢ়িছে । মই লগতে সুধিছিলো যে ৰাজ্যখনত এনে ধপাত জাতীয় দ্ৰব্য প্ৰস্তুত কৰণৰ উদ্যোগ আছে নেকি? আৰু উত্তৰত নাই বুলি কৈছে। কিন্তু মই প্ৰকৃততে নাজানো আছে নে নাই? কিন্তু ইয়াৰ যোগেদি বহুতো লোকৰ মৃত্যু হৈছে। ইয়াত আৰু এটা উত্তৰ দিছে যে বৰ্তমান আইনখনত বাতিল কৰা হৈছে। স্বাস্থ্য বিভাগৰ Food Safety and Standard 2001 Regulation ত আমাৰ গুটখা বা ধপাত জাতীয় সামগ্ৰীসমূহ এক বছৰৰ বাবে অসমত নিষিদ্ধ কৰা হৈছে। কিন্তু কেঞ্চাৰ ৰোগ ইমান বৃদ্ধি হৈছে, তেনে ক্ষেত্ৰত এই সামগ্ৰীসমূহ কিয় কেৱল এক বছৰৰ বাবে অসমত নিষিদ্ধ কৰা হৈছে? এই সামগ্ৰীসমূহ অসমত একেবাৰে নিষিদ্ধ কৰাৰ বাবে মোৰ পৰামৰ্শ থাকিল।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ড০ প্ৰিয়ঙ্কা ৰেড্ডিৰ লগত যিটো নাৰকীয় ঘটনা হ'ল, সেইটো লৈ আমি সকলোৱে মৰ্ম্মাহত আৰু ধিক্কাৰ জনাইছো। লগতে এটা আলোচনা হ'ব লাগে যে আমাৰ মহিলা সকলৰ ক্ষেত্ৰত সুৰক্ষাক লৈ কি ধৰণে পদক্ষেপ গ্ৰহণ কৰিব?

**माननीय अध्यक्ष ঃ** Point of Order শেষ হোৱাৰ পিছত মই ইয়াৰ ওপৰত নিজে কম। এতিয়া শ্বেৰমান আলি আহমেদ ডাঙৰীয়াই কওঁক।

**শ্ৰী শ্বেৰমান আলি আহমেদ(বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ Unstarred Question 184 ত এটা প্ৰশ্ন আছিল । ইয়াত কোৱা হৈছে যে বাঘবৰত এতিয়াও ২০ খন গাওঁত বৈদ্যুতিকৰণ হোৱা নাই আৰু কাৰণ হিচাপে কোৱা হৈছে যে সৌভাগ্য স্কীমত NC Village ত দিয়াৰ ব্যৱস্থা নাই। চৰকাৰে দিয়া উত্তৰত দেখুওৱা গৈছে যে ইয়াৰে চাৰিখন গাওঁ বান্দৰমুৰা, ওজৰেশ্বৰ, কদমতলা, সুখৰ দুৱাৰ এইকেইখন NC Village ত নহয়। তৎস্বত্বেও এইকেইখন সৌভাগ্য স্কীমত কিয় অন্তৰ্ভুক্ত কৰা হোৱা নাই। দ্বিতীয়তে, Saubhagya Sheme is not only scheme implemented by Electricity Department. আমি সকলোৱে জানো যে আমাৰ মাননীয় প্ৰধান মন্ত্ৰীয়ে আজিৰ পৰা চাৰি বছৰ আগতে উত্তৰ পূৰ্বাঞ্চলৰ এখন ৰাজ্যত ঘোষণা কৰিছিল যে আমাৰ সকলোবোৰ গাওঁ Electrified হৈ গ'ল। এই সৌভাগ্যৰ উপৰিও দীনদয়াল উপাধ্যায় গ্ৰামীন বৈদ্যুতিকৰণ আঁচনিৰ যোগেদি চৰকাৰে টাৰ্গেট লৈছিল যে অসমৰ প্ৰত্যেকটো পৰিয়ালে বিদ্যুৎ পাব আৰু প্ৰত্যেকখন গাওঁ বৈদ্যুতিকৰণ হ'ব। মোৰ প্ৰশ্নটো হ'ল যে এই ২০ খন গাওঁ সামৰি লোৱা নহ'ল। এই সদনত এই সৌভাগ্য স্কীমত নপৰা বুলি কোৱা এই চাৰিখন গাওঁত বৈদ্যুতিকৰণ হ'ব লাগে।

**माननीय अध्यक्ष ঃ** আপুনি এই গাওঁকেইখনৰ নাম লিখিত আকাৰে দিব।

**শ্ৰী শ্বেৰমান আলি আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি কংগ্ৰেছ বিধায়নী দলৰ পৰা এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিবৰ বাবে ৰুল ৫০ ত আপোনাৰ যোগেদি Short Notice ত দিছিলো। কিন্তু আজি দেখিছো যে আজিৰ এজেণ্ডাত এইটো নাই।

**माननीय अध्यक्ष ঃ** সময়ৰ অভাবৰ বাবে দিব পৰা হোৱা নাই। আপুনি মোৰ তালৈ আহিব । আমি এই বিষয়ে আলোচনা কৰিম। এতিয়া ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ তৰা চিহ্নিত প্ৰশ্ন আছিল ৭০। মোৰ দুটা ৰাস্তা-গুৱাহাটীৰ পৰা জালুক পাহাৰ, অসম মেঘালয় সীমান্ত আৰু সেইফালে নতুন ৰাণীৰ পৰা জালুক পাহাৰ। এটা ৰাস্তাৰ দৈৰ্ঘ্য হৈছে, ২৪.২০ কিলোমিটাৰ আৰু এটা হৈছে-২১ কিলোমিটাৰ। এই দুটা ৰাস্তাৰ বাবে PMGSY ৰ পৰা টকা আহিল আৰু পাঁচ-ছয় কিলোমিটাৰ ৰাস্তাৰ কাম ইতিমধ্যে কৰা আৰম্ভ হ'ল। এই ৰাস্তা দুটা কিন্তু ৰিজাৰ্ভ ফৰেষ্টত পৰে। PMGSY ৰ গাইড লাইন মতে ৰিজাৰ্ভ ফৰেষ্টত ৰাস্তা কৰাৰ বাবে Environment Ministry ৰ পৰা যিটো Clearance লাগে সেইটো দিয়া আছে। পাঁচ-ছয় কিলোমিটাৰ ৰাস্তাৰ কাম কৰাৰ পিছত তেতিয়াৰ Principal CCF আৰু DFO ক অনুমতি দিলে। কিন্তু তেওঁলোক যেতিয়া সলনি হ'ল আৰু আমাৰ Additional Chief Secretary গ'ল সেই ৰাস্তা দুটা ফৰেষ্টৰ ৰিজাৰ্ভত থকা বুলি বন্ধ কৰি দিলে। এতিয়া ফৰেষ্ট ডিপাৰ্টমেণ্টত গোটেইখিনি Clearance থকাৰ পিছতো কিয় Additional Chief Secretary য়ে ৰাস্তাৰ কাম বন্ধ কৰাৰ বাবে Notice দিলে। এই কথাখিনি চাবৰ বাবে মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিলো।

**ডাঃ নোমল মোমিন (বোকাজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ Starred Question No-1. Signature Project ৰ ওপৰত আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আমাৰ মাননীয় মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া আৰু মাননীয় বিত্ত মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা দেৱক ধন্যবাদ জনাইছো যে অসমৰ প্ৰত্যেকটো সমষ্টিত উন্নতি কৰিবৰ বাবে সুযোগ দিছে। কিন্তু যিটো

Signature Project ত দহ কোটি কৈ প্ৰত্যেকটো সমষ্টিত দিয়া হৈছিল, তাত আমাৰ বোকাজান সমষ্টিৰ বাবে Construction of Modern Auditorium Hall এটাৰ বাবে দিছিলো। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, আজি চাৰি-পাঁচ মাহ পাৰ হৈ গ'ল, Tender Call কৰা হ'ল আৰু Work Permission দিয়া হ'ল কিন্তু ঠিকাদাৰ জনে Security Money Deposit নকৰি Work Order টো বেচিবলৈ ঘূৰি ফুৰিছে। এনেকুৰা হ'লে আমাৰ কাম সমূহ ৰৈ যাব। এই ক্ষেত্ৰত পুনৰ টেণ্ডাৰ কৰি কামটো কৰিবলৈ যাতে আগবাঢ়ে তাৰ বাবে আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ** -- ঠিক আছে। Thank you.

**শ্ৰী যোগেন মোহন (মাহমৰা)** ঃ- অধ্যক্ষ মহোদয়, মোৰ এটা unstarred question আছিল, ১৭১ নং। PWD ৰ PMGSY ৰ অৰ্থ সংক্ৰান্তীয়। আমি জানো শিৱসাগৰ জিলা খন তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ খনন আৰু উৎপাদনৰ কেন্দ্ৰস্থল। গোটেই জিলাখনত তেওঁলোকৰ operational area, ইয়াত মূল ৰাস্তা সমূহ তেওঁলোকে নিজাববীয়াকৈ নিৰ্মাণ কৰাৰ ব্যৱস্থা আছিল। কিন্তু এতিয়া তেওঁলোকে কৈছে যে অসম চৰকাৰৰ লগত Video conferencing ৰ যোগেদি তেওঁলোকৰ chief secretary লগত কথা হৈছিল যে সকলো ৰাস্তা গড়কাপ্তানি বিভাগে বনাব। তেওঁলোকে একো ৰাস্তা নবনাওঁ বুলি আমালৈ লিখিত এটা উত্তৰো দিছে। মই এখন চিঠিও দিছিলো ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া আপোনাৰ প্ৰশ্নটো কৰক ।

**শ্ৰী যোগেন মোহন (মাহমৰা)** ঃ- অধ্যক্ষ মহোদয়, এতিয়া কথাটো হৈছে, ৭০, ৮০ টনৰ ওপৰৰ গধুৰ যান-বাহন আমি PMGSY ৰ হওঁক বা SOPD ৰ ৰাস্তাই হওঁক এমাহতে ভাঙি দিয়ে। আমাৰ যিটো লিমিটেড পইচা তাৰে এতিয়া ইমান ডাঙৰ বোজা ল'ব নোৱাৰো। সেয়েহে গড়কাপ্তানি বিভাগে ONGC ৰ কৰ্তৃপক্ষৰ লগত কথা পাতিব লাগে যাতে তেওঁলোকৰ ৰাস্তা আগৰ নিচিনাকৈ বনাব লাগিব। তেওঁলোকে কয় যে আমি ৰয়েল্টি দিছো ।

**মাননীয় অধ্যক্ষ** ঃ আপুনি অতি সোনকালে এই বিষয়টো লৈ এখন চিঠি দি দিয়ক। এটা কপি মন্ত্ৰীলৈ দিব আৰু এটা কপি মোকো দিব।

**শ্ৰী যোগেন মোহন (মাহমৰা)** ঃ- অধ্যক্ষ মহোদয়, হ'ব। কিন্তু এই বিষয়টো গভীৰভাৱে ল'ব লাগে, আৰু ৰাস্তাবিলাক নিৰ্মাণৰ ক্ষেত্ৰত এটা পদক্ষেপ ল'ব লাগে।

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ পইন্টটো মই ল'লো। মই বুজিছো। এতিয়া শ্ৰীগুনিন্দ্ৰ নাথ দাস

**শ্ৰীগুনিন্দ্ৰ নাথ দাস (বৰপেটা)** ঃ অধ্যক্ষ মহোদয়, মোৰ নগৰ উন্নয়ন বিভাগৰ এটা প্ৰশ্ন আছিল। তঁৰাবিহীন ১৯৩ নং। আমাৰ হাউলী নগৰ সমিতিৰ চাৰিটাৰ পৰা আঠটালৈ ৱাৰ্ড বঢ়োৱাৰ কথা কৈছিল। মন্ত্ৰী মহোদয়ে উত্তৰ দিছে যে উপায়ুক্তৰ পৰা তথ্য বিচৰা হৈছে, আৰু তথ্য পালে কৰিম বুলি কোৱা হৈছে। সেয়েহে মই আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো, যে উপায়ুক্ত মহোদয়ে আজি ১৫ দিন মান আগতে তথ্য দিছে, গতিকে ব্যৱস্থাটো লব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে কওঁক।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়,মোৰ এটা unstarred question আছিল, ১৬৪ নং। মই ইতিমধ্যে যিটো ৰাস্তাৰ কথা সুধিছিলো, তাত যি মাটি অধিগ্ৰহণ কৰা হ'ল, আৰু অধিগ্ৰহণ চলি থকা অৱস্থাত নতুন নিয়ম বলবৎ হোৱাত আকৌ দ্বিতীয়বাৰ তাতে অধিগ্ৰহণ আৰম্ভ হ'ল। যি পইচা বা ক্ষতিপূৰণ- পাবলৈ আছিল কিছুমানে পালে কিছুমানে নাপালে। মন্ত্ৰী

মহোদয়ে প্ৰশ্নৰ উত্তৰত দিছে যে জিলা পৰ্য্যায়লৈকে পইচা পঠোৱা হৈছে। এটা ঠাইত ৬ কোটি দিয়া হৈছে, এটা ঠাইত ৮ কোটি দিয়া হৈছে। এনেকুৱা বহু কোটি টকা জিলালৈকে মোকলাই দিছে আৰু পাইছেওঁ।কিন্তু বৰ্তাৰী গাওঁ, চনপুৰা, চহপুৰ এনেকুৱা কিছুমান গাওঁৰ বহুসংখ্যক মানুহে এতিয়ালৈকে পইচা পোৱা নাই, কিন্তু তেখেত সকলৰ অধিগ্ৰহন হৈ গৈছে। সেয়েহে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো, যাতে অতি সোনকালে যি সকলে পইচা পোৱা নাই তেওঁলোকে পইচা পাব লাগে।

**মাননীয় অধ্যক্ষ ঃ**-ঠিক আছে, মই এটা কথা কৈ থওঁ point of order নিয়ম মতে interpretation rule তথাপি আমাৰ যিবিলাক প্ৰশ্ন উত্তৰ আছে তাত যদি আমাৰ বিধায়ক সকল অলপ অসন্তুষ্ট হয়, সেইখিনি কলে, মন্ত্ৰীজনে বিভাগীয় বিষয়াৰ লগত কথা পাতি সেইখিনি ঠিক কৰিব পাৰে। আপোনালোকে পৰিপূৰক কৰি এইটো কৰক, সেইটো কৰক বুলি ক'ব নোৱাৰে। তেনে ক্ষেত্ৰত আপোনালোকে চিঠি দিব। মন্ত্ৰীয়ে কৈছে যে আপোনালোকৰ লগত তেখেতো যায়। গতিকে কথাবিলাক আপোনালোকে চাব। এতিয়া দেৱব্ৰত শইকীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মোৰ লিখিত প্ৰশ্ন আছিল১৫৮ নং। ইয়াৰ উত্তৰ নাপালো এটা বিত্ত বিভাগৰ আছিল আৰু বাকীখিনি বিভিন্ন বিভাগৰ. বিত্তৰটো দিব পৰা গ'ল হয় বোধহয়।

**মাননীয় অধ্যক্ষ ঃ**- ১৫৮ নংৰ উত্তৰ দিছে। মোলৈ আজি এখন চিঠিআহিছে। আপুনি চিঠি এখন পাইছে নেকি ?

**শ্ৰী দেৱব্ৰত শইকীয়া বিৰোধী দলৰ দলপতি ঃ** নাই, পোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ**- এই চিঠিখন মোক আজি দিলে, তাত তেওঁলোকে কলে যে you are requested to kindly allow this to be treated an assurance তাৰ মানে গোটেইখিনি দিব। কিন্তু গোটেইখিনি collect হোৱা নাই। তেওঁলোকে assurance দিছে, গতিকে আপুনি এইখিনি নিশ্চিতভাবে পোৱাটো ব্যৱস্থা কৰা হ'ব।তেওঁলোকৰ assurance টো ফৰমেলি পালো সেয়েহে মই আপোনাক ক'লো। এতিয়া শ্ৰী ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, সদস্য ঃ**- মাননীয় অধ্যক্ষ মহোদয়,মোৰ এটা প্ৰশ্ন আছিল unstarred ৰ ১৮০ নং। প্ৰশ্নটো আছিল মডেল হস্পিতাল ন কছাৰিত কেইজন ডাক্তৰ আছে আৰু ডাক্তৰ সকলৰ নাম সমূহ কি কি ? ইয়াত অসত্য তথ্য দাঙি ধৰিছে. ইয়াত নামবোৰ দিছে যেনে নৰেন পাটোৱাৰী মালিকা ৰাজখোৱা, সঞ্জীৱ শইকীয়া,বৰষা গগৈ বৰ্তমানে কৰ্ত্তব্যৰত কিন্তু ইয়াত দিছে যি সকল ডাক্তৰ নাই transfer হৈ গ'ল যোৰহাট মেডিকেল কলেজলৈ, তেওঁলোকৰ নামো ইয়াত উল্লেখ কৰিছে।

**মাননীয় অধ্যক্ষ ঃ**- হ'ব মোক ৰেকৰ্ডটো দি দিব মই চেক কৰাই ল'ম।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ**- মাননীয় অধ্যক্ষ মহোদয় ইয়াৰ লগত আৰু এটা বিষয় কব বিচাৰিছো মেডিকেল সম্পৰ্কীয় ২০০৪-০৫ বিত্তীয় বৰ্ষত।

**মাননীয় অধ্যক্ষ ঃ**-প্ৰশ্ন নে কি ?

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ**- মাননীয় অধ্যক্ষ মহোদয় ইয়াৰ লগতে ছাৰ,

**মাননীয় অধ্যক্ষ ঃ**-ইয়াৰ লগতে আপুনি লিখি দিব কিবা লিখি দিব যদি কিবা আছে। বেলেগ একো আলোচনা কৰিব দিয়া নাই।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ**- আলোচনা নাই কৰা, দৃষ্টিগোচৰহে কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ**-দৃষ্টিগোচৰ এতিয়া কৰিব নালাগে। প্ৰশ্ন সম্পৰ্কীয় কামখিনি কৰিলেই হ'ল।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী)** ঃ-ডাক্তৰৰ নাটনিৰ ওপৰত এটা প্ৰশ্ন আছিল।

**মাননীয় অধ্যক্ষ ঃ** আজি অহা প্ৰশ্ন নে কি ?

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী)** ঃ- আজি অহা unstarred তে আছিল। ১৮০ নং ত ( b) আছিল যে if yes, will the Government take steps to fill up the post? সেইটোত মই সুধিব বিচাৰিছো, ২০০৪-০৫ বৰ্ষত ডাক্তৰৰ নাটনি হোৱাত পূৰ্বৰ স্বাস্থ্য মন্ত্ৰী আৰু বৰ্তমানৰ স্বাস্থ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়া আৰু পূৰ্বৰ মুখ্যমন্ত্ৰীৰ লগত মেডিকেল institution মই আপোনাৰ যোগেদি আপোনাৰ সমষ্টিতে অৱস্থিত মেডিকেল institute নামৰ চিকিৎসালয় খনৰ সৰ্ন্দভত একে পৰ্য্যয়িত থকা ওৱেষ্ট বেংগলত ইতিমধ্যে মেডিকেল institution নিচিনা চিকিৎসক সকলক নিয়মীয়াকৰণ কৰিলে, এটা ফাইল মই আপোনাৰ যোগেদি মাননীয় Minister of State, Health তেখেতে যদি গ্ৰহণ কৰিব বিচাৰে মই দিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। দি দিয়ক মই লৈ লম। Next

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন নং আছিল Starred Question no-66 তাতে প্ৰধান মন্ত্ৰী ফচল বীমা যোজনাৰ শালি ধান, মৰাপাটৰ যিটো বীমা যোজনা কৰা হয়, সেইটোৰ বিষয়ে মই প্ৰশ্ন কৰিছিলো। বিভাগে উত্তৰ দিছে, মাত্ৰ বৰপেটা জিলাত শালি ধানৰ ক্ষেত্ৰত ৬৫৮ জনে এই বীমাটো on line কৰিছে আৰু মৰাপাটৰ ক্ষেত্ৰত কোনোৰে on line কৰা নাই। অসমৰ ভিতৰত বৰপেটা জিলাখন কৃষি কাৰ্য্যৰ লগত জড়িত বেছি কৃষক বেছি আছে। এনে এটা ক্ষেত্ৰত অতি সামান্য ৬৫৮ জন শালি ধানৰ, মৰাপাটৰ ক্ষেত্ৰত এজনো নাই এই কথাটোৱে প্ৰমান কৰে যে, আমি যেতিয়া ৰাইজৰ লগত, কৃষক সকলৰ লগত যোগাযোগ কৰিছিলো, কৃষি বিষয়া সকলে যি এৰাৰনেছ কৰিব লাগে এই ক্ষেত্ৰত বৰপেটা জিলাৰ কৃষি বিভাগে কোনো কাৰ্য্যপন্থা লোৱা নাই।

**মাননীয় অধ্যক্ষ** ঃ মৰাপাটৰ কোনোৱে লোৱা নাই ?

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)** ঃ মৰাপাটৰ কোনোৱে লোৱা নাই ?

**মাননীয় অধ্যক্ষ** ঃ আপুনি এই কথাটো নিৰ্দিষ্ট কৰি এখন চিঠি লিখক। তেখেত সকলক আমি জনাই দিম।

**শ্ৰী থানেশ্বৰ বসুমতাৰী (চাপাগুৰি)** ঃ ছাৰ মোৰ প্ৰশ্ন আছিল স্বাস্থ্য বিষয়ত। unstarred 165 নং। প্ৰশ্নটো আছিল ৪ নংত বিশেষ ভাৱে বাক্সা জিলাত আমাৰ ঢলাইগাওঁ ব্লক পি এইচ চ'ৰ অন্তৰ্গত। কোন কোন অঞ্চলত ডেংগু অথবা জাপানিজ এনকেফেলাইটিছে দেখা দিছে। আচলতে চৰকাৰে ইয়াত অসত্য উত্তৰ দিছে। য'ত ডেংগু ৰোগে দেখা দিছে সেইখন মোৰ গাওঁ আছিল। ঢলাইগাওঁ ব্লক পি এইচ চ'ৰ অন্তৰ্গত দাদ্ধৰাত। এইটোৰ কিয় অসত্য উত্তৰ দিছে মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ গাওঁত সোমোৱা নাই ?

**শ্ৰী থানেশ্বৰ বসুমতাৰী (চাপাগুৰি)** ঃ ছাৰ মোৰ গাৱতে হৈছিল।

**মাননীয় অধ্যক্ষ** ঃ তাৰে নামটো সোমোৱা নাই।

**শ্ৰী থানেশ্বৰ বসুমতাৰী (চাপাগুৰি)** ঃ ছাৰ লেনে দৈমাৰী নামৰ এগৰাকী মহিলাৰ ডেংগুৰোগে দেখা দিছিল আৰু চৰকাৰৰ ফালৰ পৰা যুটিয়া সঞ্চালকক খবৰ দিয়াৰ পাছত ধোঁৱা দিয়াটো ব্যৱস্থা কৰিছিল।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। মন্ত্ৰীয়ে এইটো চাব, আৰু চাই শুদ্ধ উত্তৰটো দিব। এতিয়া শ্ৰী দীপক

কুমাৰ ৰাভা।

**শ্ৰী দীপক কুমাৰ ৰাভা (দুধনৈ)** ঃ Question no unstrred 168 নং স্বাস্থ্য বিভাগৰ ।মোৰ দুধনৈ সমষ্টিত মই স্বাস্থ্য সম্পৰ্কত, আন্তঃগাঠনি সম্পৰ্কত প্ৰশ্ন দিছিলো। উত্তৰ পাইছো তথাপিও মই এটা কথা ক'ব বিচাৰিছো যি কেইটা মোৰ গ্ৰাম্য অঞ্চলত মিনি পি এইচ চি আছে বা state dispensary. বিলাক আছে, তাত আচলতে ডাক্তৰৰ কোৱাটাৰ য'ত দুটা থাকিব লাগে তাত এটা আছে। য'ত নাৰ্চৰ কোৱাটাৰ দুটা থাকিব লাগে তাত এটা আছে, আৰু surrounding boundary wall নাই। যিহেতু surrounding boundary wall নাই ডাক্তৰৰ কোৱাটাৰ নাই, নাৰ্চৰ কোৱাটাৰত তেওঁলোকে সুৰক্ষা অনুভৱ নকৰে।

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ পৰামৰ্শটো কি?

**শ্ৰী দীপক কুমাৰ ৰাভা (দুধনৈ)** ঃ মই মাননীয় মন্ত্ৰী মহোদয়ক জনাব বিচাৰিম, যে Mini PHE ৰ surrounding boundary wall খন হ'ব লাগে তেতিয়া চিকিৎসকসকলে সুৰক্ষিত অনুভৱ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** আপুনি প্ৰশ্ন উত্তৰ পালে, আপুনি এখন চিঠি মাননীয় মন্ত্ৰীলৈ দিব আৰু এটা কপি আমাৰ অফিচলৈ দিব।

**শ্ৰীদীপক কুমাৰ ৰাভা (দুধনৈ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো এনেধৰণৰ, যিহেতু **২৪** ঘণ্টা ডিউটি পাব লাগে, কিন্তু তাত ডিউটি নাপায়। যদি চিকিৎসক নাথাকে, তেতিয়াহ'লে চিকিৎসা কেনেকৈ পাব। সেইকাৰণে boundary wall আৰু চিকিৎসকৰ ব্যৱস্থাৰ কথাটো কৈছো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীমতী অজন্তা নেওঁগ, আপুনি কিবা এটা কব খুজিছিলে।

**শ্ৰীমতী অজন্তা নেওঁগ (গোলাঘাট)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এটা প্ৰস্তাৱ আনিছিলো, মূল্যবদ্ধিৰ ওপৰত।

**মাননীয় অধ্যক্ষ ঃ** কেতিয়া দিছিল?

**শ্ৰীমতী অজন্তা নেওঁগ (গোলাঘাট)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Rule 50 ত দিছিলো।

**মাননীয় অধ্যক্ষ ঃ** Rule 50 ত দিছে, মোৰ অলপ অসুবিধা আছে। আপুনি যিহেতু দিছে, মই কথা পাতিম। আপোনালোকে, আমাক Rule নুসুধাকৈ কৰি থাকিব নেকি? মই কৈছো আলোচনা কৰিম। আলোচনা কৰিবলৈ আমাৰ এটা দিন আছে।

**শ্ৰীমতী অজন্তা নেওঁগ (গোলাঘাট)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি আমাক সময় এটা দিব।

**মাননীয় অধ্যক্ষ ঃ** সেইটো বেলেগ কথা। You cannot demand like that. You can request me. I will have to go through it. আপোনালোকক কৈছো যে, আ পোনালোক আহিব, মই সেই কাৰণে মাতিছো।

**শ্ৰীমতী অজন্তা নেওঁগ (গোলাঘাট)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাক অনুৰোধহে কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এখন নটিচ পোৱাৰ পাছত Speaker এজনে কি ধৰণে কৰিব পাৰে , সেইখিনি মোৰ হাতত সময় লাগিব। সেই কাৰণে আপোনালোক আহিব, আমি আলোচনা কৰিম। মোৰ আলোচনা কৰাত আপত্তি নাই। আমি অলপ ঠিক কৰি ল'ব লাগিব কেনেকৈ কৰিব পাৰো।

**শ্ৰী ৰাজেদ আলি চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ তৰাবিহীন প্ৰশ্ন নং ১৯০। প্ৰশ্নটো আছিল যে, বৰ্তমান অসমৰ কোন কোন জিলাত কোন কোন ঠাইত ৰিভাৰ এম্বুলেঞ্চ ১০৮ ৰ জৰিয়তে নৈপৰীয়া ৰাইজক সেৱা আগবঢ়াই থকা হৈছে? এইটো দিছে বিভিন্ন জিলাৰ

লগতে দক্ষিণ শালমাৰাটো দি থকা বুলি কৈছে। কিন্তু মই শেষৰ প্ৰশ্নটো কৰিছিলো দক্ষিণ শালমাৰা বিধান সভা সমষ্টিৰ বাবে আবণ্টিত ৰিভাৰ এম্বুলেঞ্চ ১০৮ পুনৰাই কেতিয়াৰ পৰা পূৰ্ব নিৰ্ধাৰিত স্থানৰ সেৱা পোৱা যাব ? কিন্তু দেখা গ'ল ইয়াত 'গ' নংৰ কোনো উত্তৰ, 'খ' ত দিয়া হ'ল বুলি ক'লে। 'খ' ত আছে দক্ষিণ শালমাৰাৰ বিধান সভা সমষ্টিত পূৰ্বৰে পৰা চলি থকা ৰিভাৰ এম্বুলেঞ্চ ১০৮ খন বৰ্তমান কাৰ্য্যক্ষম হৈ আছে আৰু এম্বুলেঞ্চখনে শিশুমাৰী ঘাট আৰু মানকাচাৰ ঘাটৰ মাজত নৈশ্য সেৱা আগবঢ়ায় থকা হৈছে। মই বুজি নাপালো সেইটো দক্ষিণ শালমাৰাৰ কাৰণে দিয়া হৈছিল আৰু সেইখন এতিয়া মানকাচাৰ সমষ্টিৰ শিশুমাৰী আৰু মানকাচাৰত সেৱা আগবঢ়াই আছে। মই সেইটো সুধিছিলো যে, এইটো কেতিয়া দক্ষিণ শালমাৰালৈ পূৰ্বৰ স্থানত নিয়া হ'ব আৰু চাৰ্ভিচ দিয়া হ'ব। কিন্তু দিছে, 'খ' নং ৰ ৰিপ্লাইত দিয়া হৈছে। ৰিপ্লাইটোৱে দিয়া নাই।

**মাননীয় অধ্যক্ষ ঃ** মই ন'ট কৰি লৈছো। এতিয়া আমি পৰৱৰ্তী প্ৰশ্নলৈ যাও। Member's Hour. মই প্ৰথমে, শ্ৰী নুৰুল হুদা, আপোনাৰ বক্তব্য ৰাখিবলৈ কৈছো।

**মাননীয় অধ্যক্ষ ঃ** গড়কাপ্তানী মন্ত্ৰী, জনস্বাস্থ্য আৰু কাৰিকৰী আৰু মীন বিভাগৰ মন্ত্ৰী আপোনালোকক উদেশ্য কৰি কৈছে।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাৰ কাৰ্য্যপৰিচালনা অধিনিয়মৰ বিধি অনুযায়ী পবিত্ৰ সদনত গড়কাপ্তানী, জনস্বাস্থ্য কাৰিকৰী আৰু মীন বিভাগৰ বিষয়ে চৰকাৰক মনোযোগ আকৰ্ষণ কৰাৰ আৰু প্ৰতিকাৰমূলক ব্যৱস্থাৰ কাৰণে যি সুযোগ মাননীয় অধ্যক্ষ ডাঙৰীয়াই দিলে, তাৰ কাৰণে আপোনাক মই ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। মই তিনিটা বিষয়ৰ ওপৰত মোৰ কথাখিনি শেষ কৰিম। প্ৰথমতে গড়কাপ্তানী বিভাগৰ যাতায়ত ব্যৱস্থা, মানৰ জীৱনৰ ভেটি নিৰ্মাণত নিৰ্ণায়িক ভূমিকা গ্ৰহণ কৰে। এখন অঞ্চলৰ উন্নয়ন কেতিয়া হ'ব, যেতিয়া ৰাষ্টাৰ উন্নয়ন হ'ব। কৃষকসকলে কপালৰ ঘাম মাটিত পেলাই অতি কষ্টেৰে উপাৰ্জন কৰা শস্য দূৰৰ বজাৰত নি বিক্ৰী কৰিব লাগে, ঠেলাগাড়ী, ঘোৰাগাড়ী, চাৰিচুকীয়া গাড়ীৰে বজাৰত নিব লগা হয়, ৰাষ্টা বেয়া, পুখুৰী সদৃশ গাঁত থকা বাবে অতিৰিক্ত ভাড়া ভৰিব লগা হোৱা হেতুকে খেতিয়ক সকলে লোকচানত পৰি দৰিদ্ৰতাৰ কৰাল গ্ৰাসত জীৱন নিৰ্বাহ কৰিব লগা হয়। মাননীয় অধ্যক্ষ মহোদয়, মধ্য অসমৰ নগৰ জিলাৰ সম্পূৰ্ণৰূপে গ্ৰাম্য এলেকা সামৰি ৰূপহীহাট বিধান সভা সমষ্টি আৰু এই সমষ্টিটোৰ যাতায়ত, যোগাযোগ খোৱাপানী সমস্যাকে ধৰি এশ এবুৰি সমস্যা বানাক্ৰান্ত জিলাখনত অধিকাংশ এলেকাই বছৰি বানপানী গড়াখহনীয়া সমস্যাৰে ভাৰাক্ৰান্ত। ইয়াৰ কু-প্ৰভাৱ সমষ্টিটোৰ সামগ্ৰীক উন্নয়নৰ ক্ষেত্ৰত পৰিছে, তাতকৈ বেছি কু-প্ৰভাৱ পৰিছে প্ৰয়োজনীয় প্ৰশাসনিক আৰু ৰাজনৈতিক সদস্যাৰ অভাৱত।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ ৰূপহী বিধান সভা সমষ্টিৰ দুটা উন্নয়নখণ্ড এলেকাৰে গঠিত আৰু ইয়াৰে এটা হৈছে ৰূপহী আৰু আনটো হৈছে জুৰীয়া উন্নয়ন খণ্ড। ৰূপহী উন্নয়নখণ্ডৰ অধীনত সৰ্বমূঠ ৯৫ টা পথ গড়কাপ্তানী বিভাগৰ পথ আছে, আৰু জুৰীয়া উন্নয়ন খণ্ডত গড়কাপ্তানী বিভাগৰ ৬২ টা পথ আছে। সৰ্বমূঠ ১৫৭ টা গড়কাপ্তানী বিভাগৰ, মোৰ ৰূপহীহাট বিধান সভা সমষ্টিত আছে। যাৰ বেছিভাগেই বিভিন্ন গাওঁ এলেকা সামৰি গঠিত গ্ৰাম্য পথ। এনে গ্ৰাম্য পথ, যিসমূহ আজিৰ দিনতো বোকা মাটিৰে পৰিপূৰ্ণ হৈ আছে উন্নয়ন খণ্ডটোৰ ২৮ খন গাওঁ পি.এম.জি. এছ. ৱাই ৰ অন্তৰ্গত তালিকাত স্থান পালেওঁ, ইয়াৰে অধিকাংশৰে অৱস্থা আজিৰ দিনটো কৰ্দয্যময় বাকী আটাইকেইটা পথেই একবিংশ শতিকাৰ প্ৰায় মধ্যৱৰ্তী সময়ছোৱাতো পকীকৰণ আঁচনিৰ অধীনতো স্থান পোৱা নাই অৰ্থাৎ এই পথসমূহ সম্পূৰ্ণ কেচাঁ অথচ বিগত শতিকাৰ অন্তিম লগ্নতে

প্ৰধান মন্ত্ৰী গ্ৰাম্যচড়ক যোজনাৰ অধিনত সকলো গ্ৰাম্য পথ পকীকৰণ আঁচনিৰ অধীনত আনিবলৈ এক অভিলাসী আঁচনি গ্ৰহণ কৰা হৈছিল। এই আঁচনিৰ অধীনত ইতিমধ্যে এহাজাৰতকৈও অধিক জনবসতি থকা গাওঁসমূহ পকী পথেৰে নগৰৰ সৈতে সংযোজিত কৰাৰ প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ হোৱা বুলি কাগজে কলমে দাবী কৰা হৈছে। সমষ্টি বিশেষে ৫০০ বা ততোধিক জনবসতি থকা গাওঁসমূহক পকীপথেৰে সংযোজিত কৰাৰ প্ৰক্ৰিয়া তৰিৎ গতিত সম্পূৰ্ণ কৰি ২৫০ বা ততোধিক জনবসতি থকা গাওঁসমূহ এই আঁচনিযোগে সাঙুৰি লোৱাৰ কুচকাৱাচ চলাই থকা হৈছে। অথচ ৰূপহীহাট সমষ্টিৰ অন্তৰ্গত বহুকেইখন গাওঁ দুহাজাৰতকৈ অধিক জনসংখ্যা থকাৰ পিছতো তথা অধিকাংশ গাঁৱেই সহস্ৰাধিক জনসংখ্যাৰে পৰিপূৰ্ণ হৈ থকাৰ পিছতো এই গাওঁসমূহৰ পথ পকীকৰণ নোহোৱাটো অতি দুৰ্ভাগ্যজনক হৈ পৰিছে।

বৰ্তমান বিজেপি নেতৃত্বাধীন চৰকাৰে যি সময়ত 'সব কা সাথ, সব্ৰ কা বিকাশ' ৰ শ্লোগান দিছে সেই সময়ত ৰূপহীহাট সমষ্টিৰ প্ৰতি ৰাজ্য চৰকাৰৰ আচৰণ অলপ বৈষ্যম্যমূলক দেখা যায়। বৰ্তমানলৈকে ৰূপহীহাট সমষ্টিটোৰ ৰূপহী উন্নয়নখণ্ডৰ ছয়টা পথৰ পকীকৰণ পি.এম.জি.এছ. ৱাই আঁচনিৰ অধীনত সম্পূৰ্ণ হোৱা বুলি দাবী কৰা হৈছে যদিও এই পথসমূহ অতি জৰাজীৰ্ণ হৈয়ে আছে। এই পথসমহূহেৰে যাতায়াত কৰাতো সমষ্টিবাসীৰ বাবে দুঃসাধ্য হৈ পৰিছে। জুৰীয়া উন্নয়ন খণ্ডৰ অধীনতো যিকইটা পথ ৰূপহীহাট সমষ্টিত পৰিছে সেই কেইটাৰ অৱস্থাও তথৈবচ। (সমষ্টিটোৰ অন্তৰ্গত বাট-পথ সমূহৰ তালিকা মই মোৰ প্ৰশ্নৰ লগত দিছিলো।)

সমষ্টিটোৰ অন্তৰ্গত এলেকাত বৰ্ত্তমানলৈকে থকা ১৪ খন কাঠৰ দলং আধুনিক যুগত যাতায়ত যোগাযোগৰ ক্ষেত্ৰত সমষ্টিবাসীৰ বাবে মৰণ ফাগুলৈ পৰিণত হৈছে। সেই কাঠৰ দলং সমূহৰ কিছুমানেৰে খোজ কাঢ়ি পাৰ হোৱাটোও অসম্ভৱ। ৰাজ্য চৰকাৰে যি সময়ত ২০১৬ চনৰ ভিতৰত অসমৰ সকলো কাঠৰ দলং পকীকৰণ আঁচনিৰ অধীনত সামৰি লোৱাৰ লক্ষ্য স্থিৰ কৰি লৈছে সেই সময়ত সমষ্টিটোত থকা কাঠৰ দলং সমূহৰ উপস্থিতিয়ে চৰকাৰী ঘোষণাৰ বিপৰীত চিত্ৰ উদঙাই দিছে। অকল সেয়াই নহয়, সমষ্টিটোত কুৰি খনতকৈয়ো বাহৰ দলঙেৰে আজিও সমষ্টিবাসীয়ে বিপদ সংকুল যাত্ৰা কৰিবলগীয়া হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, সমষ্টিটোৰ বাট-পথ, দলং আদিৰ জৰাজীৰ্ণ সমষ্টিটোৰ জনগণৰ প্ৰতি চৰকাৰী বঞ্চনা ৰ ছৱিয়ে প্ৰতিফলিত কৰিছে। মই, মাননীয় অধ্যক্ষৰ জৰিয়তে চৰকাৰক অৱগত কৰিব বিচাৰিছো যে, সমবিকাশৰ আকাঙ্খাৰ প্ৰতি গণতান্ত্ৰিক ব্যৱস্থাৰ সামূহিক ব্যৰ্থতাও ইয়াত প্ৰতিফলিত হৈ আছে।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ এই বিধান সভা সমষ্টিৰ এটা ৰাজ্যিক পথ আছে, সোণাই সাইবেৰিয়া ৰোড। প্ৰায় ২১ কিলোমিটাৰৰ ওপৰত। এই ৰাস্তাটো নগাওঁ, মৰিগাওঁ আৰু তেজপুৰ চহৰৰ সংলগ্ন ৰাষ্টা আৰু এই ৰাষ্টাটো একেবাৰে ঠেক আৰু এনেকুৱা পুখুৰী সদৃশ গাঁতৰ সৃষ্টি হৈছে যাতাযাতৰো অসুবিধা হৈছে। কেতিয়াবা গাড়ী বন্ধ হৈ থাকে, যাতায়াত কৰিব পৰা অৱস্থা নাথাকেগৈ।

মাননীয় অধ্যক্ষ মহোদয়, মই তাৰ ছবিখন আপোনালৈ প্ৰেৰণ কৰিছো। আপুনি মাননীয় চৰকাৰক এই বিষয়ে নিশ্চয় অৱগত কৰাৰ এটা কাৰ্য্যব্যৱস্থা হাতত ল'ব। মোৰ আস্থা এই ৰাস্তাসমূহৰ কেনেকুৱা অৱস্থা, যিবিলাক পি.ডব্লিউ.ডিৰ কেঁচা ৰাষ্টা কিছুমান পূৰ্বতে শিলগুটি দিয়া আছিল আজি সেইবোৰো ডাঙৰ ডাঙৰ পুখুৰী সদৃশ গাঁত সৃষ্টি হৈ যাতায়তৰ বন্ধ প্ৰায় অৱস্থাৰ সৃষ্টি হৈ আছে। দলং যিবিলাক আছে, তাৰে এটা এছ, পি, টি ব্ৰীজ নং ওৱান বাই ওৱান বেলতনীৰ পৰা হাতীপাৰালৈ যোৱা (ইয়াৰ ফটো মই আপোনালৈ প্ৰেৰণ কৰিম) দলং খনৰ পৰা সন্তানসহ কেবাগৰাকী মহিলাৰ

লগতে অন্যান্য বহু ব্যক্তিপানীত পৰি আহত হৈছে। আমাৰ তাৰ আৰু এখন দলং এছ, পি, টি ব্ৰীজ নং টু বাই ওৱান, গেৰুৱাটীৰ পৰা তেলিয়াচাপৰি ৰোডলৈ যোৱা যিটো ৰাস্তা সেইটোৰো অৱস্থা বেয়া, বৰ্তমান যাতায়ত বন্ধ হৈ আছে। এছ, পি, ডি, ব্ৰিজ নং ফ'ৰ বাই ওৱান ৰূপহী মৰাণগাওঁ ৰোড, সেইটো ৰূপহীৰ পৰা জুৰীয়া সংলগ্ন আৰু জুৰীয়া কলেজলৈ যোৱা একমাত্ৰ ৰাস্তা আৰু বৰ্তমান এই ৰাস্তাটোৰো অৱস্থা শোচনীয় আৰু খোজ কাঢ়ি যাব পৰা অৱস্থাত নাই। ঠিক তেনেকৈ ৰূপহী-পুঠিখাইটী ৰোড কানেকটিং ব্ৰীজ, এই দলংখনো খোজকাঢ়ি যাব পৰা অৱস্থাত নাই। বৰপেটা-লাওঁগাওঁ কাণেকটিং (ব্ৰীজ নং ওৱান বাই ওৱান) সেই একেই অৱস্থা চাৰ। গতিকে, এই গোটেইখিনি মই আপোনাৰ জ্ঞাতাৰ্থে আপোনালৈ প্ৰেৰণ কৰিছো। আপুনি এইবোৰ চালে গম পাব যে - আমি কেনেকুৱা এটা সমষ্টিত বাস কৰিছো। এখন গাওঁৰ পৰা আনএখন গাওঁলৈ যাবলগীয়া হ'লে এইটো পাৰত গাড়ীখন ৰখাই খোজকাঢ়ি ব্ৰীজখন পাৰ হৈ যাওঁ, আকৌ সেই ফালৰ পৰা আন এখন গাড়ী আহিলেহে মই যাবপাৰো, তেনেকুৱা এটা অৱস্থাৰ সৃষ্টি হৈছে চাৰ। কেইটামান ৰাস্তা আৰু কেইখনমান ব্ৰীজৰ দৃশ্য আপোনাৰ জ্ঞাতেৰ্থে প্ৰেৰণ কৰিছো।

মোৰ সমষ্টি এলেকাত ১৪ খন কাঠৰ দলং আছে আৰু এই দলং বোৰ গড়কাপ্তানী বিভাগৰ ৰাষ্টাৰ ওপৰত থকা দলং। ২০খনতকৈ অধিক সাঁকো আৰু বাহঁৰ দলং আছে। গতিকে আমি আশা কৰো পৰিবৰ্তনকামী চৰকাৰৰ দিনত যাতে সেই বাহঁৰ সাঁকো আৰু কাঠৰ দলং গুচি পকী দলং হয়। ২০১৬ চনৰ ভিতৰত সকলো কাঠৰ দলং পকী কৰিম বুলি চৰকাৰে ঘোষণা কৰিছিল, গতিকে মই আশা ৰাখিম মোৰ সমষ্টিৰ কাঠৰ আৰু বাহঁৰ দলং সমূহ পকী কৰি দিয়ে যেন। ইয়াৰ বাবে মই আপোনাৰ জড়িয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো । মোৰ সমষ্টিত ৪৫৫ কিঃ মিঃ ৰাস্তা কেঁচা। এই পৰিবৰ্তনকামী চৰকাৰৰ দিনত মোৰ ৰূপহীহাট সমষ্টিত কোনো পৰিবৰ্তন হোৱা দেখা নাই। মাননীয় মন্ত্ৰী মহোদয়ে যদি মোৰ সমষ্টিটো ভিজিট কৰে দেখিব যে - (মই আপোনালোকক ভিজিট কৰিবলৈ অনুৰোধ জনাইছো) যিটো ৰাষ্টাৰে ১০ মিনিটতে গন্তব্য স্থান পাব পাৰি, বেয়া ৰাস্তা ৰ বাবে তালৈ যাওঁতে এঘন্টাৰো বেছি সময় লাগে।

দ্বিতীয়তে, চুদিপাৰাৰ এটা ৰাস্তা শিঙিমাৰীলৈকে গৈছে, প্ৰায় ১৮ কিঃ মিঃ ৰাস্তা আৰু এই চুদিপাৰা অঞ্চলতে হাজাৰ হাজাৰ চবজি আৰু মৰাপাট উৎপাদন হয়। কৃষক সকলে বজাৰলৈ নিবলৈ হলে এই ৰাস্তাটোৰে যাব লাগে। ইয়াত য'ত ১০ টকা গাড়ীৰ ভাড়া হয়, তাত ১০০ টকা ভৰিব লগীয়া হয়। এই ৰাস্তাটোৰে ঠেলাগাড়ী, ঘোঁৰাগাড়ী আদিহে চলে, বাকী একো গাড়ী নচলে। গতিকে এই অতিৰিক্ত ভাড়াৰ বাবে আমাৰ কৃষক সকলে লাভৰ সলনি লোকচানহে ভৰিবলগীয়া হৈছে। গতিকে কৃষক, ছাত্ৰ-ছাত্ৰী সকলৰ যাতে যাতায়াতৰ সুবিধা হয়, তাৰবাবে মই যিখন তালিকা দিছো সেই কেইটা ৰাস্তা পকীকৰণৰ ব্যৱস্থা কৰিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। দ্বিতীয়তে, মই জনস্বাস্থ্য ও কাৰিকৰী বিভাগৰ ওপৰত কব বিচাৰিছো।

**"জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগ"**

মাননীয় অধ্যক্ষ মহোদয়, "জলেই জীৱন" বুলি কোৱা হয়। জল অৰ্থাৎ পানী অবিহনে কোনো প্ৰাণী জীয়াই থাকিব নোৱাৰে। মানৱ জীৱনৰ বাবে পানী এক অপৰিহাৰ্য পদাৰ্থই নহয়, মানুহ জীয়াই থাকিবলৈ বিশুদ্ধ খোৱা পানীৰ প্ৰয়োজন। এই বিশুদ্ধ জলভাণ্ডাৰ কিন্তু এই পৃথিবীত পৰ্যাপ্ত নহয়। পৃথিবীৰ মুঠ জলভাণ্ডাৰৰ ৯৭ শতাংশ হৈছে সাগৰীয় পানী, যি লৱণযুক্ত পানী খোৱাটো দূৰৰ কথা কোনো কামৰ বাবে ব্যৱহাৰ কৰিব পৰা নাযায়। বাকী যি ৩ শতাংশ ব্যৱহাৰযোগ্য পানী আছে, তাৰে ৬৮ শতাংশই বৰফাবৃত। বাকী ৩০ শতাংশহে ব্যৱহাৰযোগ্য। অৰ্থাৎ পৃথিবীৰ মুঠ পানীৰ ২.০৬১

শতাংশ হৈছে বৰফ আৰু ০.৯০৩ শতাংশ ভূ-গৰ্ভস্থ পানী। ভূ-গৰ্ভস্থ পানীৰ এক বিশাল অংশ আকৌ হ্ৰদত থকাৰ বিপৰীতে অতি নগণ্য অংশ এটাহে আমি দৈনন্দিন কাম কাজত ব্যৱহাৰ কৰিব পাৰো। ৰাষ্ট্ৰ সংঘৰ বিশ্ব জলউন্নয়ন প্ৰতিবেদনৰ এই তথ্যলৈ মন কৰিলে স্বাভাৱিকতে আমি অনুমান কৰিব পাৰো যে মানৱ জীৱনৰ বাবে বিশুদ্ধ খোৱাপানীৰ সংকট কিমান গুৰুতৰ। কিন্তু, বিশ্বৰ যি নগণ্য পৰিমাণৰ পানী জনভূমিত থাকে যি আমি দৈনন্দিন কাম কাজ, খোৱা বোৱা আদিত ব্যৱহাৰ কৰো সেইখিনি পৰিবৰ্ত্তিত পাৰিপাশ্বিক পৰিবেশত দ্ৰুত গতিত প্ৰদূষিত হৈ পৰিছে।

অধ্যক্ষ মহোদয়, মোৰ বিধান সভা সমষ্টিত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সৰ্বমুঠ ৬১ খন আঁচনি আছে। এই ৬১ খন আঁচনিৰ ভিতৰত মাত্ৰ ১৮ খন আঁচনিহে কাৰ্যক্ষম হৈ আছে, বাকী ৩৪ খন আঁচনি বিকল হৈ পৰি আছে আৰু ৯খন আঁচনি আজি তিনিটা বছৰে আধৰুৱা কৰি পেলাই থৈ দিছে। ১৮ খন আঁচনিৰ পৰা সপ্তাহত এদিন বা দুদিন পানী পোৱা গৈছে। কৰবাত ফিলটাৰ নোহোৱাকৈ পাম্পৰ দ্বাৰা পানী দিয়ে, তেল নথকাৰ কাৰণে মেচিন নচলে, এই বিভিন্ন কাৰণত এই বিলাক বন্ধ হৈ আছে। কিছুমান ক্ষুদ্ৰ ৰিপিয়াৰিং আৰু কিছুমান বৃহৎ ৰিপিয়াৰিঙৰ কাৰণে এই বিলাক বন্ধ হৈ আছে। গতিকে চৰকাৰে যদি অলপ পইচা আবণ্টন দিয়ে, তেতিয়াহলে এই ৰিপিয়াৰিং কৰি কাৰ্যক্ষম কৰিব পৰা যায়। গতিকে এই ৬১ খন আঁচনিৰ তালিকাখন মই মন্ত্ৰী মহোদয়লৈ পঠাই দিম। মই মন্ত্ৰী মহোদয়ৰ পৰা আশা কৰিম যে - কাৰ্যক্ষম হৈ নথকা আঁচনি সমূহ যাতে সোনকালে কাৰ্যক্ষম কৰাৰ ব্যৱস্থা কৰে।

এতিয়া মীণ বিভাগলৈ আহিছো।

মোৰ সমষ্টিত মৎস পালনৰ বাবে প্ৰচুৰ সম্ভাৱনা থকাৰ পাছতো মৎস পালক উদ্‌গতি যোগাব নোৱাৰাৰ বাবে মৎস (মীণ) উৎপাদনৰ কাৰ্য্যক্ষম হোৱা নাই। মোৰ ৰূপহী হাট বিধান সভা সমষ্টিৰ প্ৰায় **৩০০০** কৃষকে প্ৰায় **১০** হাজাৰ বিঘা মাটিত আধা বিঘাৰ পৰা দহ-বাৰ বিঘা পৰ্যন্ত পানী কালিৰ পুখুৰী আছে। আন কিছুমানৰ খেতি -বাতি ভালকৈ নোহোৱা অথচ মাছ পালন কৰা পুখুৰী বনোৱাৰ উপযুক্ত **২** বিঘাৰ পৰা **১৫/২০** বিঘাকৈ মাটি আছে। সমষ্টিটোত বহুতো বিল, জলাশয় আদি আছে তেনেদৰে হাতে কামে কৰিবলৈ নিৰনুৱা যুৱক যুৱতীও আছে। মীন বিভাগৰ বিভিন্ন প্ৰচাৰ মতে কেন্দ্ৰীয় চৰকাৰৰ - ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা, নীল বিপ্লৱ, ৰাষ্ট্ৰীয় মীন উন্নয়ন বোৰ্ডে, গ্ৰাম্য আন্তঃগাথঁনি উন্নয়ন পুঁজি। আচঁনিৰ উপৰিও ৰাজ্য চৰকাৰৰ - মুখ্য মন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য বিকাশ যোজনা, নিজা অগ্ৰাধিকাৰ আঁচনি ৰ লগতে বিশ্ববেংকৰ অৰ্থ সাহায্যত APART আঁচনিৰ যোগেদি মীন খণ্ডৰ বিকাশ কৰি থকা শুনি থাকো। গতিকে এই সকলোবোৰ আঁচনিৰ কিছুমান প্ৰকল্প হৈ মোৰ সমষ্টিটো "আদৰ্শ মীন পালন সমষ্টি" হিচাবে গঢ়ি তোলাৰ বাবে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। ইয়াৰ বাবে মোৰ সমষ্টিত মীন বিভাগৰ লোকৰ দ্বাৰা বিশেষ জৰীপ চলাই তলত উল্লেখিত কৰ্মসূচী ৰূপায়ণৰ ব্যৱস্থা কৰিব লাগে।

**১**) বৰ্তমানে থকা পুখুৰী সমূহৰ আয়তনৰ কম বেছিৰ ওপৰত নিৰ্ভৰ কৰি (ক) মাছ পোনা প্ৰতিপালন আৰু (খ) মাছ পালন আঁচনি ল'ব লাগে।

**২**)পুখুৰী নিৰ্মাণৰ উপযুক্ত মাটি থকা আগ্ৰহী লোক সকলক নতুন পুখুৰী বনোৱাৰ আঁচনি দিব লাগে।

**৩**) সকলো মীন পালকে বিনামূলীয়া আৰু ভাল জাতৰ মাছ পোনা তথা উপযুক্ত মাছৰ খাদ্য পোৱাটো নিশ্চিত কৰিব লাগে।

**৪**) যিহেতু আমাৰ অঞ্চলৰ মাছ পালনৰ বাবে প্ৰয়োজনীয় গৰুৰ অভাৱ আছে পুখুৰী বিলাকৰ নিৰ্মাণ

আঁচনিত পচন সাৰ উৎপাদনৰ বাবে পকী টেঙ্কি নিৰ্মাণৰ ব্যৱস্থা ৰাখিব লাগে।

**৫)** জৈৱিক সাৰৰ অভাৱ নিৰসনৰ চিন্তাৰে গৰু, হাঁহ, মূৰ্গী আদিৰ লগত সমষ্টিত মীন পালন আঁচনি ল'ব লাগে। ইয়াৰ ফলত মাছৰ লগতেই গাখীৰ, মাংস আৰু কণীৰ উৎপাদন হ'ব।

**৬)** মোৰ সমষ্টিৰ প্ৰত্যেক গাওঁ পঞ্চায়তত একোটা "আদৰ্শ মাছ পোনা উৎপাদন কেন্দ্ৰ" স্থাপন কৰিব লাগে আৰু এই মাছ পোনা উৎপাদন কেন্দ্ৰ সমূহলৈ নদী আদি উৎসৰ পৰা উন্নত "মা মাছ" যোগানৰ ব্যৱস্থা কৰিব লাগে।

**৭)** সমষ্টিটোৰ ভিতৰত অন্ততঃ তিনিটা উচ্চ হাৰত উৎপাদন কৰিব পৰা আধুনিক প্ৰযুক্তি সংযোজিত মাছৰ খাদ্য প্ৰস্তুত কৰা প্ৰকল্প স্থাপন কৰিব লাগে।

**৮)** সমষ্টিৰ তিনিটা স্থানত তিনিখন স্বাস্থ্য সন্মত মাছৰ পাইকাৰী বজাৰ আৰু প্ৰত্যেক গাওঁ পঞ্চায়তত একোখন আদৰ্শ খুচুৰা মাছ বজাৰ স্থাপন কৰিব লাগে।

**৯)** মহিলা সকলক বিশেষ ভাবে নিয়োজিত কৰাৰ বাবে (ক) বিজ্ঞান সন্মত মাছ শুকোৱা প্ৰকল্প আৰু (খ) মাছৰ পৰা মূল্য সংযোজিত খাদ্য প্ৰস্তুত কৰা প্ৰকল্প স্থাপন কৰিব লাগে।

**১০)** APART আঁচনিৰ জৰিয়তে ব্যক্তিগত পুখুৰীৰ লগতে বিল সমূহৰ উন্নয়ন কৰিব লাগে।

**১১)** এই সকলোবোৰ বিষয় সামৰি আৰু আমাৰ থলুৱা মাছৰ প্ৰজাতিৰ সংৰক্ষণ তথা মাছ পালনত ৰাসায়নিক দ্ৰব্য ব্যৱহাৰ নকৰাৰ বাবে সমষ্টিটোৰ বিভিন্ন স্থানত সজাগতা সভা আৰু কৰ্মশালা পাতিব লাগে।

ওপৰত উল্লেখিত কাৰ্যসূচী ৰূপায়ণৰ বাবে আমাৰ মাটি, পানী আৰু কষ্টসহিষ্ণু মানৱ সম্পদৰ অভাৱ নাই। লাগে মাথোঁ প্ৰযুক্তিৰ জ্ঞান আৰু কিছু অনুদান। আমাৰ সপোনৰ এই আঁচনিলানিত মীন বিভাগৰ সহাঁৰি পালে আমাৰ দেহে মনে সহযোগিতা থাকিব। ৰাসায়নিক সাৰ, ঔষধ যুক্ত মাছৰ ঠাইত পুষ্টিকৰ মাছৰ উৎপাদন হ'ব। আমাৰ মানুহে সুলভ মূল্যত ভাল মাছ খাব পোৱাৰ উপৰিও আমাৰ উৎপাদিত মাছ ৰপ্তানি হ'ব । লগতে মীণ পালকসকল উপকৃত হৈ জীৱন নিৰ্বাহৰ বাট সুচল হব।

(Hon'ble Member Shri Rajdeep Goala on the Chair)

মাননীয় সভাপতি মহোদয়, "ঘৰ ঘৰ পুখুৰী, ঘৰ ঘৰ মাছ" - এই আঁচনিখন খুব ভাল আঁচনি আছিলে। এই আঁচনিৰ ফলত আমি আশা কৰিছিলো যে সচাঁকৈয়ে প্ৰতিটো ঘৰতে মাছৰ উৎপাদন হ'ব আৰু প্ৰতিটো ঘৰৰ মানুহে মাছ খাবলৈ পাব। কিন্তু এই "ঘৰ ঘৰ পুখুৰী, ঘৰ ঘৰ মাছ" - এই আঁচনিখন **১** বিঘা মাটিৰ পুখুৰীত **৯৮** হাজাৰ টকা খৰছৰ ধাৰ্য্য কৰা হৈছিলে। তাৰে **২০** শতাংশ হিতাধীকাৰীয়ে নিজে দিব লাগে আৰু বাকী **৮০** শতাংশ চৰকাৰৰ পৰা দিয়াৰ ব্যৱস্থা হৈছিলে। এই "ঘৰ ঘৰ পুখুৰী, ঘৰ ঘৰ মাছ" - এই আঁচনিৰ যি **৯৮** হাজাৰ টকা দিয়াৰ সিদ্ধান্ত চৰকাৰে লৈছিলে আৰু যিসকলক অনুমোদন দিছিলে, দেখাগৈছে যে মাত্ৰ **৩০** শতাংশহে হিতাধীকাৰীসকলে আদায় পাইছে। **৩০** শতাংশ চৰকাৰৰ পৰা পাইছে, **২০** শতাংশ নিজৰ বাকী **৫০** শতাংশ ধন চৰকাৰৰ পৰা এতিয়ালৈকে দিয়া হোৱা নাই। হিতাধীকাৰীসকলে ঋণ লৈ পুখুৰীটো সম্পূৰ্ণ কৰিছে। কিন্তু আজি ডেৰটা বছৰ হৈ গ'ল বাকী এই **৫০** শতাংশ ধন হিতাধীকাৰীসকলে পোৱা নাই। গতিকে মই মাননীয় সভাপতি মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে অতি সোনকালে সেই ধনখিনি মোকলাই দিয়াৰ ব্যৱস্থা কৰে।

"মাছৰ খাদ্য প্ৰস্তুত কৰণৰ" বাবে চাউলৰ মল, সৰিহৰ খলিহৈ, মাকৈ গুৰি, শুকান মাছৰ গুৰি, ছয়াবিন এই বিলাক আমাৰ প্ৰৰ্যাপ্ত পৰিমাণে আছে। লগতে মোৰ সমষ্টিত মাছৰ খেতিও বৃহৎ

সংখ্যক ভাৱে কৰে। গতিকে তাত মাছৰ খাদ্যৰ অভাৱ। মই ভাৱো মাননীয় মন্ত্ৰী মহোদয়ে মাছৰ খাদ্য প্ৰস্তুত কৰাৰ কাৰণে এটা কাৰখানা যাতে বনাই দিয়ে, subsidy দি তেতিয়াহলে আমাৰ নিৱনুৱা যুৱক যুৱতীসকলে মাছৰ খাদ্য প্ৰস্তুত কৰি, আমাৰ খেতিয়কসকলো খাদ্য যোগান দিয়াত সহায়ক হ'ব আৰু আমাৰ নিৱনুৱা যুৱক যুৱতীসকলো উপকৃত হ'ব।

মাননীয় সভাপতি মহোদয়, মই "মীন মহলৰ নিবিদা" ৰ কথা কব খুজিছো। আমাৰ পঞ্চায়তৰ বিত্তীয় বছৰতো এক বছৰ হয় মাননীয় সভাপতি মহোদয়। এক বছৰ হোৱাৰ বাবে এক বছৰত যিটো settlement দিয়ে, এক বছৰত বন্ধোবস্ত লোৱাৰ পিছত মাছখিনি ডাঙৰ হ'ব নোৱাৰে। মাছৰ পোনা এৰাৰ পিছত ১০০ গ্ৰাম, ২০০ গ্ৰাম হোৱাৰ পিছত মাছখিনি উঠাই বিক্ৰী কৰিব লাগে। মাছৰ পোনা উৎপাদন কৰোতে ডাঙৰ মাছৰ প্ৰয়োজন হয়, এই সৰু সৰু মাছবোৰক বেজি দিয়াৰ কাৰণে মাছৰ বংশবৃদ্ধি কম হয়। গতিকে ডাঙৰ মাছৰ সৃষ্টি কৰাৰ কাৰণে আমাৰ যিটো এক বছৰীয়া পঞ্চায়তৰ কাৰ্য্যকাল আছে, তাৰ ঠাইত কমেও তিনি বছৰীয়া যদি কৰা হয় তেতিয়া হলে মাছ খেতিয়ক সকলে মাছটো ডাঙৰ কৰিব পাৰিব, উৎপাদন বাঢ়িব। ইয়াৰ ফলত আমাৰ মাছৰ খেতিয়ক সকলৰো লাভ হ'ব আৰু মাছৰো বংশবৃদ্ধি হ'ব।

আৰু এটা কথা কওঁ মাননীয় সভাপতি মহোদয়, যিবিলাক corporation বিল, revenue ত যিবিলাক বিল আছে, এই বিল বিলাক সাত বছৰৰ কাৰণে নিবিদা দিয়া হয়। ইয়াৰ কাৰণে হয় কি, মই এইটো দেখা পাইছো, হয়নে নহয় মই নাজানো, যিবিলাকে সাত বছৰৰ কাৰণে নিবিদা পায় তেখেতসকলে এক বছৰ বা দুই বছৰ কিস্তিবিলাক ঠিক মতে দিয়ে, কিন্তু শেষত গৈ তেওঁলোকে কিস্তিবিলাক নিদিয়ে আৰু সেই বিলৰ ক্ষেত্ৰতো পিতনিৰে ভৰপূৰ হৈ যায়। যাৰ ফলত কোৰ্টত কেচ হয়। কেচ হৈ গৈ থাকে, চৰকাৰৰ revenue লোচ হয় আৰু মাছৰ উৎপাদনো কম হয়। গতিকে corporation নিয়ম কৰিব লাগে, corporation আৰু পঞ্চায়ত এই দুয়োটা যদি একলগ কৰি দিয়া যায়, তেতিয়া হলে মাছ খেতিয়ক সকলৰ লগতে মাছো বৃদ্ধি হ'ব আৰু উৎপাদন বাঢ়িব। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে পঞ্চায়তৰ এক বছৰ আৰু কৰ্পোৰেচনৰ সাত বছৰ এই দুয়োটাই লগ কৰি তিনি বছৰীয়া যদি কৰে তেতিয়া হলে পালন কৰা সকলে সুবিধা পাব, আৰু উৎপাদন বৃদ্ধি হ'ব।

গতিকে মই মোৰ এই সমস্যাখিনি আমাৰ PHE বিভাগৰ মন্ত্ৰী মহোদয় আছে, মীন মন্ত্ৰী মহোদয় আছে, গড়কাপ্তানি বিভাগৰ মন্ত্ৰী নাই যদিও সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয় আছে। মই তিনিজন মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো মই যি সমস্যাবিলাক ইয়াত দাঙি ধৰিলো ইয়াক সত্যৰূপত প্ৰতিষ্ঠা কৰাৰ কাৰণে লগতে তিনিজনকে আহ্বান জনাইছো লগতে আপোনালোকে এদিন মোৰ সমষ্টিত গৈ চাওঁক কি অৱস্থা হৈ আছে। যদি চায়, আপোনালোকৰ পূতৌ জন্মিব আৰু এই সমস্যাখিনি সমাধান কাৰৰ বাবে আপোনালোকে গুৰুত্ব দিব বুলি শেষত মই আপোনাৰ জৰিয়েত মন্ত্ৰী মহোদয় সকলক অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**শ্ৰী ৰাজদ্বীপ গোৱালা, সভাপতি** ঃ ইয়াৰ পিছৰ বক্তা শ্ৰী গুৰুজ্যোতি দাস।

**শ্ৰীগুৰুজ্যোতি দাস (মঙ্গলদৈ)** ঃ মাননীয় সভাপতি মহোদয়, অসম বিধান সভাৰ ইতিহাসত পোন প্ৰথম বাৰৰ বাবে Member's Hour under Rule 23(2) যি বিধায়কসমূহক এই বিধান সভাৰ পবিত্ৰ মজিয়াত সমষ্টিৰ সমস্যাসমূহ অৱগত কৰাৰ বাবে সুবিধা প্ৰদান কৰিছে, তাৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো।

সভাপতি মহোদয়, সচাকৈ মই গৌৰৱ অনুভৱ কৰিছো যে সমষ্টিৰ কিছু বিভাগৰ সমস্যা

এই ডিভাইছৰ জৰিয়তে এই পবিত্ৰ সদনৰ মজিয়াত উপস্থাপন কৰিবলৈ সক্ষম হ'ব। মঙ্গলদৈ সমষ্টিটো দৰং জিলাৰ অন্তৰ্গত এটা সদৰ সমষ্টি। দৰং জিলা অসমৰ এখন অন্যতম জিলা। দৰঙৰ ইতিবৃত্তিৰ ক্ষেত্ৰত কবলৈ গলে ইতিহাসত দৰঙৰ নামটো দাৰং শব্দৰ পৰা উৎপত্তি হোৱা বুলি পণ্ডিত সকলে অনুমান কৰে বা ব্যাখ্যা কৰি থৈ গৈছে। কাৰণ এই দৰং জিলাৰ দুৱাৰমুখেৰে হিমালয় আৰু অংগিভূত সু-উচ্চ পৰ্ব্বতলৈ নদীৰ বুকুয়েদি পৰ্বতৰ পৰা ভৈয়ামলৈ লোক সকল উঠানমা কৰিছিল। দুৱাৰ মুখ হিচাপে কালক্ৰমত এই জিলা খনৰ নাম দৰঙ্গ আৰু পিছলৈ দৰং জিলা নামৰে জনজাত হয়। আনহাতে মংগলদৈত পূৰ্বতে কোচ ৰজাই শাসনভাৰ চলাইছিল আৰু বুৰঞ্জীৰ প্ৰবাদ অনুসৰি কোচ ৰজা পৰিক্ষীত নাৰায়ণৰ কন্যা মংগলা নামেৰে এই ঠাইখন কালক্ৰমত মংগলদৈ হয়। মংগলদৈৰ নামটোৰ লগত সংগতি ৰাখি ১৯৪৭ চনত যি অসম সাহিত্য সভা ৪১ সংখ্যক অধিবেশনখন মহেশ্বৰ নেওগৰ সভাপতিৰ নেতৃত্বত অনুষ্ঠিত হৈছিল, সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাই মংগলদৈক লৈ এটি গীত ৰচনা কৰিছিল।

সেই গীতটো
"মঙ্গলদৈ তোমাৰ নাম হওক মঙ্গল তোমাৰ।
অতীত ঘাটি চাইলে পাবা ঐতিহ্য অপাৰ।।
কোঁচ ৰজাৰ জীয়ৰী মঙ্গলা যাৰ নাম।
সেহি নামে নামকৰণ মঙ্গলদৈ ধাম।।

এনেকুৱাকৈ মঙ্গলদৈৰ সম্পূৰ্ণ বিৰৰণ এই গীতটোত ইতিমধ্যে বৰ্ননা কৰিছিল আৰু সেই গৰাকী সুধাকণ্ঠ ড০ ভূপেন হাজৰিকা মঙ্গলদৈ বেগা চহৰত ডাঙৰ দীঘল হৈছিল। তেওঁৰ পিতৃ চৰকাৰী কৰ্মচাৰী হিচাপে আৰু তেওঁৰ ভাতৃ প্ৰয়াত জয়ন্ত হাজৰিকা সেই মঙ্গলদৈৰ বেগা নদীৰ পাৰতে জন্ম গ্ৰহণ কৰিছিল। সেই সদৰ সমষ্টি অসম আন্দোলন সেই মঙ্গলদৈৰ পৰাই আৰম্ভণি হৈছিল আৰু সেই সমষ্টিৰ বিধায়ক হিচাপে সঁচাকৈ মই নিজকে গৌৰৱবোধ কৰো আৰু যিটো সমষ্টি এই বিধান সভা পবিত্ৰ মজিয়াৰ প্ৰয়াত নকুল দাস ডাঙৰীয়া মন্ত্ৰী আছিল অসম চৰকাৰৰ, প্ৰয়াত নীলমনি দাস অসম চৰকাৰৰ মন্ত্ৰী আছিল আৰু সেইখন গাঁৱত জন্মগ্ৰহণ কৰিবলৈ পাই মোৰ সৌভাগ্য হৈছিল যে সেইখন গাঁৱতে সমাগত ১৫১৬ চনত ধৰ্মনাৰায়ণে দৰঙী ৰজা প্ৰতিষ্ঠা কৰিছিল। সেই হাউলী মোহনপুৰ য'ত মোৰ জন্ম গ্ৰহণ আৰু সেই দৰঙী ৰজা প্ৰথমজন ধৰ্ম নাৰায়ণ, আহোম ৰজাৰ প্ৰতাপ সিংহই সেই ধৰ্মৰ প্ৰতি আকৃষ্ট হোৱাৰ বাবে তেওঁৰ নাম ধৰ্মনাৰায়ণ নামাকৰণ কৰিছিল। এই সমষ্টিটো সদৰ সমষ্টিত তাত প্ৰায় ২ টা খণ্ড উন্নয়ণ কাৰ্য্যালয় আছে, এটা পশ্চিম মঙ্গলদৈ আৰু এটা পূৱ মঙ্গলদৈ। ১০ টা ৱাৰ্ডৰে গঠিত এটা মঙ্গলদৈ নগৰ সমিতি বা মঙ্গলদৈ মিনিচিপালটি বোৰ্ড আছে। যোৱা সংসদৰ নিৰ্বাচনৰ মতে প্ৰায় ২০০০০ ভোটাধিকাৰ আছে, য'ত যিখন ঠাই সংস্কৃতিৰে ভৰপূৰ আছিল। দৰঙৰ সংস্কৃতিৰ পথাৰ খনৰ কথা ইতিমধ্যে অসমৰ লোকে যথেষ্ট ভাৱে জানে বা দৰঙৰ সংস্কৃতিৰ পথাৰ খন অতি চহকী আৰু অধিক আগবঢ়া। ইয়াত ধেপা ঢুলীয়া, খুলীয়া, গায়ন-বায়ন, দেওধনী নৃত্য, খুলীয়া ভাওনা, কালীয়া বাদন, নাংলী গীত, চেৰা গীত আদি দৰঙী কলাকৃষ্টিৰে এক অবিচ্ছেদ্য অংগ। ব্যাস ওজা, সুকনান্নী ওজা অসমৰ খ্যাত এই দেওধনী নৃত্য সমূহ। মই সভাপতি মহোদয়, আপোনাৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো যে ঐতিহ্যমণ্ডিত এই দৰং জিলা খনত যি দৰঙী কলা-কৃষ্টিৰে চহকী সেই দৰঙী কলা-কৃষ্টিৰ নামত অসমৰ মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াই এক কোটি টকা অনুদান ইতিমধ্যে আগবঢ়াইছে। সেই এক কোটি অনুদানৰ জৰিয়তে আমি দৰঙী কলা-সংস্কৃতি কেন্দ্ৰ বৰ্তমান নিৰ্মাণ কৰি থকা

হৈছে। মই ৪/৫ টা বিষয়ৰ ওপৰত আবেদন আগবঢ়াইছিলো আৰু মই বিশেষ ভাৱে গড়কাপ্তানী, জলসিঞ্চন আৰু কৃষিৰ ওপৰত কবলৈ অনুমোদন আগবঢ়াইছে। তথাপি মই সামগ্ৰীক ভাৱে সমষ্টিটোৰ কিছু সমস্যা আগবঢ়াবলৈ লৈছো। অসম বিধান সভাৰ জৰিয়তে স্বাস্থ্য, বিত্ত আৰু গড়কাপ্তানী বিভাগৰ অসমৰ মাননীয় মন্ত্ৰী মহোদয় ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো যে তেওঁ এগৰাকী অসম চৰকাৰৰ সন্মানীয় দক্ষ তথা কৰ্মবোধ স্বাস্থ্য, বিত্ত আৰু গড়কাপ্তানী বিভাগৰ লগতে অন্যান্য দপ্তৰৰ মন্ত্ৰী। বৰ্তমান সময়ত স্বাস্থ্য বিভাগত আমূল পৰিবৰ্তন আনিবলৈ সক্ষম হোৱা সন্মানীয় মন্ত্ৰী মহোদয়ে শিশুৰ  পৰা আৰম্ভ কৰি সাধাৰণ জননেতাৰ বাবে অটল অমৃতকে ধৰি আমাৰ জিলা বা চিকিৎসালয় সমূহত যি বিনামূলীয়া তেজৰ পৰীক্ষাকৰণ, বিনামূলীয়া ঔষধ, বিনামূলীয়া চিটিচস্কেন আজি সুবিধাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। তাৰ ফলত ৰাজ্যখনত সকলো দুখীয়া নিচলা দৰিদ্ৰ নাৰায়ণ উক্ত আঁচনি সমূহৰ পৰা লাভান্বিত হ'বলৈ সক্ষম হৈছে। সন্মানীয় মন্ত্ৰী মহোদয়ৰ তত্বাবধানতে বৰ্তমানৰ বিত্ত বিভাগৰ দৰে এটা গুৰুত্বপূৰ্ণ দপ্তৰ সুস্থিৰ আৰু সুচাৰু ৰূপে পৰিচালিত হৈ আহিছে আৰু মন্ত্ৰী মহোদয়ৰ নেতৃত্বতে অসমৰ যাতায়াত ব্যৱস্থা ইতিমধ্যে সুন্দৰ হ'বলৈ গৈ আছে। অসমৰ ইতিহাসত ইতিমধ্যে আমাৰ ৩ বছৰ অতিক্ৰম কৰা চৰকাৰ খনে অসমৰ যাতায়াত ব্যৱস্থা উন্নত কৰিবলৈ সক্ষম হৈছে। সভাপতি মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো যে আমাৰ সমষ্টিৰ কিছু ৰাস্তা-ঘাটৰ সমস্যা  ইতিমধ্যে আমি সমধান কৰিবলৈ সক্ষম হলো। গড়কাপ্তানী বিভাগৰ দায়িত্ব লোৱাৰ পিছৰে পৰা পথ আৰু যাতায়াতৰ উন্নয়নৰ ক্ষেত্ৰত এক নৱজাগৰণৰ জোৱাৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। মঙ্গলদৈ সমষ্টিৰ দৰে এটা সমষ্টিৰ বিধায়ক হিচাপে তেখেতৰ প্ৰচেষ্টাক  মই ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো। তেওঁৰ নেতৃত্ব আৰু উন্নয়ন মূলক আঁচনি সমূহৰ আশীৰ্বাদতে আমি এক নতুন মাত্ৰা লাভ কৰিবলৈ সক্ষম হৈছো। যি স্বাধীনতাৰ পিছৰে পৰা বিভিন্ন চৰকাৰৰ শাসনৰ সময়ত সম্ভৱ হৈ উঠা নাছিল আৰু ইতিমধ্যে অসমৰ আন আন সমষ্টিৰ লগতে মঙ্গলদৈ সমষ্টিটো চৰকাৰ আৰু আপোনাৰ আশীৰ্বাদত বৃহৎ সংখ্যক আঁচনি আৰন্টন আনি সমষ্টিটোৰ ৰাস্তা-ঘাট সমূহৰ উন্নতি সাধন কৰিবলৈ সক্ষম হৈছো। তাৰে প্ৰায় আমি ৬ খনকৈ পকী দলংৰ কাম ইতিমধ্যে অনুমোদনো পাইছো। ইতিমধ্যে সেই পকী দলঙৰ কাম আৰম্ভ হ'বলৈ ধৰিছে আৰু প্ৰায় দুই এখন সমাপ্ত হ'বলৈ ইতিমধ্যে সক্ষম হৈছে যাৰ ফলত আমাৰ সমষ্টিটোৰ ৰাইজ বহু উপকৃত হ'বলৈ সক্ষম হৈছে।  মই গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ক বিশেষভাবে অনুৰোধ কৰিব খুজিছো  মঙ্গলদৈ চহৰৰ  ১২  ৱাৰ্ডৰ ভিতৰত ৬- ৭ ৱাৰ্ড পকীকৰণ হোৱা নাই।  বাকী খিনি   হৈছে। ১২ ৱাৰ্ডৰ ভিতৰত কিছু সংখ্যক  নলা বা নৰ্দমাৰ প্ৰয়োজন আছে ।  কিন্তু সামগ্ৰিকভাবে  ৩ বছৰ অতিক্ৰম কৰাৰ পিচত  আমাৰ চৰকাৰখনে  যথেষ্টখিনি আমাৰ যাতায়ত ব্যৱস্থা উন্নত কৰিবলৈ সক্ষম হৈছে।  মঙ্গলদৈ চহৰৰ যিটো এল এন বি পথ-   টেঙাবাৰী- মঙ্গলদৈ পদটো যথেষ্ট যান যটৰ সমস্যা হৈ আছে।  তাৰ এটা বিকল্প পথৰ ব্যৱস্থা কৰি সমস্যাটো সমাধান কৰিবলৈ মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।  এই বিষয়ে সদনত বহুবাৰ প্ৰশ্ন উত্থাপন কৰি আহিছো ।  বিধান সভা সমষ্টিৰ মঙলদৈৰ দক্ষিণত অৱস্থিত ৰৌমাৰীবাসী ৰাইজৰ হৈ মই  তৰাবিহীন প্ৰশ্ন নং ১৭৪ ত প্ৰশ্ন কৰিছিলো। প্ৰশ্নটিত ৰৌমাৰীত এখন দলঙৰ কথা কৈছিলো।  তাৰোপৰি গা ধোৱা ঘাটত  ধনশিৰি নদীৰ ওপৰত এখন দলঙৰ কাৰণে অনুৰোধ জনাইছিলো।। এই খিনি কৈ মই গড়কাপ্তানী বিভাগৰ  মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাই গড়কাপ্তানী বিভাগৰ ওপৰত সামৰণি মাৰিছো। আমাৰ দৰং জিলাখন  এখন কৃষি প্ৰধান জিলা। এই জিলাখনৰ প্ৰায় ৭০ শতাংশ ৰাইজ কৃষিৰ ওপৰত নিৰ্ভৰশীল। ইতিমধ্যে অসমৰ মুখ্যমন্ত্ৰী শ্ৰীসৰ্ব্বা নন্দ সোনোৱাল মহোদয়ৰ নেতৃত্বত দৰং জিলাখনক

যথেষ্ট গুৰুত্ব প্ৰদান কৰা হৈছে। ভাৰতৰ প্ৰধান মন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোদী ডাঙৰীয়াই কৃষকৰ ইনকাম বৃদ্ধি কৰাৰ বাবে বিভিন্ন আঁচনি হাতত লৈছে। ইয়াৰ ওপৰিও আমাৰ অসম চৰকাৰে গোটেই অসমৰ ৰাজহ গাঁৱত কৃষকসকলক এখনকৈ ট্ৰেক্টৰ বিতৰণ কৰিছে। তাৰ ওপৰিও বিভিন্ন শস্যৰ বীজ, জৈৱিক সাৰ, বিভিন্ন কীট পতংঙ্গ বিনাশী ঔষধ কৃষকসকলক বিতৰণ কৰিছে। মই সমষ্টিটোৰ কাৰনে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক এটা কথা অৱগত কৰিব খোজো যে, কৃষি বিজ্ঞান কেন্দ্ৰ আজি বহু বছৰৰ পৰা ভাড়া ঘৰত চলি আছে। স্থায়ী ভৱন নিৰ্মান কৰাৰ বাবে মাটি আবন্টন কৰা হৈছে। মই মাননীয় মন্ত্ৰী মহোদয়ক সোনকালে গৃহ নিৰ্মান কৰি স্থায়ীভাৱে কৃষি বিজ্ঞান কেন্দ্ৰটো গঢ়ি তুলি কৃষকসকৰ উন্নয়ন কৰিবলৈ আহ্বান জনালো। কেৱল অসমতে নহয় ভাৰতৰ বিভিন্ন অঞ্চললৈ কৃষিজাত সামগ্ৰী এই সমষ্টিটোৰ পৰা ৰপ্তানি হয়। তাৰ বাবে মই ইয়াত কৃষিজাত সামগ্ৰী সংৰক্ষন কৰিবৰ বাবে যথেষ্ট পৰিমানে Cold Storage and Food Processing Industry আপোনাৰ জৰিয়তে অনাগত দিনত মই বিচাৰিছো।

Cold Storage ৰ অভাৱত বহু কৃষিজাত সামগ্ৰী কৃষকসকলে পেলাই দিব লগা হয়। গতিকে মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ক এই দিশত মনোযোগ আকৰ্ষন আপোনাৰ জৰিয়তে কৰিলো। অধ্যক্ষ মহোদয়, পৰিবেশৰ কোনো ক্ষতি নকৰাকৈ sustainable Agriculture ব্যৱস্থা কৰিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ লগতে কৃষিজাত সাম্গ্ৰীখিনি গুণাগুণ নষ্ট নোহোৱাকৈ বজাৰলৈ কঢ়িয়াবলৈ উপযুক্ত শীত তাপ নিয়ন্ত্ৰিত বাহনৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাওঁ। লগতে কৃষি জাত সামগ্ৰী বিক্ৰী কৰাৰ বাবে Agriculture Less Mark ব্যৱস্থা কৰিবলৈ মই অনুৰোধ জনাম। সভাপতি মহোদয় আপোনাৰ জৰিয়তে মই কৃষিমন্ত্ৰী ডাঙৰীয়াকো ধন্যবাদ জ্ঞাপন কৰিছো। এতিয়া মই জলসিঞ্চনৰ ওপৰত অলপ ক'ব বিচাৰিছো। মাননীয় মন্ত্ৰী ভবেশ কলিতা মহোদয়ে জলসিঞ্চন বিভাগৰ দায়িত্ব লোৱাৰ পিচতে বিভাগটোত এক আমূল পৰিৱৰ্ত্তন আমি দেখিবলৈ পাইছো। কিন্তু মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে জলসিঞ্চন আৰু এগ্ৰিকালচাৰ দুয়োটা বিভাগ একেলগ কৰি আমাৰ কৃষকসকলৰ উন্নয়নৰ কথাটো চিন্তা কৰে যেন। যোৱা ৩০ তাৰিখে মই ভূমি আৰু ৰাজহ বিভাগৰ লগত সম্পৰ্কিত এটা প্ৰশ্ন আনিছিলো তেখেত যিহেতু ভূমি আৰু ৰাজহ বিভাগৰো মন্ত্ৰী। মোৰ প্ৰশ্নটো আছিল যে অসমত কিমান বিঘা অবৈধ ভূমি আছে? দৰং জিলাতে প্ৰায় ৭০ হাজাৰ বিঘাৰ অধিক মাটি বেদখল হৈ আছে। সেই মাটিখিনিও আমি অবৈধ বেদখলকাৰীৰ পৰা মুক্ত কৰিব লাগে। আমি কৃষকসকলৰ সুবিধাৰ অৰ্থ বৃহৎ আঁচনি হাতত লৈ ৰূপায়ণ কৰিব লাগে।, চি এম দত্ত এটা জলস্ঞ্চিন প্ৰকল্প যিটো-

বাহঁজানী, বৰখলা, জাপাৰকুছি, জালাহ, বঢ়মপুৰ, মজা চুবুৰী, দাহা , অধিকাৰীপাৰা , ৰজাপুখুৰী, চমুৰাপাৰা, নগৰবাৰী, কানাইচুপা, হাউলী মোহনপুৰ, বেজপাৰা. বামুনপাৰা আদি গাওঁসমূক এই আঁচনিখনে সাঙুৰি লৈছে। কৃষকসকলক এই আঁচনিখনে বহু উপকৃত কৰিছে। কিন্তু এই আঁচনি এতিয়া কেইখন মান গাঁৱক এই আঁচনিখনে সাঙুৰি লোৱা নাই । সভাপতি মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাও যে এই চি এম দত্ত আঁচনিখন সোনকালে সম্পূৰ্ণ কৰিব লাগে। মেগা জলসিঞ্চন প্ৰকল্প ইতিমধ্যে ভকতপাৰা, কলিতাপাৰা, চেনিয়ালপাৰা, চালেনীকুছি, কোৰাৰ পাৰা , বালাবাৰী, চেৰকুছি, লতাশাক, বালাকুছি , হীৰাবাৰী, থেকেৰাবাৰী, যোগীপাৰা, গৰ্মীপাৰী আদি ৰাজহ গাওঁক সামৰি লৈছে। এইখিনিৰ জৰিয়তে যথেষ্টখিনি উপকৃত হৈছে আৰু অধিক কৰিবলগীয়া আছে। সভাপতি মহোদয়ক আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে এইখিনি সমস্যা সমাধান কৰি অনাগত দিনত আমাৰ কৃষি ক্ষেত্ৰখনক আৰু আগুৱাই

লৈ যায়। যাতে ভাৰতৰ ভিতৰতে দৰং জিলা কৃষিৰ ক্ষেত্ৰত অগ্ৰনী জিলা হিচাপে জিলিকি থাকে।

**মাননীয় সভাপতি ঃ** প্লিজ কনক্লুড কৰক। .... মন্ত্ৰী উত্তৰ দিব লাগিব।

শেষ কৰিম সভাপতি মহোদয়,- সভাপতি মহোদয় আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম ইতিমধ্যে যিখিনি অবৈধ বেদখলৰ কথা ইতিমধ্যে উল্লেখ কৰিছো । কিছু অবৈধ বেদখল মোৰ সমষ্টিত ইতিমধ্যে উচ্চেদ কৰিছে দৰং জিলা প্ৰশাসনৰ উদ্যোগত । সেই সমূহৰ ক্ষেত্ৰত যাতে এক ব্যৱস্থা গ্ৰহণ কৰে। ইতিমধ্যে যথেষ্ট কাম কৰিছে আমাৰ সৰ্ব্বানন্দ সোনোৱাল ডাঙৰীয়াৰ চৰকাৰে তাৰ বাবে মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। লগতে আমাৰ উদ্যোগ বিভাগৰ মন্ত্ৰী পাটোৱাৰী ডাঙৰীয়াকো ধন্যবাদ জনাইছো। Skill City মঙ্গলদৈ জিলাত নিৰ্মান কৰাৰ বাবে চৰকাৰে সিদ্ধান্ত লৈছে তাৰ বাবে সমগ্ৰ মঙ্গলদৈবাসী ৰাইজৰ হৈ চৰকাৰক ধন্যবাদ আৰু কতজ্ঞতা প্ৰকাশ কৰিলো ।

**(মাননীয় অধ্যক্ষৰ আসনত উপবিষ্ট)**

অধ্যক্ষ মহোদয় , মোৰ ক'বলগীয়া বহুখিনি আছিল কিন্তু সময় তাকৰ গতিকে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক ধন্যবাদ জনালো লগতে আপোনাকো বিশেষ ভাবে ধন্যবাদ জনাইছো মোৰ সমষ্টিৰ সমস্যা সমূহ সদনত তুলি ধৰাৰ বাবে মোক দু-আষাৰ ক'বলৈ সুবিধা দিয়াৰ বাবে । মই মঙ্গলদৈৰ ওপৰত এটা কবিতা লিখি আনিছো । ধন্যবাদ।

"মঙ্গলদৈ তোমাৰ নাম হওক মঙ্গল তোমাৰ ।
অতীত ঘাটি চাইলে পাবা ঐতিহ্য অপাৰ ।।
কোঁচ ৰজাৰ জীয়ৰী মঙ্গলা যাৰ নাম।
সেহি নামে নামকৰণ মঙলদৈ ধাম।।
হৰিহৰৰ যুদ্ধ ভৈলা, হৰিয়ে শিঙা বায়।
সেহি স্থানে হৰি শিঙা আজিও শোভা পায়।।
"দৌ-ৰাংগ" দৰং হৈলা এ ' দেৱে ৰংগ কৰা,
আৰ্য্য আছিল এহি স্থানে বৈদিক যুগৰ পৰা।
শাহেই ৰাজাৰ নগৰ বুলি যিখান স্থান খ্যাত।
সেহি ৰজা সতী বেউলাৰ পিতৃ বুলি জ্ঞাত।।
আৰিমত্ত নৃপতিয়ে এ ৰাজত্ব কৰিলা।
বুঢ়ী নগৰ পুস্কৰিণী প্ৰমান ৰূপে ৰৈলা।।
চিলাৰায়ৰ পুত্ৰ পৰীক্ষিত নাৰায়ণ।
কোচ বেহাৰ এৰি দৰঙ্গে পাতিলা শাসন।।
পৰীক্ষিতৰ পুত্ৰ এ, বলি নাৰায়ণে পায়।
মঙ্গলদৈ বুৰঞ্জীত ৰচে সুবৰ্ণ অধ্যায়।।
বিশ্ব বিমোহিনী ৰূপৰ, যি দেৱীৰ দৰ্শন লয়।
সেহি কেন্দুকলাইৰ জন্ম কলাইগাঁৱত হয়।।
শাক্ত বৈষ্ণৱ সৱে মিলি এ মঙ্গলদৈ সজায়।
হিন্দু মুছলমানেও মিলি সুকন্নানী গায়।।
এহি জাতি সেহি জাতি সেহি জাতি এ আৰু নানা জনজাতি।
হিয়াই হিয়াই মিলিজুলি কৰিছে বসতি।।

কোঁচ ৰাজাৰ পূৰ্বে কোনে ৰাজত্ব কৰিলা।
ভূঞাসবেও ইয়াতহে মহিমা দেখাইলা।।
ৰেলছ চাহাব নামধাৰী এক ইংৰাজ কাপ্তানে
ৰাজা কৃষ্ণনাৰায়ণক ধৰিলা গোপনে।।
ওঠৰশ চাব্বিছ চনত এ ইয়াণ্ডাবু সন্ধি
স্বাধীনতা হৰি নিলা কৰি নানা ফন্দি।।
শংকৰী যুগৰ পূৰ্বে এ বিপ্ৰ হৰিহৰ।
লৱ-কুশ কাব্য ৰচি ভৈলাহা অমৰ।।
কবি ৰাম সৰস্বতী আৰু দ্বিজ দামোদৰ।
জয়ৰাম সূৰ্য্যখড়িৰ মঙ্লদৈতে ঘৰ।।
সৰ্ব্বানন্দ ব্যাস কলাইৰ গীতত মেঘ জন্মে।
নাৰায়ণদেউৰ সুকন্নানীক জগতে প্ৰণামে।।
'টঙত' উঠিলাহা শিল্প টংলাত কৰিছিলা।
আজিও কতই চৰ্চা কৰে সুকুমাৰ কলা।।
মঙ্লদৈয়া ৰাইজে জানে বিপ্লৱ কৰিবা।
ইংৰাজৰ অত্যাচাৰক খুজিলা খেদিবা।।
ওঠৰশ চৌৰান্নবৈত কৃষক বিদ্ৰোহ ভৈলা।
পথৰুঘাটৰ মাটিত কতই প্ৰাণ দিলা।।
স্বহীদ মুজাম্মিলৰ ৰক্তে ভাষাকে বচায়
মুজাম্মিলৰ মঙ্গলদৈ চোন পীঠস্থান হয়।।
কতনো গুন বখানিম এ মঙ্গলদৈচোন পীঠস্থান হয়।।
কতনো গুণ বখানিম এ মঙ্গলদৈ ধামৰ।।

মঙ্গলদৈৰ কিশোৰ বাছা, ধনটি মুজাম্মিল।
মুজাম্মিলৰ ৰক্ত পাই ভাষা জিলমিল।।

শত কোটি প্ৰণাম লোৱা গায়ক 'ভূপেন্দ্ৰ'ৰ।।
অষ্টম মৃত্যু বাৰ্ষিকীত বিশ্ব বৰণ্যে শিল্পী
সুধাকণ্ঠ তথা ভাৰত ৰত্ন ডঃ ভূপেন হাজৰিকা
দেৱলৈ শতকোটি প্ৰণাম জনালো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ কেইটামান কথা ইয়াত উত্থাপন হৈছে। হুডা ডাঙৰীয়াই তেখেতৰ ৰূপহী সমষ্টিৰ প্ৰথমতে কথাখিনি উত্থাপন কৰিছিল। এই সমষ্টিত বহুটো পিছপৰা অঞ্চল আছে। এইটো আজিৰ কথা নহয়। এইটো বহুদিনৰ সমস্যা। সেই সমষ্টিটোত আগতে মই মন্ত্ৰী থকা অৱস্থাত বহুবাৰ গৈছো। তেখেতে যিবিলাক দলং বা অন্যান্য সমস্যাৰ কথা আমাক ফটো সহ দিছে, আমি বিভাগৰ ইঞ্জিনিয়াৰ বা কমিচনাৰ সকলক সেইখিনি আমি দিম। তেখেতে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ ওপৰত যিখিনি কথা কৈছিল তাৰ উত্তৰ খিনি মই কৈছো। প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ ২০০১ চনত ৰাজহ গাওঁ জনসংখ্যা লোকপিয়ল মতে প্ৰতিটো উন্নয়ণ খণ্ডত পকী পথৰ পৰা ক্ৰম অনুসৰি গাওঁবোৰ পকী পথৰ সংযোগী কৰাৰ বাবে আঁচনি গ্ৰহণ কৰা হৈছিল আৰু সেই অনুসৰি ১০০০ বা ততোধিক জনসংখ্যাৰ গাওঁবোৰ ক্ৰম অনুসৰি সংযোগ কৰা হৈছিল। এইখিনি গাওঁ সংযোগ হোৱাৰ পিছত ৫০০ জনসংখ্যা থকা গাওঁবোৰ পকী কৰণৰ সংযোগৰ ব্যৱস্থাৰ আঁচনি লোৱা হৈছিল। তাৰ পিছত ২৫০ জন বা ততোধিক জনসংখ্যা থকা গাওঁবোৰ পকী কৰণৰ কাৰণে সংযোগ কৰাৰ আঁচনি লোৱা হৈছিল। প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা নিয়ম অনুসৰি এখন ৰাজহ গাঁৱে পকী পথৰ পৰা এবাৰ হে সংযাগ পায়। প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনা আঁচনিৰ অধীনত সম্পূৰ্ণ হোৱা পকী পথ ৫ বছৰলৈকে নিৰ্মাণ সংস্থাই মেৰামতি কৰে। পৰৱৰ্ত্তী সময়ত পুঁজিৰ অনুমোদন সাপেক্ষে অন্য আঁচনিত ধৰা হয়। ৰূপহী হাট সমষ্টিৰ যি ৬ টা পথৰ পকী কৰণ হোৱা কথা কোৱা হৈছে সেই ৬ টা পথৰ ২০১৯-২০ বৰ্ষত কোনো অনুমোদন এতিয়ালৈকে পোৱা নাই। পথ ৬ টাৰ বিৱৰণটো আমাৰ মাননীয় সদস্যক মই দি দিম যদি প্ৰয়োজন হয় আৰু এই অনুমোদনৰ কাৰণে চেষ্টা চলাই থকা হৈছে। নগাওঁ গ্ৰাম্য পথ সংমণ্ডলে ৩৩ টা পথৰ তালিকা পি এম জি এচ ৱাই(২) আঁচনিৰ বাবে নিজাববীয়াকৈ প্ৰস্তুত কৰিছিল। কিন্তু পি এম জি এচ ৱাই(২) আঁচনিত উক্ত পথসমূহৰ অনুমোদন পোৱা নগ'ল। তাৰ উপৰি মাননীয় বিধায়ক ডাঙৰীয়াই তালিকাত উল্লেখ কৰা নগাওঁ ৰাজ্যিক পথ সংমণ্ডলৰ অধীনত থকা সোনাই, চাইদৰীয়া পথৰ মুঠ ২১.১০ কিলোমিটাৰৰ বিপৰীতে অনুমোদিত হোৱা ৬ টা কামৰ ভিতৰত ৪ টা কাম সম্পূৰ্ণ হৈছে। এখন দলং ফ'ৰ বাই ওৱান নম্বৰ বৰ্তমান নিৰ্মীয়মান অৱস্থাত আছে আৰু চিক্স বাই ওৱান নম্বৰ দলঙখনৰ পকী কৰণৰ বাবে নিবিদা প্ৰক্ৰিয়া চলি আছে। উক্ত পথটি পুনৰ নিৰ্মাণৰ বাবে পুঁজি সাপেক্ষে অনুমোদন পালে নিৰ্মাণৰ বাবে ব্যৱস্থা হাতত লোৱা হ'ব। কলিয়াবৰ গ্ৰাম্য পথ সংমণ্ডলৰ অধীনত থকা ৰূপহীহাট সমষ্টিৰ অন্তৰ্গত পথ আৰু দলঙৰ বিভিন্ন আঁচনিৰ জৰিয়তে কৰা কামৰ সবিশেষ বিভাগৰ হাতত আছে আৰু পুঁজি সাপেক্ষে এই ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ৰূপহীহাট সমষ্টিত থকা কাঠৰ দলং সমূহ পকী কৰণ কৰাৰ বাবে প্ৰথমতে conversion of 1000 nos of SPT Bridge to RCC Bridge for the year 2017-18 আঁচনিৰ অধীনত ২০১৬-১৭ বৰ্ষত প্ৰথমখন দলঙৰ আঁচনি লোৱা হৈছিল। উক্ত দলং খনৰ কাম বৰ্তমান চলি আছে। তাৰে ভিতৰত এচ অ' পি ডি ৰ অধীনত ২০৪ খন আৰু ২৮৫ খন আৰ আই ডি এফ ২৫ আঁচনিৰ অধীনত আৰু ১১৮ খন এচ অ' পি ডি ৰ অধীনত সৰ্ব্বমুঠ ৬০৭ খন দলং পকী কৰণৰ কাম বৰ্তমান চলি আছে। চলিত বিত্তীয় বৰ্ষত মুঠ ১৫২ খন পকী দলং নিৰ্মাণৰ পৰিকল্পনা হাতত লোৱা হৈছে। এই

আঁচনি সমূহৰ বিষয়ে ইতিমধ্যে মই আপোনালোকক জনালো। ৰূপহী সমষ্টিত ইতিমধ্যে এখন দলঙৰ কাম হাতত লোৱা হৈছে আৰু উক্ত দলঙৰ কাম চলি আছে। মহাবীৰ লাচিত চিলাৰায় সেতু নিৰ্মাণ Under RIDF - XXIV of NABARD for the year 2018-19 আঁচনিৰ অধীনত তিনিখন দলঙৰ কাম চলি আছে। মহাবীৰ লাচিত চিলাৰায় সেতু নিৰ্মাণ Under RIDF - XXV of NABARD for the year 2019-20 আঁচনিৰ অধীনত এখন দলং নিৰ্মাণৰ ব্যৱস্থা হাতত লোৱা হৈছে আৰু নিবিদা প্ৰক্ৰিয়া চলি আছে। গতিকে টেণ্ডাৰখন ফাইনেল হোৱাৰ পিছত কামটো আৰম্ভ হ'ব। উল্লিখিত বাকী থকা ৫ খন কাঠৰ দলং গড়কাপ্তানী বিভাগৰ অন্তৰ্গত। পুঁজিৰ আবন্টন সাপেক্ষে এই দলং সমূহ পকী কৰণৰ চেষ্টা কৰা হ'ব। ইয়াৰ উপৰিও বিভিন্ন সময়ত আঁচনি অনুযায়ী অনুমোদন পালে ৰূপহী হাট সমষ্টিৰ পথ আৰু দলং সমূহৰ উন্নতিকৰণৰ ব্যৱস্থা হাতত ল'ব পৰা যাব। আমাৰ মাননীয় সদস্য গৰাকীয়ে মোক কাগজখিনি দিছে আৰু এইখিনি মই কমিশ্যনাৰক বিধান সভাৰ পিছতে দি দিম। গতিকে আপুনি বিভাগৰ লগত অলপ যোগাযোগ ৰাখিলে মই ভাৰো সুবিধাজনক হ'ব আৰু শ্ৰী গুৰুজ্যোতি দাস ডাঙৰীয়াই যিটো কথা কৈছে যে অসম বিধান সভাৰ ৬৭ নং মঙ্গলদৈ বিধান সভা সমষ্টিৰ অন্তৰ্গত অসম চৰকাৰৰ গড়কাপ্তানী বিভাগৰ যিটো ৰাস্তাৰ কথা কৈছে সেই সম্পৰ্কত আমাৰ চৰকাৰৰ বক্তব্য এনেকুৱা ধৰণৰ হ'ব যে অসম চৰকাৰৰ গড়কাপ্তানী পথ বিভগৰ অধীনত দৰং জিলাত বিভিন্ন আঁচনিৰ জৰিয়তে পথ আৰু দলং সমূহৰ নিৰ্মাণ আৰু উন্নতি কৰণৰ কামৰ বাবে বিভিন্ন সময়ত বিভিন্ন ব্যৱস্থা হাতত লৈ থকা হৈছে।

মঙ্গলদৈ চহৰৰ মজিয়াত এল. এন. বি. ৰোডৰ পশ্চিম দিশৰ পৰিত্যক্ত ভূমিৰে মঙ্গলদৈ চহৰৰ পৰা টেঙাবাৰী চ'কলৈ এটি বিকল্প পথ নিৰ্মাণৰ সম্ভাৱনীয়তা থকাটো সচাঁ। পুঁজি সাপেক্ষে অনুমোদন পোৱাৰ পিছত বিকল্প পথ নিৰ্মাণৰ ব্যৱস্থা হাতত ল'ব পৰা যাব।

দৰং জিলাৰ মঙ্গলদৈ বিধান সভা সমষ্টিৰ অন্তৰ্গত বড়াচুবা, ৰঙামাটি, ৰৌ মাৰীৰ সংযোগী পথত এখন পকী দলং নিৰ্মাণৰ আৱশ্যকতা আছে। পুঁজি সাপেক্ষে অনুমোদন পোৱাৰ পিছত বিকল্প পথৰ নিৰ্মাণৰ ব্যৱস্থা হাতত ল'ব পৰা যাব। গতিকে শ্ৰী গুৰুজ্যোতি দাস ডাঙৰীয়াই তেখেতৰ নিদিষ্ট বক্তব্যত কৈছে যে এনে যুগান্তকাৰী কাম তেখেতৰ সমষ্টিত গড়কাপ্তানী বিভাগৰ ক্ষেত্ৰত আগতে হোৱা নাই। আজি মই গড়কাপ্তানী বিভাগৰ হাতত এই কাগজখিনি দিম আৰু তেওঁলোকে পুঁজি সাপেক্ষে এই ব্যৱস্থা গ্ৰহণ কৰিব। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বাজেটখনত এচ অ' পি ডি ৰ যিবিলাক আঁচনি লোৱা হৈছে এইটো আটাইতকৈ ডাঙৰ কথা। কাৰণ আগতে বেছি ভাগ ক্ষেত্ৰতে আমি চেন্ট্ৰেল পুঁজিৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হৈছিল। প্ৰথম বাৰৰ বাবে ৰাজ্য খনৰ বাজেটত এচ অ' পি ডি ল'বলৈ আমি সক্ষম হৈছো। ইয়াৰ দ্বাৰা এইটো প্ৰমানিত হৈছে যে ৰাজ্যখনত আজি আমি Resource Mobilisation ৰ বাবে সক্ষম হৈছো। প্ৰথম বাৰৰ বাবে মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত এই চৰকাৰ খনে বিভিন্ন ধৰণৰ আঁচনি ল'বলৈ সক্ষম হৈছে, দলং ল'বলৈ সক্ষম হৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৃষক সকলৰ বাবে ট্ৰেক্টৰ দিয়াৰ ব্যৱস্থা লৈছে। গতিকে সকলো প্ৰায়ভাগ বিভাগতেই এচ অ' পি ডি ৰ আঁচনি লোৱা হৈছে। ইৰিগেশ্যন, উদ্যোগ বিভাগকে ধৰি বিভিন্ন বিভাগত আমাৰ এচ অ' পি ডি আঁচনি আছে। আমাৰ ৰাজ্যখনত আমি আজি ৰেভিনিউ মবিলাইজ কৰাৰ ক্ষেত্ৰত আমি আজি অকল চেন্ট্ৰেলৰ ওচৰত ভৰষা কৰি থকা নাই। ৰাজ্যখনে নিজাববীয়াকৈ এতিয়া Resource Mobilise কৰিব পাৰিছে। গতিকে এই যে এচ অ' পি ডি প্ৰজেক্ট বিলাকে আচলতে ৰাজ্যখনৰ উন্নয়ণৰ সূচাংকটো নিৰ্ণয় কৰিছে অধ্যক্ষ মহোদয়। দ্বিতীয়তে, আমাৰ শ্ৰী গুৰুজ্যোতি দাস ডাঙৰীয়াই Food Processing ৰ ক্ষেত্ৰত

এটা কথা উল্লেখ কৰিছিল যে Food Processing ৰ ক্ষেত্ৰত মঙ্গলদৈ ক আমি ধন্যবাদ দিব লাগিব। কাৰণ মঙ্গলদৈৰ ৰিপ'জে আজি গোটেই অসমতে কমেও ১০ হাজাৰতকৈ বেছি ল'ৰা-ছোৱালী তেওঁলোকে নিযুক্তি দিব পাৰিছে।

**মাননীয় অধ্যক্ষ ঃ** মঙ্গলদৈৰ যিটো Repose আজিৰ দিনত গোটেই অসমতে ১০ হাজাৰতকৈও অধিক লৰা-ছোৱালীক নিযুক্তি দিব পাৰিছে SRD, সুনন্দাৰাম ডেকা গ্ৰুপ। মঙ্গলদৈত ইতিমধ্যে Food processing ৰ যথেষ্টখিনি কাম ইতিমধ্যে আগবাঢ়ি গৈছে। গতিকে মঙ্গলদৈৰ ক্ষেত্ৰত আমাৰ Food processing ৰ যিটো কথা আছে সেইটো আমাৰ priority আছে সেইটো আমাৰ সদায়ে থাকিব উদ্যোগ বিভাগৰ পৰা। উদ্যোগ মন্ত্ৰী হিচাপে যিহেতু মোক সুধিছে গতিকে মই আৰু এটা কথা জনাওঁ যে মঙ্গলদৈত আৰু দুখন Park হ'ব। তাৰে এখন হ'ব textile Park আৰু আনখন Farma Park. ফাৰ্মা পাৰ্কখন হ'ব আমাৰ বিনন্দ শইকীয়াৰ সমষ্টিত আৰু তাতেই প্ৰাক বচিমীৰ ঠাইতে Textile Park খনো হ'ব। লগতে ভাৰতবৰ্ষৰ ভিতৰত Government Sector ত আমাৰ প্ৰথমখন Skill University, য'ত ১হাজাৰ কোটি টকা খৰছ হ'ব, যিটো মঙ্গলদৈত আমাৰ গুৰুজ্যোতি দাসৰ সমষ্টিত হ'ব। এইখন ভাৰতবৰ্ষৰ ভিতৰত প্ৰথম Skill University. Skill University খনৰ আমি already অনুমোদন পালো, Minister External Affairs ৰ পৰা পালো, NEA ৰ পৰা পালো। ভৱেশ কলিতা ডাঙৰীয়াই আমাক ১০০ বিঘা মাটি প্ৰদান কৰিছে, Revenue Minister হিচাপে তেখেতকো ধন্যবাদ জনাইছো। গতিকে NEA ৰ পৰা তাত ইতিমধ্যে আমি অনুমোদন পালো, Minister External Affairs, MHA ৰ পৰা ইতিমধ্যে পালো Minister Home Affairs আৰু তাৰ পিছত Employement Departmentৰ পৰা আমি পালো ভাৰত চৰকাৰ বিভাগ। নীতি আয়োগৰ পৰা ভাৰত চৰকাৰৰ পৰা আমি অনুমোদন পালো আৰু Skill Development ৰ পৰা আমি অনুমোদন পালো। আমাৰ গোটেই ভাৰতবৰ্ষখন World ৰ Skill Capital হিচাপে ৰূপান্তৰিত হওঁক। আমাৰ যিখিনি মানৱ সম্পদ সেইখিনি Skill মানৱ হিচাপে গঢ়ি তোলা হওঁক। সেই উদ্দেশ্য ৰাখি গুৰুজ্যোতি দাস ডাঙৰীয়া উল্লেখ কৰা মৰ্মে আমি Skill University এখন প্ৰদান কৰিবলৈ লৈছো। এই Skill University খন Asian Development Bank য়ে Finance কৰিব। সেই হিচাপত আমাৰ উন্নয়নৰ ক্ষেত্ৰত যিখিনি সৰু সুৰা ৰাস্তা আছে সেইখিনি নিশ্চয় হৈ যাব। কাৰণ মই এটা কথা মই উল্লেখ কৰিছো যে SOPD, এইটো বহুত ডাঙৰ কথা, SOPD ৰ যে আমি আঁচনি ল'ব পাৰিছো। ৰাজ্যখনে আজিৰ দিনত কৰবাত যদি দলং হোৱা নাই, কিবা আঁচনি সোমোৱা নাই সেইটো বেলেগ কথা। SOPD ত আজিৰ দিনটোত যে আমি আঁচনি ল'ব পাৰিছো, ৰাজ্যখনৰ Resorce Mobilization ৰ ক্ষেত্ৰত আমি আগবাঢ়ি যাব পাৰিছো। ঠিক তেনেকৈ কৰ, excise বিভাগ, আমাৰ Transfer বিভাগ, আমাৰ চৰকাৰ অহাৰ আগত ৩৫০ কোটি Highest পইচা আছিল ৰাজহ। আজি Transfer Departmentত ৰাজহ বাঢ়িছে প্ৰায় ৯০০ কোটি। Excise তো আছে তেনেকুৱা। গতিকে অধ্যক্ষ ডাঙৰীয়া, Resorce Mobilization ৰ ক্ষেত্ৰত এটা স্ব-নিৰ্ভৰশীলতাৰ ফালে আগুৱাই লৈ যোৱাৰ চেষ্টা কৰা হৈছে। এইখিনি কথা মই স্পষ্ট কৰি দিলো। লগতে যিখিনি মাননীয় সদস্যসকলে কথাখিনি উত্থাপন কৰিছে এই কথাখিনি মই নিশ্চয় PWD বিভাগৰ লগত আলোচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰূপহীহাটৰ সন্মানীয় বিধায়ক নুৰুল হুদা

ডাঙৰীয়া, আমাৰ বিভাগৰ কিছুমান সমস্যা আছে। সমাধানৰ কথাও তেখেতে কৈছে। এই গোটেই কথাখিনি কোৱাৰ বাবে মই তেখেতক আন্তৰিক ধন্যবাদ জনাইছো। এই কাৰণেই যে তেখেতে বৰ সুন্দৰকৈ আমাৰ বিভাগৰ কথাখিনি উত্থাপন কৰিছে লগতে বিভাগ যাতে যত্ন লয়, তাৰ বাবে আপুনি পৰামৰ্শ দিছে। তাৰ বাবে আপোনাক ধন্যবাদ জনালো।

আপুনি বহুখিনি কথা কৈছে RKVY, View Revolution, NFDP, RIDF, CMDSY, SOPD , APART ইতাদিৰ কথা আপুনি ধুনীয়াকৈ উত্থাপন কৰিছে। আপুনি বক্তব্য ৰাখোতে মই আপোনাৰ কথাখিনি শুনিছিলো। কেইটামান খুব প্ৰয়োজনীয় কথা আপুনি কৈছিল যিটো আপোনাৰ সমষ্টিৰ লগতে গোটেই অসমৰ প্ৰত্যেক সমষ্টিৰ বাবে প্ৰয়োজনীয়। আপুনি থলুৱা মাছৰ কথা কৈছে। বহুত বছৰৰ পৰা আমি দেখি আছো যে থলুৱা মাছ অসমত প্ৰায় বিনষ্ট হ'বলৈ ধৰিছে। আমাৰ চৰকাৰ অহাৰ পিছত মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত আমি যাতে থলুৱা মাছ অসমত সংৰক্ষিত কৰিব পাৰো তাৰ কাৰণে ১০ কোটি টকাৰ এটা প্ৰজেক্ট আমি ৰহা মীন বিভাগৰ যি কলেজ আছে আৰু এই কলেজৰ জৰিয়তে জীন বেঙ্কৰ এটা কাম আৰম্ভ কৰিছো। এই বেঙ্কৰ কামখিনিৰ বাবে অলপ সময় লাগিব। এইটো এটা ৩-৪ বছৰীয়া প্ৰজেক্ট আৰু এই প্ৰজেক্টত আমি পইচাও দি আছো। মই ভাৱো জিন বেঙ্কৰ কাম হ'লে থলুৱা মাছ যিবোৰ হেৰাই গৈছে সেইবিলাক আকৌ ঘুৰাই পাবলৈ সক্ষম হম।

ঠিক তেনেকৈ আপুনি RIDF ৰ ক্ষেত্ৰতো কিছু কথা কৈছে, 'ঘৰে-ঘৰে পুখুৰী' কথাটো কৈছে। কিছুদিনৰ আগতে আমি প্ৰথম কিস্তি দিবলৈ সক্ষম হৈছিলো। কিছুদিনৰ আগতে আমাৰ যিসকল মানুহে কাম কৰিছে, তেওঁলোকৰ কামখিনি কিমান আগবাঢ়িছে সেইটো আমি চাব লাগে। আমি DVD System ত তেওঁলোকৰ Account লৈ পইচা পঠাই দিওঁ। যদি প্ৰথম কিস্তি পাই কোনো বেনিফিচাৰীয়ে কাম নকৰে। তেনেহলে দ্বিতীয়টো পালে দিগদাৰী হ'ব। সেইকাৰণে গোটেই অসমৰ প্ৰায় ১০ হাজাৰ পুখুৰী survey কৰি report আনিলো আৰু report পোৱাৰ পিছত আমি বিত্ত বিভাগলৈ লিছিছিলো। আপোনালোকেও শুনিলে ভাল পাব যে অলপতে আমাৰ দ্বিতীয় কি স্তিটোৰ কাৰণে ১৩.৯১ কোটি Sanction দিলে। এইটো হয়তো এসপ্তাহ মানৰ ভিতৰতে তেওঁলোকৰ Account ত গৈ পাব। আপোনাৰ যিটো চিন্তা আছে যে আমাৰ ৯৮ হাজাৰৰ যি আঁচনি first instalment টো পোৱাৰ পাছতে দ্বিতীয়টো পোৱা নাই, এই সপ্তাহৰ ভিতৰত তেওঁলোকৰ Account লৈ টকাখিনি গৈ পাব। ঠিক একেদৰে আপুনি আপোনাৰ সমষ্টিটোৰ কিছুমান কথা কৈছে, এইবোৰৰ উত্তৰ বিচাৰিলে আগতীয়াকৈ আমাক ক'ব লাগে। প্ৰথমতে আপোনাৰ সমষ্টিটোৰ কথা কৈ লওঁ, আপোনাৰ তাত কি কাম চলি আছে তাৰ পিছতহে সামগ্ৰীকভাৱে কোৱা হ'ব। আপোনাৰ সমষ্টিত আমাৰ চৰকাৰ অহাৰ পিছত ব্যক্তিগত পুখুৰী যিটো আপুনি 'ঘৰে-ঘৰে পুখুৰী, ঘৰে-ঘৰে মাছ'ৰ কথা কৈছে ১২৫ টা ব্যক্তিগত পুখুৰী আৰু নতুন ৭ টা ৰাজহুৱা পুখুৰী খননৰ কাম আৰম্ভ কৰা হৈছে। ইয়াৰোপৰি, মাননীয় বিধায়ক মহোদয়ে নতুন ধৰণে যি বাস্তৱ সমস্যা উল্লেখ কৰিছে আৰু তাৰ সমাধানৰ বাবে যি পৰামৰ্শ আগবঢ়াইছে তাৰ ওপৰত পৰ্যালোচনা কৰি, উপযুক্ত আঁচনি প্ৰস্তুত কৰি তাৰ ৰূপায়ণৰ ব্যৱস্থা আমি গ্ৰহণ কৰিম বুলি তেওঁক আশ্বস্ত কৰিছো। আজি আপুনি বহুখিনি কথা ইয়াত কৈছে, সেই সকলো কথা সামৰি ল'বলৈ মোক বহু সময়ৰ প্ৰয়োজন হ'ব। মই ইমানখিনি সময় ল'ব নোৱাৰিম। সেয়েহে মই থুলমুলকৈ কম সময়ৰ ভিতৰত কেইটামান কথা জনাব বিচাৰিছো যে RIDF XXI ৰ অধীনত ২১ টা Fish Landing Centre ৰ কাম আৰম্ভ কৰিছো আৰু প্ৰতিটোত ৭.৩১ লাখকৈ টকা estimate কৰা হৈছে। ৯

টা Fish Marketing Infrastructure আমি আৰম্ভ কৰিছো, তাৰে এটাত ২৫ লাখকৈ টকা estimate কৰা হৈছে। ৫ খন Govt. Farm ৰ কাম কৰিবলৈ আমি সক্ষম হৈছো। আমি AFDC Ltd. ৰ Development of 16 Beel Fisheries Project ৰ ৫২% কাম কৰিবলৈ সক্ষম হৈছো। ঠিক তেনেকৈ, TRENCH XXIII ৰ অধীনত প্ৰায় ২৭৮ টা community tank ত ৭.৫ বিঘাকৈ ৩৭.৫০ বিঘাত গ্ৰুপ বনাই ৯,০৪১ টা individual ponds ৰ কাম আৰম্ভ কৰা হৈছে। CMSGUY ৰ ফালৰ পৰা প্ৰায় ২ হাজাৰ খেতিয়কক লাভ দিবৰ বাবে আমি সক্ষম হৈছো। Training ৰ ক্ষেত্ৰত ১০ টা batch ত প্ৰায় ৫০০ জন মাছমৰীয়া বা খেতিয়কক Raha Fishery College ৰ মাধ্যমেৰে training দিবলৈ আমি সক্ষম হৈছো। ঠিক তেনেদৰে, APART ৰ জৰিয়তে ৭২৭ beneficiaries with water area 198.91 ha have been selected in 13 APART districts and 88 FPCs (1590 beneficiaries) have been selected in 12 district during 2019-20 আৰু ইয়াৰ কাম আৰম্ভ কৰিছো। Paddy cum Fish culture under APART ৰ জৰিয়তে ২০১৮-১৯ বৰ্ষত ৭ খন APART district ত ৯১ জন beneficiaries select কৰি প্ৰায় ৭১.২৮ লাখ টকাৰ কাম শেষ কৰিবলৈ সক্ষম হৈছো। Besides, 100 ha water area covering 206 beneficiaries in 9 districts have been selected for 2019-20. আমি beel fisheryতো কাম আৰম্ভ কৰিছো। অসমৰ প্ৰায় প্ৰতিটো ক্ষেত্ৰতে, প্ৰতিখন ঠাইতে কাম আৰম্ভ কৰিছো। তাৰোপৰি, আপুনি গৰুৰ গোবৰৰ অভাৱৰ কথা কৈছে। সেয়েহে, সদনৰ জৰিয়তে আমি সকলোৰে গো-পালনৰ বাবে ৰাইজক আহ্বান জনাব লাগে। গো-পালন যে আমি কেৱল পুখুৰী বা মাছৰ বাবে কৰিব লাগে, এ নে নহয়। ইয়াৰ পৰা আমি গাখীৰ পাব পাৰো যিটো বৰ পুষ্টিকৰ খাদ্য। লগতে, গৰুৰ গোবৰ পুখুৰীত ব্যৱহাৰ কৰিব পাৰি। গতিকে, মাননীয় সদস্য গৰাকীৰ যি পৰামৰ্শ সেইয়া আমাৰ বিভাগে বিভিন্ন সময়ত বিভিন্ন শিতানত যেনে RKVY, Blue Revolution, RIDF, NFDB, SOPD, CMSGUY etc. ৰ জৰিয়তে কাম কৰিবলৈ চেষ্টা কৰি আছে।আপুনি যদি বিতং তথ্য বিচাৰে তেন্তে মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে আপোনাক জনাব পাৰিম। ৰূপহীহাট সমষ্টিটো মাছ পালনৰ ক্ষেত্ৰত আগুৱাই যোৱাৰ বাবে যে আপুনি চিন্তিত তাৰ বাবে মোৰ ভাল লাগিছে। আপুনি জানে যে, কেইদিনমান আগতে আপোনাৰ সমষ্টিত গৈছিলো আৰু প্ৰথমবাৰৰ বাবে Cage culture ৰ কাম আৰম্ভ কৰা হৈছে। আপোনাৰ সমষ্টিত সম্ভৱত ৪ টা Cage culture ৰ কামৰ বাবে sanction কৰা হৈছে । ইয়াৰ জৰিয়তে মাছৰ উৎপাদন বৃদ্ধি হয়। সেয়েহে, মৎস্য উৎপাদনৰ ক্ষেত্ৰত যাতে ৰূপহীহাটকো আমি আগুৱাই লৈ যাব পাৰো তাৰ বাবে চৰকাৰৰ তৰফৰ পৰা পদক্ষেপ গ্ৰহণ কৰা হৈ আছে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। আমি সময়ৰ প্ৰতি লক্ষ্য ৰাখি বক্তব্যখিনি চমুকৈ ক'লে ভাল হয়। আমাৰ তিনিগৰাকী মন্ত্ৰীয়ে ক'বলৈ আছে।

এতিয়া জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই কওঁক। উত্তৰখিনি চমুকৈ দিলে ভাল হয় আৰু যদি দীঘলীয়া হয় তেন্তে লিখিত দিব পাৰে।

**শ্ৰী ৰিহন দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰূপহীহাট সমষ্টিৰ বিধায়ক শ্ৰী হুদা ডাঙৰীয়াই জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিকল হৈ থকা আঁচনিৰ সম্বন্ধে আমাক দৃষ্টিগোচৰ কৰিছে, তাৰ বাবে তেখেতক মই ধন্যবাদ জ্ঞাপন কৰিছো। তেখেতৰ সমষ্টিত মুঠ ৬১ টা পাইপ পানী যোগান আঁচনি আছে, তাৰে ১৬ টা আঁচনিত আমি পানী দি আছো।

আংশিক ভাৱে ২২ টা আঁচনি চলি আছে। **১৬** টা আঁচনি বিকল হৈ আছে আৰু ৭ টা নিৰ্মাণৰত আঁচনি আছে। আমি দায়িত্ব লোৱাৰ পিছত সমগ্ৰ ৰাজ্যখনত বিকল হৈ থকা আঁচনিৰ পুনৰ মেৰামতি ৰ বাবে বিভিন্ন ধৰণে আঁচনি হাতত লৈছো। বিধায়ক সকলৰ অগ্ৰাধিকাৰ ভিত্তিত প্ৰত্যেকটো সমষ্টিতে প্ৰথম পৰ্যায়ত ৩৬ লাখকৈ আৰু দ্বিতীয় পৰ্যায়ত ৫০ লাখকৈ টকা দিয়া হৈছিল। ইয়াৰ বাহিৰেও SOPD ৰ যোগেদি বা বিভিন্ন Head ৰ তৰফৰ পৰা বিকল হৈ থকা আঁচনি functional কৰিবৰ বাবে আমি আঁচনি হাতত লৈছো। ৰূপহীহাট সমষ্টিত ইতিমধ্যে এই বিত্তীয় বৰ্ষত SOPD ৰ যোগেদি ১১ টা আঁচনি পুনৰ মেৰামতিৰ বাবে অনুমোদন লাভ কৰিছো। ৯টা আঁচনিৰ খুব minor repairing ৰ কাম আছে, তাৰবাবে আমাৰ কাৰ্যবাহী অভিযন্তাৰ লগত কথা পাতিছো আৰু সেইখিনি সোনকালে সম্পূৰ্ণ কৰিবৰ বাবে ইতিমধ্যে নিৰ্দেশ দিয়া হৈছে। মুঠতে এই বিত্তীয় বৰ্ষত, অহা মাৰ্চ মাহলৈকে, আমি আংশিক ভাৱে চলি থকা প্ৰায় ২০ টা আঁচনি পুনৰ মেৰামতি কৰিবলৈ সক্ষম হ'ম। বাকী বিকল হৈ থকা আঁচনি সমূহ আমি পৰ্যায়ক্ৰমে সম্পূৰ্ণ কৰিম। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে 'জল জীৱন মিছন' বুলি এটা যোজনা ঘোষণা কৰিছে আৰু ২০২৪ চনৰ ভিতৰত এই মিছনৰ যোগেদি প্ৰতিখন গাঁৱৰ প্ৰতিটো পৰিয়ালে বিশুদ্ধ খোৱা-পানী পাব। গতিকে, অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মই এই সদনক আশ্বস্ত কৰিব বিচাৰিছো যে বিকল হৈ থকা আঁচনি সমূহ ২০২২ চনৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব আৰু প্ৰত্যেক পৰিয়ালক বিশুদ্ধ খোৱা-পানী যোগান ধৰা হ'ব। অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে সদনত বিধায়ক সকলক অনুৰোধ কৰিম যিবিলাক আঁচনিৰ যোগেদি আমি পানী দি আছো সেই আঁচনিবিলাকত আমি পৰিচালনা কমিটি গঠন কৰিব লাগে যাতে সেই আঁচনিসমূহ তেওঁলোকে চোৱা-চিতা কৰিব পাৰে। আমাৰ নুৰুল হুদা ডাঙৰীয়াৰ সমষ্টিত ২০ টা আঁচনি পুনৰ মেৰামতি কৰিম। সেইটোৰ কাম সম্পূৰ্ণ হ'লে সেইসমূহ চোৱা-চিতা কৰিবৰ বাবে আমি সমিতি গঠন কৰিম যাতে সেই আঁচনি চলি থাকে। এনেকুৱা ধৰণৰ ব্যৱস্থা সমূহ আমি লৈছো আৰু বাকী থকা সমূহ আমি পৰ্য্যায়ক্ৰমে কৰিম। মই ভাৱো যে মাননীয় বিধায়ক গৰাকীয়ে সন্তুষ্ট হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কৃষি বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিয়ক।

**শ্ৰী অতুল বৰা, মন্ত্ৰী (কৃষি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমতে অসম বিধান সভাৰ সন্মানীয় সদস্য গুৰু জ্যোতি দাস ডাঙৰীয়াই ৰাজ্যখনৰ কৃষি খণ্ডৰ বিকাশৰ বাবে আমাৰ মাননীয় মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ আৰু ইয়াৰ ফলত ৰাজ্যখনৰ কৃষি খণ্ডত দেখা দিয়া পৰিৱৰ্ত্তন সম্পৰ্কত সন্মানীয় সদস্য গৰাকীয়ে প্ৰকাশ কৰা অভিমতৰ বাবে তেখেতক ধন্যবাদ জনাইছো। আমি আশা কৰিছো যে অসম চৰকাৰৰ কৃষি বিভাগে ৰাজ্যখনত কৃষকৰ স্বাৰ্থ সুৰক্ষিত কৰি তোলাৰ বাবে মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ উদ্যোগত মুখ্য মন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা, মুখ্য মন্ত্ৰী সাঁ-জুলি যোজনা, গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ জৰিয়তে কৃষকলৈ অগভীৰ নলী-নাদ যোগান আদি অভিলাষী আঁচনিবোৰৰ উপৰিও কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন ধ্বজাবাহী আঁচনি আছে। RKVY, BGREI, NSFM, TRFA, HMNEM, MOVCD, P.M. Kissan প্ৰধান মন্ত্ৰী ফচল বীমা যোজনা, পি এম বন্ধন যোজনা আদি আঁচনি আছে। এই আঁচনিসমূহ সফল ৰূপায়ণৰ বাবে যাতে ক্ষীপ্ৰতাৰে কাম আৰম্ভ হয়, তাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছো। ৰাজ্যখনৰ অধিকাংশ লোকেই কৃষক আৰু সেই বাবেই আমাৰ চৰকাৰে মাননীয় মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত এক আমূল পৰিৱৰ্ত্তন আনি, যুগান্তকাৰী পৰিৱৰ্তন আনি গ্ৰাম্য অৰ্থনীতিৰ বুনিয়াদ শক্তিশালী কৰিব বিচাৰিছে। এই তথ্য প্ৰযুক্তিবিদ্যাৰ যুগত চাকৰিৰ সংখ্যা চৰকাৰী চাকৰিতে

হওঁক বা ব্যক্তিগত খণ্ডতেই হওঁক যথেষ্ট কমি আহিছে। আনহাতে ৰাজ্যখনৰ প্ৰত্যেক বছৰে হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ কোনোবাই মেট্ৰিকৰ দেওঁনা পাৰ কৰিছে, কোনোবাই ডিগ্ৰী লৈছে, কোনোবাই বিত্তিধাৰী শিক্ষানুষ্ঠানৰ পৰা ডিপ্লোমা আদি লৈছে। কিন্তু সেইসকলক সংস্থাপিত কৰিবলৈ হ'লেও মই ভাৱো কৃষিখণ্ডৰ বাহিৰে অন্য কোনো বিকল্প নাই। যেতিয়া বিভিন্ন দেশে জনসংখ্যা বিস্ফোৰণৰ বাবে, জনসংখ্যাৰ জোৰা মাৰিবৰ কাৰণে অধিক উৎপাদনৰ কাৰণে প্ৰতিযোগিতাত নামি পৰিছিল, সেই সময়ত আমাৰ দেশৰ হাৰিয়ানা, পাঞ্জাব আৰু দুই-এখন ৰাজ্যৰ বাহিৰে কোনেও প্ৰতিযোগিতাত নমা নাছিল। অসমেও নমা নাছিল। কাৰণ অসমৰ গৰিষ্ঠসংখ্যক কৃষকে উপাদনক্ষম আৰু সেইসকলে সজাগতাৰ অভাৱৰ বাবেই হওঁক, আৰ্থিকভাৱে স্বচ্ছল নোহোৱাৰ বাবেই হওঁক বা অ-শিক্ষিত হোৱাৰ বাবেই হওঁক  মাটিত অত্যাধিক কীটনাশক দ্ৰব্য বা ৰাসায়নিক দ্ৰব্য ব্যৱহাৰৰ  কৰা নাছিল। যাৰ ফলত অসমৰ মাটি এতিয়াও সাৰুৱা। কাৰণ ধান ৰুলে কিছুমান মাটি আছে, যিবিলাক মাটিত প্ৰৱল হেঁচা পৰা নাই। সেইবিলাক মাটিত চাউল এতিয়াও তেলেতীয়া। বৰা চাউলৰ দৰে। গতিকে আজি অসমখনত আমি কেৱল খাদ্য শস্য উৎপাদন কৰাই নহয়, আমি বিদেশলৈও ৰপ্তানি কৰিব পাৰো আৰু মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানি সুখী হ'ব যে চৰকাৰে গঠন কৰা MOVCD ৰ Under ত গঠন কৰা APC ৰ জৰিয়তে আজি দৰঙৰ গুৰুজ্যোতি দাস ডাঙৰীয়াৰ গৃহ জিলাৰ পৰা আদা, হালধি আদি বহুখিনি বস্তু বিদেশলৈ আমদানি কৰা হৈছে। এইটো সুখৰ কথা। কাৰণ আমি জানো যে সত্তৰ শতাংশ  লোকৰ জীৱিকা নিৰ্ভৰ কৰে কৃষি আৰু সহযোগী খণ্ডৰ ওপৰত। আমাৰ ৰাজ্যখনত খেতি কৰা মাটিৰ পৰিমাণ হৈছে গড় হিচাপত ১.১০ হেক্টৰ আৰু ৮৫ শতাংশতকৈও অধিক কৃষক ক্ষুদ্ৰ আৰু উপান্ত শ্ৰেণীৰ। আমাৰ চৰকাৰে হৰ্টিকালচাৰ বিভাগটোক সক্ৰিয় কৰিছে। কাৰণ আমাৰ যুগৰ নতুন প্ৰজন্মই এটা কথা প্ৰত্যক্ষ কৰিছো যে ধান বা তেনেজাতীয় শস্য হোৱাতকৈ হৰ্টিকালচাৰৰ ওপৰত বিশেষ গুৰুত্ব দিয়ে। নতুন নতুন খেতিসমূহৰ জৰিয়তে দেখা গৈছে যে অসমৰ বহুখিনি উঠি অহা শিক্ষিত কৃষকে নিজে স্বাৱলম্বী  হোৱাৰ লগতে আজি বহুলোকক তেওঁলোকে তেওঁলোকৰ প্ৰতিষ্ঠানত সংস্থাপিত কৰিব পাৰিছে। মই আগতেই কৈছো যে অসমৰ মাটি অতি সাৰুৱা। কিন্তু অসমৰ কৃষকে এতিয়াও মাটিৰ গুণাগুণ পৰীক্ষাৰ বাবে আগ্ৰহী নহয়। আজি এজন ব্যক্তিৰ বেমাৰ হ'লে কি বেমাৰ হৈছে, সেইটো চিহ্নিত কৰি যিদৰে দৰৱ দিব পাৰে । ঠিক তেনেকৈ মাটিৰ গুণাগুণ চিনাক্ত কৰিহে কৰি তাত ৰাসায়নিক কীটনাশক দ্ৰব্যই হওঁক বা সাৰেই হওঁক, সেইটো প্ৰয়োগ কৰিব লাগে। তেতিয়াহে আমি অধিক উৎপাদন পাবলৈ সক্ষম হ'ম। সেইকাৰণে ৰাজ্যখনৰ প্ৰতিটো অঞ্চলৰ Soil Testing Laboratory প্ৰতিষ্ঠা কৰিবলৈ ব্যৱস্থা কৰিছো। ঠিক তেনেকৈ আমি হৰ্টি কালচাৰৰ ওপৰত গুৰুত্ব দিয়া বুলি কৈছো আৰু এখন হৰ্টি কালচাৰ কলেজ আমি ডিমা হাচাওত প্ৰতিষ্ঠা কৰিবলৈ লৈছো। আপুনি জানি সুখী হ'ব যে পূৰ্বতে যিসমূহ সামগ্ৰী চৰকাৰে দিয়া বুলি সংবাদ মাধ্যমত প্ৰচাৰ হৈছিল, সেই বস্তুসমূহ কৃষকৰ ওচৰ গৈ নাপায় গৈ। হয়তো বেয়া বস্তু দিয়ে, নহ'লে কমকৈ চাপ্লাই দিয়ে। এই ধৰণৰ বুজাবুজিত চলি থাকে। এই বিভাগটো এটা সময়ত ঠিকাদাৰৰ বিভাগ হৈ পৰিছিল। কিন্তু এতিয়া কৃষকৰ বিভাগ হৈ পৰিছে। মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াইও এই ক্ষেত্ৰত সহায় আগবঢ়াইছে। মাননীয় অধ্যক্ষ মহোদয়, কোন জিলাত কি খেতি হয়, আমি আগতীয়াকৈ তেওঁলোকৰ পৰা মতামত লৈছিলো। তেওঁলোকৰ জিলাত কি খেতি হয়, তেওঁলোকক কি বীজ দিব লাগে সেইখিনি আগতীয়াকৈ দিয়াৰ ব্যৱস্থা কৰিছো। এটা কথা ঠিক যে ইয়াৰ মাজতো যে একো গণ্ডগোল হোৱা নাই। সেইটো কথা মই নুই কৰা নাই। কাৰণ দুৰ্নীতিটো সকলো ক্ষেত্ৰতে শিপাই আছে আৰু সেইটো এদিনতে উঘালি উলিওৱাটো সম্ভৱ নহয়। পিছ ত টি

ভি ৰ পৰ্দাত দেখা যায় যে মন্ত্ৰীক দেখুৱাই কাঢ় দি চলি আছে। এইটো মানি ল'বলগীয়া হৈছে। কিন্তু আমি আন্তৰিকতাৰে চেষ্টা কৰিছো যে আমি কৃষকক কিদৰে সকাহ দিব পাৰো আৰু কৃষি ক্ষেত্ৰখনলৈ পৰিৱৰ্তন আনিবৰ বাবে চেষ্টা কৰিছো। পি এম কিষাণৰ ক্ষেত্ৰত মাননীয় সদস্য এগৰাকীৰ উত্তৰত মই কৈছো যে দেশৰ ভিতৰতে আমাৰ অসম দ্বিতীয়দশ। ধান উৎপাদন আমাৰ অধিক হৈছে। আজি দৰং জিলাত গুৰুজ্যোতি দাস ডাঙৰীয়াই এটা প্ৰশ্ন কৰিছে আৰু কিছু কিছু পৰামৰ্শও দিছে। দাস ডঙৰীয়াই জানি সুখী হ'ব যে আপোনাৰ জিলাত এটা কৃষি বিজ্ঞান কেন্দ্ৰ নিৰ্মাণ কৰিবলৈ লোৱা হৈছে আৰু খুব সোনকালে কৃষি বিশ্ববিদ্যালয়ৰ দ্বাৰা এইটো আৰম্ভ হৈ উঠিব। আমি ৰাজ্যখনত Cold Storage দিয়াৰ বাবে HMNEH ব্যৱস্থা কৰিছে। ইয়াত পঞ্চাশ শতাংশ চাবচিডি আছে। দুই-তিনি মাহৰ ভিতৰতে এই Cold Storage ৰ কাম সম্পূৰ্ণ হ'ব আৰু ইয়াৰ ক্ষমতা হৈছে পাঁচ হেজাৰ মেট্ৰিকটন। এনেবিলাক আঁচনিৰ জৰিয়তে মই ভাৱো কৃষক সকল উপকৃত হ'ব পাৰিব। পৰম্পৰাগত কৃষি বিকাশ যোজনাৰ জৰিয়তে দহখন জিলাত দুশ বিশটা কৃষকৰ ক্লাষ্টাৰ গঠন কৰা হৈছে। মাজুলীত পঁচিশ টা ক্লাষ্টাৰ কৰা হৈছে। আমি দৰং জিলা আৰু পথৰুঘাটত কৰিছো। এনেধৰণে আমি কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰিছো। মই ভাৱো ক্ৰমান্বয়ে আমাৰ কৃষিক্ষেত্ৰতো আগবাঢ়িছে আৰু দেশৰ অন্য ৰাজ্যৰ সৈতে প্ৰতিযোগিতাত ফেৰ মাৰিব পাৰিব। আমাৰ চৰকাৰে এটা আঁচনিৰ জৰিয়তে স্থাপন কৰা লক্ষীপুৰ অৰ্গেনিক এফ পি চি নামৰ সংস্থাটোৱে আজি অনাৰস, নেমু টেঙা আদি ডুবাই লৈ ৰপ্তানি কৰিছে। আপোনালোকে জানে যে পূৰ্বতে Look East Policy আছিল কিন্তু দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই এইটোক Act East Policy. কৰিছে। He is a man of action. আৰু উত্তৰপূৰ্বাঞ্চলৰ এই বিশাল এৰিয়া যিবিলাক আমাৰ ৰাজ্যৰ কাষতে আছে। সেই ৰাজ্য বিলাকলৈ আমি খোৱা বস্তু আমদানি কৰিব পাৰিম। অধ্যক্ষ মহোদয়, APART ৰ জৰিয়তে ঠিক তেনেধৰণে কেতবোৰ ব্যৱস্থাগ্ৰহণ কৰা হৈছে। আজি কিছুদিন আগতে আমাৰ মাননীয় মুখ্যমন্ত্ৰী আমাৰ এখন ৰিভিউ মিটিং বহিছিল, সেই ৰিভিউ মিটিংত তেখেতে কৈছে যে ৰাজ্যখনৰ প্ৰতিখন জিলাৰ হেডকোৱাটাৰত একোখনকৈ ডাঙৰ অৰগেনিক মাৰ্কেট প্ৰতিষ্ঠা কৰিব আৰু তাৰ কাৰণে ব্যৱস্থা খুব অচিৰে গ্ৰহণ কৰিব। অধ্যক্ষ মহোদয় মই আকৌ গুৰুজ্যোতি দাস ডাঙৰীয়াক মই আন্তৰিক ধন্যবাদ জনাইছো। তেখেতে যে ধন্যবাদ জনাইছে ভাল হোৱা বুলি কোৱাত মই আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো, আৰু মই সদনৰ সন্মানীয় সকলো সদস্যৰ আমাৰ কৃষিক্ষেত্ৰখনলৈ আমুল পৰিবৰ্তন আনিবৰ কাৰণে তেখেত সকলৰ আন্তৰিক সহযোগিতা কামনা কৰিছো। মই আকৌ কওঁ আৰ আই ডি এফ ত যি ১ লাখ ১ হাজাৰ টিউবৱেল বহুৱাবলৈ আমি যি ব্যৱস্থা কৰিছো, চ'লাৰ ডিজেল, Electrical. , এইটো আপোনালোকে সমষ্টিয়ে সমষ্টিয়ে আপোনালোকে হিতাধিকাৰীখিনি চাই দিয়ক। কিয় কৰা নাই এই কামটো, গতিকে এই কামটো ঠিক মতে কৰিলে মই ভাবো প্ৰকৃতিৰ ওপৰত আমি আৰু নিৰ্ভৰ কৰি থাকিব নালাগে। গতিকে সেই আঁচনিখন সফলভাবে ৰূপায়িত কৰিবৰ কাৰনে আপোনালোকে বিশেষভাবে গুৰুত্ব দিয়ক। এতিয়া বিশেষভাবে সকলোৱে গুৰুত্ব দিয়ে ৫ হাজাৰ টকাটো পোৱালৈ, আচল যিটো কাম যিটোৰ পৰা আমি স্থায়ীভাবে উপকৃত হম, আমাৰ কৃষক সকল উপকৃত হ'ব সেই কামটো কৰিবলৈ কিন্তু আমাৰ কৃষক সকল আন্তৰিকতাৰে আগবাঢ়ি আহা নাই। সেই ক্ষেত্ৰত ধ্যান দিবৰ কাৰনে মই অনুৰোধ জনাইছো। আৰু যদি কিবা আসোৱাহ থাকে, আপোনালোকে এই বিষয়টো ভালকে চাব যে যিবিলাক বস্তু যায় সময় মতে গৈছে নে নাই বা ভাল বস্তু গৈছেনে নাই। আজি কিছুদিন আগতে মোৰ সমষ্টিত এখন মিটিংত মই যাওঁতে দেখিলো নেমুটেঙা দেখিলো, মই শুঙি চালো, এই বিলাক ক'ৰ পৰা আনিছিল। কলে আপোনালোকে

দিয়া। মই শুঙি চাই দেখিলো যে এইটো টো নেমুৰ গোন্ধ নহয়। কাৰণ মই গাওঁৰ মানুহ, সৰুৰ পৰাই নেমু খোৱাৰ অভ্যাস আছে কিন্তু তাতে দেখিলো যে সেইবোৰ জৰানেমু আছিল। গতিকে সেইটো অনুসন্ধান কৰা হ'ল, আৰু পিছত সেইখিনি replace কৰিলে আৰু সেই সময়ত আমাৰ ফালৰ পৰা প্ৰয়োজনীয় পদক্ষেপ গ্ৰহন কৰিলো। গতিকে অধ্যক্ষ মহোদয় এইখিনিয়ে কথা আৰু এইখিনি আলোচনা কৰিবলৈ আপুনি সুবিধা কৰি দিয়াৰ কাৰনে আপোনাক ধন্যবাদ জনাইছো আৰু সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ** -- ঠিক আছে। Thank you.ভাল হৈছে।

**শ্ৰীপদ্ম হাজৰিকা (চতিয়া)** ঃ- অধ্যক্ষ মহোদয়, Point of Order ত খুব চিৰিয়াছ কথা এটা মই দৃষ্টিগোচৰ কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। Point of Order টো ল'ম। কিন্তু ২-৩ মিণিট সময় দিয়ক ।

**শ্ৰীপদ্ম হাজৰিকা (চতিয়া)** ঃ- অধ্যক্ষ মহোদয়, Point of Order ত খুব চিৰিয়াছ কথা এটা মই দৃষ্টিগোচৰ কৰিব বিচাৰিছো। কাৰণ attempt to suicide ৰ নিচিনা এটা কথা হৈছে বিধান সভাৰ সদস্য। এই বিধান সভাৰ এজন সদস্য গৈ বাহিৰত ব্লেড দি হাত কাটি যিটো অৱস্থা কৰিছে তাত আমাৰ নিৰাপত্তাৰ কথা আছে। আমি সদনৰ মজিয়াত মোবাইল লৈ সোমাব নোৱাৰো, এখন কাটাচামুচ লৈ সোমাব নোৱাৰো , তেনে অৱস্থাত কেনেকৈ ব্লেড লৈ সোমায়? বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে কেনেকৈ হাত কাটি দিছে, হাত কাটি তেওঁলোকে যি নাটক কৰিছে তাৰ কাৰণে ব্যৱস্থা ল'ব লাগে অধ্যক্ষ মহোদয়।

( এই বিষয়লৈ সদনত হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি হয়)।

**মাননীয় অধ্যক্ষ** ঃ অলপ আগতে শিলাদিত্য দেৱে মোক এটা - Point of Order সুধিব খুজিছিল। বিষয়টো এইটোৱেই নে বেলেগ?

**শ্ৰী শিলাদিত্য দেৱ (হোজাই)** ঃ হয় এইটোৱেই আছিল ছাৰ,

**মাননীয় অধ্যক্ষ** ঃ বহক। ৰুল মতে আমি হাউচ চলাব লাগিব। Point of Order টো এটা আলোচনা চলি থাকিলে নহয়, শেষ হোৱাৰ লগে লগে হয়। সেই কাৰণে আমি ভাবিছো যে এখেতে কোৱাৰ পিছত শেষ হ'ব আৰু তাৰ পিছত Point of Order টো মই শুনিম। মই আপোনাৰ নামো লিখি থৈছো কথাটো এনেকুৱা যে আপোনালোকে কথাটো কলে, মই শুনিলো, আৰু শুনাৰ পিছত মই ক'ব নোৱাৰো যে এইটো পিছত কওঁক বুলি। কাৰণ This is a very serious matter কথাটো হৈছে, গোটেই হাউচটোৰ ইয়াত কি কাম হয়? শাসক আৰু বিৰোধী বহিব, শাসকে তেওঁলোকৰ achievement খিনি ক'ব। বিৰোধীয়ে তাত যিখিনি খুট আছে দেখুৱাব, আৰু সেইখিনি লৈ শাসকে পিছত আৰু ভাল কৰিবলৈ চাব, যদি নহয় আৰু ৰাইজে ৰায় দিব। আমি ইয়াত কোনো কথাত জিকিবও নোৱাৰো হাৰিবও নোৱাৰো। কাৰণ আমাৰ নিজৰ মেজৰেটি, মাইনৰেটি আমি সকলোৱে জানো। বিৰোধী পক্ষৰ দলপতিয়ে জানে তেওঁলোকৰ স্থিতিটো। গতিকে আমি ইয়াত কথাখিনি কব লাগিব আমি যদি ইয়াক ভাওঁনা বা থিয়েটাৰলৈ ৰূপান্তৰ কৰো তেতিয়া লাভ হ'ব জানো? আমি playing to the gallery হ'ব নালাগে। আমি কথা বিলাক ভাল দৰে ক'ব লাগে। মই সেই কাৰণে বিৰোধীদলকো কথা ক'বলৈ যথেষ্ট সময় দিওঁ। কিন্তু এতিয়া এজন সদস্যই, ৰূপজ্যোতি কুৰ্মীয়ে যে তাত গৈ ব্লেডেৰে হাত কাটিছে, এইটো যদি accidently যদি কাটিছে that is a different issue কিন্তু এইটো যদি হয়, enquiry এটা অতি সোনকালে কৰিব দিছো মই। এইটো অতি সোনকালে হ'ব। বিৰোধী দলৰ দলপতি থাকিব, সংসদীয় পৰিক্ৰমা মন্ত্ৰী থাকিব আৰু প্ৰত্যেক দলৰ যি কেইজন দলপতি আছে তেওঁলোক থাকিব।

( সদনত হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি হয়)।

**মাননীয় অধ্যক্ষ ঃ** You are not allowed to speak like this এক মিণিট এক মিণিট ৰূপজ্যোতি কুৰ্মী, you are 3rd time MLA, your mother was also MLA here. you have to listen to the Rules, please, please এক মিণিট এক মিণিট

( সদনত হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি হয়)।

**মাননীয় অধ্যক্ষ ঃ** ইয়াত আমাক সকলোৱে চাই, ইয়াত আমি ছাত্ৰ-ছাত্ৰী সকলক মাতো, যে তোমালোকে হাউচটো চোৱা আৰু শিকা। Is this way to behave? এতিয়া এইটো এটা serious matter, I am taken it very seriously. Thats why I told, after this House adjourned, মই বিৰোধী দলৰ দলপতি, বোধহয় আজি বিৰোধী দলৰ দলপতি নাই তেখেতে মোক জনাই বাহিৰলৈ গৈছে, সংসদীয় পৰিক্ৰমা মন্ত্ৰী আৰু প্ৰত্যেক দলৰ যি কেইজন দলপতি আছে they will go to my chamber and we will discuss this issue and will sort it out.এতিয়া মন্ত্ৰীডাঙৰীয়া।

**শ্ৰী ভবেশ কলিতা (জলসম্পদ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যি গৰাকী সন্মানীয় সদস্যই আপোনাৰ জৰিয়তে private members Bill ত তেখেতৰ সমষ্টিৰ কিছু বিন্দু আজি এই পৱিত্ৰ সদনত উপস্থাপন কৰিছে, আৰু াপোনাৰ জৰিয়তে জলসিঞ্চন বিভাগৰ যিকেইটা আঁচনিৰ কথা কৈছে, সেই কেইটা সময়ৰ নাটনিৰ বাবে উপস্থাপন কৰিবলৈ সক্ষম ন'হল। যি নহওক চিএম দত্ত আঁচনিখন খুব ভালদৰে চলি আছে, আৰু আশা কৰিছো যি ১০ শতাংশ কাম আধৰুৱা হৈ আছে, আমি মাৰ্চ ২০২০ চনত এই আঁচনিখন সম্পুৰ্ন কৰিবলৈ সক্ষম হ'ম। ইয়াৰ উপৰিও বেগা নামৰ আঁচনিখনৰ কাম চলি আছে আৰু ইয়াৰে প্ৰায় ৫৫ শতাংশ কাম সম্পূৰ্ণ হৈছে। বাকী থকা কামখিনি আমি অহা বিত্তীয় বৰ্ষত সম্পুৰ্ন কৰিবলৈ সক্ষম হ'ম। ইয়াৰ উপৰিও তেখেতৰ সমষ্টিত কেইবাটাওঁ আঁচনি চলি আছে। বলুপাৰা বোৰতী জলসিঞ্চন আঁচনি, মেজিপুখুৰী গভীৰ নদীবান্ধ আঁচনি, লক্ষীবান্ধ বোৰতী জলসিঞ্চন আঁচনি, ভোলানাথ বোৰতী জলসিঞ্চন আঁচনি, শাকতোলা বোৰতী জলসিঞ্চন আঁচনি । মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ যিটো সপোন, তেখেতৰ যিটো প্লেনিং সেই প্লেনিংত আমাৰ বিভাগৰ পৰা যদি যৎ কিঞ্চিৎ সহায় কৰিব পাৰো, তেতিয়া নিশ্চিতভাৱে অকল মঙ্গলদৈ নহয়, গোটেই অসমখন আগবাঢ়ি যাব, আৰু আমি তেখেতক জনাবলৈ পাই সুখী হ'ম যে ইতিমধ্যে PMKSY আঁচনিৰ অধীনত ৯০ খন চেল' টিউৱেলৰ আঁচনি এইবেলি ব্যৱস্থা কৰিছো। ইতিমধ্যে ইয়াৰ কাম আৰম্ভ হ'ব। ইয়াৰ উপৰিও অন্য ধৰণে ১৫০ খন চেল' টিউবেল আঁচনি দিম। যাৰ দ্বাৰা মঙ্গলদৈ সমষ্টিৰ কৃষক বন্ধু সকল উপকৃত হব আৰু বিধায়ক ডাঙৰীয়াৰ যিটো সপোন এই সপোন বাস্তৱত পৰিণত হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। মই ইয়াৰ পাছৰ যিহেতু প্ৰশ্নটোলৈ গৈছো। স্থগিত সংকল্প প্ৰস্তাৱত মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্ত ডাঙৰীয়াই উত্তৰ দিব। শ্ৰী ৰাজেদ আলি চৌধুৰীয়ে কথা এটা কৈছিল, মই কৈছো আপোনাক পিছত দিম। Beacuse he has already strated, his reply. Please.

**শ্ৰী কেশৱ মহন্ত, মাননীয় জলসম্পদ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ৰিপ্লাই আমি ইয়াৰ আগতে আৰম্ভ কৰিছিলো কালি। এই বিষয়টো মই পুণৰ মনত পেলাই দিছো যে, এই সংকল্প **প্ৰস্তাৱটো আছিল ঃ-**

" প্ৰাক্ স্বাধীনতা কালৰ পৰাই মহাবাহু ব্ৰহ্মপুত্ৰৰ বানে অসমত প্ৰতি বছৰে বিভীষিকাৰ সৃষ্টি

কৰি আহিছে। যাৰ ফলস্বৰূপে গড়াখহনীয়াকে ধৰি মানুহৰ ঘৰ-বাৰী, শস্য, সম্পত্তি, পশু ধন আদিৰ বিস্তৰ ক্ষতিসাধন হয়। বান আৰু গড়াখহনীয়াৰ বাবে অসমৰ আৰ্থ সামাজিক উন্নয়নৰ বাধাৰ প্ৰাচীৰ হৈ পৰিছে। সেই হেতুকে অসমৰ বান আৰু গড়াখহনীয়া সমস্যাটো ৰাষ্ট্ৰীয় দুৰ্যোগ হিচাবে স্বীকৃতি প্ৰদান কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী জনাই আজি অসম বিধান সভাত এটা সৰ্বসন্মত প্ৰস্তাৱ গ্ৰহণ কৰে লগতে বিধান সভাৰ এটা প্ৰতিনিধি দলে কেন্দ্ৰীয় চৰকাৰক সাক্ষাৎ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে"।

এইক্ষেত্ৰত ইতিমধ্যে এই প্ৰস্তাৱটো যিসকলে আনিছিল, মাননীয় বিধায়ক শ্ৰী ৰূপজ্যোতি কুৰ্মী, শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, শ্ৰী জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়া, শ্ৰী হাফিজ বচিৰ আহমেদ ডাঙৰীয়া, শ্ৰী আমিনুল ইছলাম ডাঙৰীয়া আৰু শ্ৰী বৃন্দাবন গোস্বামী ডাঙৰীয়া। এখেতসকলে এই প্ৰস্তাৱটো আনিছিল আৰু এই প্ৰস্তাৱৰ ওপৰত তিনিদিন ধৰি ইতিমধ্যে আলোচনা হৈছে। প্ৰথম আলোচনা হৈছিল ২৬-০৭-২০১৯ জুলাই তাৰিখে। তাৰপিছত আলোচনা হৈছিল ৩০-০৭-২০১৯ তাৰিখে। তাৰ পাছত আজি আলোচনা হৈছে, যোৱা শুক্ৰবাৰে ডাঃ ৰণোজ পেগু ডাঙৰীয়াই ইয়াত বক্তব্য ৰাখিছিল আৰু বাকী ইয়াৰ পূৰ্বে ইয়াত ১৩ জন সন্মানীয় বিধায়কে ইয়াৰ ওপৰত সৰ্বমুঠ ১৪ জন বিধায়কে বক্তব্য ৰাখিছিল। তেখেতসকলৰ বক্তব্যত অহা বিষয় কেইটা মোৰ বক্তব্যত চুই যাম আৰু তাৰ আগতে মই দুই এটা কথা আপোনালোকক দাঙি ধৰিব বিচাৰিছো। ভাৰত বৰ্ষৰ ভিতৰতে আমাৰ ৰাজ্যখন এখন বান বিধস্ত ৰাজ্য। আমাৰ ইয়াত বান পানীৰ সমস্যা বা গড়াখহনীয়াৰ সমস্যা কেনেকৈ সমাধান নহয় বা ই জটিল, প্ৰথম কথা আমি সকলোৰে উপলব্ধি কৰিব লাগিব। আমাৰ ইয়াত দুটা উপত্যকা ব্ৰহ্মপুত্ৰ উপত্যকা আৰু বৰাক উপত্যকা। এই ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকা মিলি ১২১ খন উপ-নদী। এই ১২১ খন উপ-নদীৰ ভিতৰত মাত্ৰ ৩ খন উপ-নৈ, ডিমাহাচাওৰ পৰা ওলোৱা জাতিংগা, মদুৰা আৰু চিৰি। ইয়াৰ বাহিৰে বাকী সকলো উপ-নৈৰ যিটো _sourse, ইয়াৰ sourse টো অসমৰ ভিতৰত আছে বাকীবিলাকৰ উৎসবিলাক ৰাজ্যৰ বাহিৰত আৰু ৰাষ্ট্ৰৰো বাহিৰত। আমি যদি চাও, ৰাষ্ট্ৰৰ বাহিৰৰ পৰা যিবিলাক উপ-নৈ ওলাইছে। যেনে ওচৰৰে ভূটানৰ পৰা ওলাইছে, পুঠিমাৰী, মানাহ, আইনদী, বেকী, সংকোচ, পাগলাদিয়া এইবিলাক। তাৰবাদে বাকীখিনি অৰুণাচল প্ৰদেশৰ পৰা সোৱণশিৰি, ৰঙানদী, ডিক্ৰুং, বুৰৈ, বৰগাং, জিয়াভৰলী, ধনশিৰী এখন উত্তৰ ফালৰ আছে আৰু বুঢ়ীদিহিং আৰু নদিহিং। ঠিক তেনেকৈ নাগালেণ্ডৰ পৰা ওলাইছে ধনশিৰি, দিচাং, দিখৌ, ধনশিৰী (দক্ষিণ) আৰু ভোগদৈ। মেঘালয়ৰ পৰা ওলাইছে কপিলী, কলহি, কৃষ্ণাই, দুধনৈ আৰু জিঞ্জিৰাম। ঠিক তেনেকৈ বৰাক উপত্যকাতো মিজোৰামৰ পৰা আহি পৰিছে সোণাই, ৰুক্নীপনী, ধলেশ্বৰী যিটো আমি কাটাকাল কওঁ, লাঙ্গাই আৰু শিঙলা। মণিপুৰৰ পৰা ওলাইছে জিৰি আৰু মেঘালয়ৰ পৰা বৰাকৰ পৰা উপ-নৈ হিচাপে হৈছে গোমৰা আৰু বলেশ্বৰ। এইখিনি মই মূল নদী কেইখনৰ কথা কৈছো। সৰ্বমুঠ ১২১ খন উপ-নৈ আছে। এতিয়া অসমৰ যিটো বান খহনীয়াৰ সমস্যা ইয়াত আমি দেখি আছো যে অসমৰ মুঠ মাটিকালি যিখিনি আছে, সেই মাটিকালিৰ ৩১৫০০ বৰ্গ কিলোমিটাৰ। প্ৰায় ৩২ হাজাৰবৰ্গ কিলোমিটাৰত ইয়াত বান পানীৰ প্ৰভাৱ পৰে। এইটো যদি চাও, মুঠ মাটিকালিৰ শতকৰা ৪০ শতাংশই বানপানীৰ কবলত পৰে আৰু গোটেই ৰাষ্ট্ৰৰ ভিতৰত তেতিয়াহ'লে প্ৰায় শতকৰা ১০ শতাংশ গোটেই ভাৰতবৰ্ষৰ ভিতৰত বানপানীৰ এলেকা আমাৰ ইয়াতে আছে। গতিকে এই যিখিনি সমস্যা, এই সমস্যাখিনি আপোনালোকে ভালকৈ জানে। ১৯৫০ চনৰ পৰা এই সমস্যাটো বাঢ়িছে এইকাৰণে যে ইয়াত প্ৰায় ৪ লাখ ২৭ হাজাৰ হেক্টৰ মাটি ইতিমধ্যে বানপানীৰ গড়াখহনীয়াত গৈছে। এইটো সৰ্বমুঠ মাটিকালিৰ প্ৰায় শতকৰা ৮ শতাংশ ৭.৪। গতিকে

এইখিনি মাটি গড়াখহনীয়াত নদীৰ বুকুত জাহ গৈছে। এই যিখিনি সমস্যা, এই সমস্যাখিনি আমাৰ বেলেগ ৰাজ্যতকৈ বহুখিনি বেলেগ। বেলেগ ৰাজ্যৰ লগত এইখিনি তুলনা কৰিব নোৱাৰি আৰু এই সমস্যা সমাধান কৰিবলৈ ১৯৫৪ চনত ৰাষ্ট্ৰীয় বান আয়োগ হৈছিল আৰু ৰাষ্ট্ৰীয় বান আয়োগ হোৱাৰ পাছত ইয়াত কিছু তৎক্ষণিক ব্যৱস্থা হৰ্ষম্যাদী ব্যৱস্থা, দীৰ্ঘম্যাদী ব্যৱস্থা, এনেধৰণে কিছু ব্যৱস্থা আমাৰ ইয়াত লোৱা হৈছিল। এতিয়া সেইমতে মাথাউৰি নিৰ্মাণ কৰা হ'ল ৪ হাজাৰ ৪ শ ৭৪ কিলোমিটাৰ আৰু ইয়াত আমাৰ এতিয়া চুইছ গেটৰ সংখ্যা ৬ শ ৪২ খন। ইতিমধ্যে গড়াখহনীয়ামূলক আঁচনিত প্ৰায় ৯ শ ৪৮ খন গড়াখহনীয়া আঞ্চিলিক লৈছো আৰু drainage নিৰ্মাণৰ ক্ষেত্ৰতো আমি আঁচনি লৈছে। চিগা মাথাউৰি পুনৰ নিৰ্মাণৰ কাম আপোনালোক সকলো সন্মানীয় বিধায়কে জানে, চলি আছে। এইবছৰো আমি লৈছো। গতিকে এই সমস্যাটো আমাৰ ৰাষ্ট্ৰৰ বেলেগ ৰাজ্যৰ নিচিনা সমস্যা নহয়। গোটেই অসমখন হৈছে এটা বেচিন আৰু আমাৰ কাষত থকা ৰাজ্য বিলাক আৰু চীন দেশকে ধৰি, ভূটানকে ধৰি যিবিলাক বেলেগ ৰাষ্ট্ৰ আছে তাৰ পৰা সকলো নদী অসমৰ বুকুৰেদি বৈ গৈ হয়তো এতিয়া বংগোপ সাগৰত পৰিছে। গতিকে গোটেই বেচিনটো হৈছে অসম। গতিকে ইয়াৰ যিখিনি সমাধান, এই সমাধানৰ পথটো প্ৰশস্ত কৰা ইমান সহজ হৈ থকা নাই। এতিয়া আমি এই সমস্যা খিনি সমাধান হোৱাৰ ক্ষেত্ৰত কিছু ব্যৱস্থা এইবাৰ গ্ৰহণ কৰিছো। আপোনালোকে ভালকৈ জানে যে প্ৰথমবাৰৰ কাৰণে যোৱা জুলাই মাহত হোৱা বিধান সভাত আমাৰ নতুন এটা head মুকলি কৰিছে সেইটো হৈছে SOPD FDR. যিটো General SOPD ৰ ওপৰিও S.O.P.D. (F.D.R.) বুলি এটা Head খোলা হৈছে আৰু সদ্যহতে আমাৰ অন্যান্য বিভাগক দিয়াৰ উপৰিও আমাৰ জলসম্পদ বিভাগক ২০০ কোটি টকা দিছে। এতিয়া এই ২০০ কোটি টকাৰ ক্ষেত্ৰত আমি অগ্ৰাধিকাৰৰ ভিত্তিত কিছু আঁচনি লৈছো। অগ্ৰাধিকাৰ ভিত্তিৰ আঁচনিটো এনেকুৱা যে - য'ত ইতিমধ্যে মথাউৰি ভাঙিছে,আগৰ মথাউৰি ভঙাটো আমি S.D.R.F ৰ পইচাৰে মেৰামতি কৰি দিছিলো, সেই ভঙা অংশ খিনি। এতিয়া থিক কৰা হৈছে S.O.P.D. (F.D.R.) ৰ যি ধন ধাৰ্য কৰা হৈছে তাত মথাউৰি ভগা অংশলৈ মথাউৰিটো যিখিনি বেয়া হৈ আছে সেইখিনি মেৰামতি নহয় পুনৰ নিৰ্মাণ কৰা হৈছে। এইটো হৈছে আগৰ আঁচনিৰ লগত ইয়াৰ পাৰ্থক্য। পুনঃ নিৰ্মাণ কৰাৰ বাবে প্ৰাককলন প্ৰস্তুত কৰা হৈছে আৰু প্ৰাককলন প্ৰস্তুত কৰাৰ এইয়ে নহয় যে আমাৰ জলসম্পদ বিভাগত আপোনালোক সন্মানীয় বিধায়ক সকলে গম পায় যে - আগতেআমাৰ জলসম্পদ বিভাগত উন্নত ব্যৱস্থাৰে প্ৰাককলন প্ৰস্তুত কৰা হোৱা নাছিল। তেতিয়াৰ দিনত মেৰামতি কৰোতে মাটি পেলোৱাৰ পাচত হাতীৰে গচকাইছিল। এতিয়া সেইদিনটো পাৰ হল, এতিয়া আৰু সেই ব্যৱস্থা নাই। এইবাৰ আমি পোন প্ৰথম বাৰৰ বাবে ঠিক কৰিছো যে- যেনেকৈ পি, ডাবলিউ, ডি ৰ ৰাস্তা বা নেচনেল হাইৱেৰ ৰাস্তা বনাওতে মাটি পেলোৱাৰ লগে লগে ৰোলাৰ চলাই ঠিক তেনেদৰে মাটি পেলোৱাৰ লগে লগে ৰোলাৰ চলোৱাৰ ব্যৱস্থা কৰা হৈছে অৰ্থাৎ ৰোলাৰৰ আইটেমটো এইবাৰ অন্তঃৰ্ভুক্ত কৰা হৈছে। ৰোলাৰ চলোৱাৰ পাচত চেগু গ্ৰেভেল দিয়াৰ কথা ঠিক কৰা হৈছে। তাৰোপৰি, যি অঞ্চলত মথাউৰিটোৰেই একমাত্ৰ পথ আন কোনো বিকল্প পথ নাই, সেই অঞ্চলত মথাউৰিটোকেই পকী পথলৈ ৰূপান্তৰ কৰাৰ কথা ভবা হৈছে। সেইবাবে মথাউৰিটোত তৰপে তৰপে মাটি দিয়াৰ পাচত প্ৰতি তৰপতে ৰোলাৰ মাৰি শেষত চেগু গ্ৰেভেল দি সম্পূৰ্ণ পকীপথলৈ ৰূপান্তৰ কৰিব বিচাৰিছো আৰু এটা কথা মথাউৰিৰ ক্ষেত্ৰত আপোনালোকে বালিৰে গাঁথা বুলি কয়, কিন্তু নদীৰ পাৰত ৪ - ৫ কিঃ মিঃ দূৰলৈকে মাটি নাথাকে কেৱল বালিহে থাকে। উজনি অসমৰ যিখিনি নদী আছে লগতে বৰাকৰ ক্ষেত্ৰতো কিছু টান মাটি আমি পাওঁ, কিন্তু ব্ৰহ্মপুত্ৰৰ ওচৰ- পাজৰ আৰু ব্ৰহ্মপুত্ৰৰ একেবাৰে

কাষত কেতিয়াও তেনেধৰণৰ মাটি পোৰা যোৰা নাই। গতিকে সেই ক্ষেত্ৰত মাটিটো সম্পূৰ্ণ কমপেক্ট হ'বলাগিব আৰু সেই মথাউৰিটো যাতে যিকোনো প্ৰকাৰে খহি যাব নোৱাৰে।

তাৰ উপৰিও আমি থিক কৰিছো যেনেকৈ পি,এম,জি,এছ,ৱাইৰ ৰাস্তা ৫ বছৰলৈ মেইনটেনেঞ্চ কৰিব লাগে, তেনেকৈ ঠিকাদাৰে ৩ বছৰলৈ মথাউৰিটো মেইনটেনেঞ্চ কৰিব লাগিব। ৩ বছৰৰ ভিতৰত বৰষুণ বা অন্য ধৰণে যি ক্ষয়-ক্ষতি হ'ব, সেই ক্ষয়-ক্ষতিৰ ক্ষেত্ৰত তেওঁলোকে সম্পূৰ্ণ মেৰামতি কৰি দিব লাগিব। আমি ভাৰিছো তিনি বছৰলৈ এটা মথাউৰি শক্তিশালী হৈ থাকিব। আগতে যদি ক'ৰাবত মথাউৰি ভাগিছিল তাত ২ কোটি, ৩ কোটি টকাকৈ খৰচ হৈছিল, এতিয়া যিহেতু খৰচৰ সংখ্যা বাঢ়িছে গতিকে আমি কৰবাত একেলগে ৫১ কোটি ৫৯ কোটি, ৬৯ কোটি টকালৈকে খৰচ কৰিব লগীয়া হৈছে। যিমানখিনি ভগা মথাউৰি আছে, তাৰ ভগা অংশৰ লগত বাকী সকলোখিনি পুনৰ নিৰ্মাণ কৰাৰ কাৰণে আমি ঠিক কৰিছো। এইটো আমাৰ কাৰণে নতুন আঁচনি গতিকে এই নতুন আঁচনি আমি ৰূপায়ণ কৰিবলৈ দিছো আৰু তাৰ কাৰণে টেণ্ডাৰ প্ৰভিজন বিলাকো সলনি কৰা হৈছে। ইয়াত ডাঙৰ ডাঙৰ গ্ৰুপ কৰা হৈছে, যাতে সৰু সৰু গ্ৰুপ নহয়। এতিয়া আমি কিছুমান কথা কৈ যাব লাগিব কাৰণ আগৰ চৰকাৰৰ দিনত ২০১১-১২ চনত এফ, এম, বিৰ পুৰণা আঁচনি ৰূপায়ণ কৰিছিল, একোটা একোটা মথাউৰি নিৰ্মাণৰ কামত প্ৰায় ডেৰশ - দুশ - আঢ়ৈশ ঠিকাদাৰক জড়িত কৰা হৈছিল ফলত সেই ঠিকাদাৰ সকলৰ এজন বা দুজনে কাম নকৰিলে কামটো আধৰুৱা হৈ থাকে আৰু তেতিয়া আমি কেন্দ্ৰীয় চৰকাৰক সেই কামটো সম্পূৰ্ণ হোৱা বুলি দেখুৱাৰ নোৱাৰো, কাৰণ ইউ. চি. দিব নোৱাৰো আৰু ইউ, চি নোহোৱাকৈ বিলো বনাব নোৱাৰো, অৱশেষত ই এটা ওলমি থকা অৱস্থাত থাকে। আমি এতিয়া ঠিকাদাৰৰ সংখ্যা কমাবলৈ বিচাৰিছো আৰু ঠিকাদাৰৰ সংখ্যা কমাই ইয়াত ডাঙৰ গ্ৰুপ বনাই চিফ ইঞ্জিনিয়াৰ পৰ্য্যায়ত টেণ্ডাৰ কৰি কাম বিলাক সম্পূৰ্ণ কৰিব বিচাৰিছো। তাৰ বাবে টেণ্ডাৰৰ কামো অৰম্ভ কৰা হৈছে। আগতে এল -১ যদি ৫জন হলে ৫ জনকে কাম দিব লগীয়া হৈছিল । গতিকে নিম্নতম সীমা দহ শতাংশ কৰি দিছিলো, এতিয়া দহ শতাংশটো ফিক্স কৰিব বিচৰা নাই। যেনেকে গড়কাপ্তানী বা অন্য বিভাগত এজনেই ঠিকাদাৰ হয়, ঠিক তেনেদৰে ইয়াতো কাম হ'ব। যিখিনি সা-সজুলিৰ দৰকাৰ সেইখিনি থাকিব লাগিব আৰু সেইমতে কাম বিলাক কৰিবলৈ আমি টেণ্ডাৰ কৰিছো আৰু সময়ৰ ভিতৰত তেওঁলোকে কাম সম্পূৰ্ণ কৰিব লাগিব আৰু তেনে ধৰণে এই আঁচনিখিনি লোৱা হৈছে। পৰবৰ্তী সময়ত আমি যিখিনি প্ৰাককলন এই আঁচনিখনৰ ক্ষেত্ৰত প্ৰস্তুত কৰিম সেইখিনিও আমি এনে ধৰণে ৰূপায়ণ কৰিবলৈ আগবাঢ়িম। এতিয়া হয়তো আপোনালোকে দেখিব এটা মথাউৰিত ৰোলাৰ মাৰি আছে আৰু এটা মথাউৰিত হয়তো মাটি পেলাই আছে, কাৰণটো হল- সেই আঁচনিখন হয়তো আগতেই গ্ৰহণ কৰা হৈছিল আৰু এডমিনিষ্ট্ৰেটিভ এপ্ৰোভেল হৈ গল গতিকে তাত আমাৰ এই কামটো কৰিবলৈ অসুবিধা হব। এই যি নতুন পদ্ধতি আৰম্ভ কৰা হৈছেপৰবৰ্তী সময়ত সকলো কামেই এনে ধৰণেৰে কৰিবলৈ চেষ্টা কৰিছো আৰু এনে ধৰণে কৰি জলসম্পদ বিভাগত এটা আমূল পৰিবৰ্তন আনিছো। আমি কাম দিয়াৰ ক্ষেত্ৰত, কামৰ কোৱালিটিৰ ক্ষেত্ৰতো পৰিবৰ্তন আনিছো আৰু ইয়াত আপোনালোক সকলোৰে সহযোগিতা বিচাৰিছো। এতিয়া আৰু এটা কথা হৈছে যে - আমি যত যত মথাউৰি ভাঙিছে সেইখিনি আমি ঠিক কৰিলো। যিবিলাক মথাউৰিৰ এফাল এফাল খহাই লৈ গৈছে, ওপৰেদিও হয়তো পানী পাৰ হৈছে তেনেকুৱা পৰিস্থিতি য'ত য'ত হৈছে তাৰ বাবেও আমি প্ৰাককলন প্ৰস্তুত কৰি বিত্ত বিভাগলৈ প্ৰেৰণ কৰিছো। গতিকে এইটো বিত্ত বিভাগৰ ওপৰত নিৰ্ভৰ কৰিব। বিত্ত মন্ত্ৰী ডাঙৰীয়াই এইবাৰ জলসম্পদ উন্নয়নৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছে। তেখেতে জলসম্পদ

আৰু বিত্ত বিভাগৰ বিষয়া সকলৰ লগতে কণচাৰ্ণড উপায়ুক্তক লৈ বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ স ভাপতিত্বত এখন সমিতি গঠন কৰি দিছে। ময়ো তাত মেম্বাৰ হিচাপে আছো। আগতে ফাইলটো তলৰ পৰা ওপৰলৈকে বহু দিন বগাই ফুৰিছিল। এতিয়া বিত্ত মন্ত্ৰী ডাঙৰীয়াই ঠিক কৰিছে যে সমিতিৰ মিটিং খনতেই প্ৰাককলন আনিব, পাৱাৰ পইন্ট প্ৰেজেন্টেচন হব, তাত আমি সকলো উপস্থিত থাকি আমাৰ মতামত ব্যক্ত কৰিম। সেইদিনাখনৰ মিটিঙৰ মাইনোটচৰ সিদ্ধান্ত খিনিয়েই এপ্ৰোভেলৰ কাৰণে যাব আৰু যদি বিত্ত বিভাগে এডমিনিছট্ৰেটিভ এপ্ৰোভেল নিদিয়ে, তেতিয়া সমিতিয়ে বিভাগক কব পাৰিব যে, যিহেতু সিদ্ধান্ত লোৱা হল আপোনালোকে এডমিনিছট্ৰেটিভ এপ্ৰোভেল দি দিয়ক। গতিকে এই যিটো সবলীকৰণ কৰিছে তাৰ কাৰণে মই বিত্ত মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। আজি এই সবলীকৰণৰ কাৰণে এই গোটেই কামখিনি খৰটকীয়াকৈ কৰিবলৈ সুবিধা হৈছে আৰু এটা দুটা বাকী আছে, গোটেইখিনি হৈ যাব। বাকী repair কৰিব লগীয়া যিবিলাক আছে, সেই ফাইলটো ইতিমধ্যে চৰকাৰৰ বিত্ত বিভাগলৈ দিছো। গতিকে আশা কৰিছো বিত্ত বিভাগে সেইখিনি consider কৰিলে, সেইবিলাক আমি মেৰামতি কৰিব পাৰিম। গতিকে আমি আশা কৰিছো যে অহাবাৰলৈ নভঙাকৈ ৰক্ষা কৰিব পাৰিম। ইতিমধ্যে এইখিনিৰ ব্যৱস্থা কৰিছো আৰু ইয়াৰ গোটেই বিষয়টো আপোনালোকৰ আগত অৱগত কৰিবলৈ পাই সুখী হৈছো।

ইয়াৰ ওপৰিও আমাৰ কিছু টকা পইচা general SOPD ত আছে, সেইখিনিও আমাৰ মাননীয় বিধায়ক সকলে গম পাইছে। আমি প্ৰায়খিনি ঠাইতে দিছো। নাৰ্বাডৰ পৰা আমি একশ কোটি টকা পাইছো, সেইখিনি দিছো আৰু SDRF ৰ পৰাও প্ৰায় দুইশ বা আঢ়ৈশ কোটি টকা হ'ব। আমি তাতো কিছু আঁচনি অন্তৰ্ভূক্ত কৰিছো। মাননীয় অধ্যক্ষ মহোদয়ে কথাটো উল্লেখ কৰিছিল যে আমাৰ সন্মানীয় বিধায়ক, তেখেতৰ সমষ্টি ফৰিকাগঞ্জ নাজিৰাঘাট, যি অঞ্চলত ১৫ আগষ্ট তাৰিখে ধুবুৰীত পতকা উত্তোলন কৰাৰ পিছত তেখেতৰ লগত আমি একেলগে নাঁৱৰে গৈছিলো আৰু দেখিছিলো যে যথেষ্টখিনি ঘৰ দুৱাৰ বজাৰ খহাই লৈ গৈছে। ঘৰ দুৱাৰ বজাৰ খহাই নিয়াৰ পিছত ওচৰৰ এখন বজাৰৰ মানুহৰ লগত মত বিনিময় কৰিলো। তেখেতে পিছত জনালে যে য'ত মিটিং কৰিছিলো, সেইখন বজাৰো উটি গ'ল, সেইখনো নাই। তাৰমানে আগষ্ট মাহৰ ১৫ তাৰিখৰ পিছত আৰু এটা অঞ্চল কমেও আধা কিলোমিটাৰ তাৰ পৰাই লৈ গ'ল। ইয়াত আমাৰ কেইটামান সমস্যা আছে। তাৰমানে যেতিয়া কিছুমান আঁচনি লবলৈ যাওঁ, SDRF ৰ পৰা লবলৈ গলে, তেতিয়া তাত পুৰনা infrastructure থাকিব লাগিব।পুৰনা infrastructure নাথাকিলে তাত SDRF য়ে পইচা অনুমোদন নকৰে।

তাৰ পিছত আহিল SOPD FDR, তাত ভাঙিছে যদিহে পইচা দিব। গতিকে তাত কিছুমান লিমিটেচন আছে, অন্য ফালৰ পৰাও আছে। তথাপিও, সেই অঞ্চলটোত আমি কিছু protection ৰ কাম কৰিছো। ৰাইজে ক'লে নহয়, পাৰকুপাইন দিলে নহব। এতিয়া তাত পাৰকুপাইন বা জি'ও টেক, তাত বৃহৎ কাম কৰাৰ কাৰণে এই limitation প্ৰস্তুত কৰাৰ কাৰণে আঁচনিটো প্ৰস্তুত কৰাৰ দিগদাৰ হৈ পৰিছে। তথাপিও, SDRF ত দ্বাৰা আমি দুটা আঁচনি ধৰিছো, সেই দুটা আঁচনিৰ দ্বাৰা তেখেতৰ সেই অঞ্চলটোত কিছু কাম কৰিব পাৰিম। তাত যিমানখিনি demand হৈছে, সিমানখিনি কাম কৰিব পৰা নাযাব পাৰে। কিন্তু আমি তাত proposal দিছো, সেইটোৰ কাম আগবাঢ়িছে। সেইটো হৈছে Asian Development Bank (ADB) ৰ trance - 2 ইয়াত হৈ আছে, সেইটো ২০২০ চনৰ মাৰ্চ মাহত শেষ হ'ব। ২০২০ চনৰ বিত্তীয় বৰ্ষৰ পৰা trance - 3 আৰম্ভ হ'ব। আমি চাই আহিলো আৰু দেখি উপলিদ্ধ কৰিলো যে ইয়াত trance -

3 টোৰ দৰকাৰ আছে। গতিকে ২৫০ কোটি টকাৰ তাত আঁচনি দিছো আৰু সেইটো আমি লিমিটৰ ভিতৰত এই আঁচনিটো অৰ্ন্তভূক্ত কৰা হৈছে। যদি ২৫০ কোটি টকাৰ তাত আঁচনি ৰূপায়ণ হয়, আপুনি ভালকৈ জানে যে ADB বা World bank ৰ কাম একেবছৰতে আমাৰ নিচিনাকৈ খৰতকীয়াকৈ নহয়, কিন্তু এই কথাটো যদি অৰ্ন্তভূক্ত হয়, তেওঁলোকৰ DPR বনোৱাৰ ব্যৱস্থাটো অহা বিত্তীয় বৰ্ষত হ'ব পাৰে গতিকে ভৱিষ্যতে এটা স্থায়ী কাম হ'বৰ কাৰণে যি প্ৰক্ৰিয়া আৰম্ভ কৰিব লাগে, সেই প্ৰক্ৰীয়াটো আমি আৰম্ভ কৰিছো আৰু কিছু সকাহ পাবৰ কাৰণে ইয়াত আঁচনি ধৰা হৈছে। এইটো মই বিশেষভাৱে মাননীয় অধ্যক্ষ মহোদয়ে কোৱাৰ কাৰণে মাননীয় সদস্য ওৱাজেদ আলি চৌধুৰী ডাঙৰীয়াৰ বিষয়টো ইয়াত দাঙি ধৰিলো।

ইয়াৰ পিছত সেইদিনা যিখিনি কথাৰ বক্তব্য দি গ'ল, প্ৰত্যেকজন বক্তাৰ বক্তব্য মই নোট কৰি গৈছো আৰু তেখেতসকলৰ ক্ষেত্ৰত মই দুই এটা কথা উনুকিয়াই যাবলৈ বিচাৰো। মই সকলোখিনি উত্তৰ দিবলৈ প্ৰস্তুত আছো, কিন্তু সময়ৰ নাটনি। সেইদিনা যিটো বিষয় ইয়াত আৰম্ভ হৈছিল, সেই বিষয়টো আৰম্ভ কৰাৰ সময়ত আমাৰ সন্মানীয় সদস্য ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই প্ৰথমতে উল্লেখ কৰিছিলে যে জনসম্পদ বিভাগৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰৰ জলক্ষেত্ৰ তাৰমানে Hydrological data ৰ ক্ষেত্ৰত তেখেতে কৈছিল যে এইখিনি কেনেকৈ পাওঁ বা কি হৈছে। Hydrological data ৰ ক্ষেত্ৰত আমি চীনদেশৰ পৰা আগতে ডাটা পোৱা নাছিলো। আপোনালোকৰ মণত আছে চাগে ব্ৰহ্মপুত্ৰৰ পানী ঘোলা হৈছিলে। ঘোলা হোৱাৰ সময়ত আমি কেন্দ্ৰীয় চৰকাৰৰ লগত পুনৰবাৰ আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতে যোগাযোগ কৰিলো । তেতিয়া Foreign Affairs Minister & Prime Minister দুয়োজনৰ লগতে যোগাযোগ কৰা হ'ল আৰু যোগাযোগ কৰাৰ পিছতে কেন্দ্ৰীয় চৰকাৰে চীনদেশৰ লগত যোগাযোগ কৰিলে। আমাৰ প্ৰধান মন্ত্ৰী আৰু Foreign Affairs Minister ৰে পোনপতীয়া ভাৱে আলোচনাত চীনদেশৰ লগত মিলিত হ'ল, তেতিয়া তেওঁলোকে অনুমোদন কৰিলে আমাক দিম বুলি। এতিয়া সেই ডাটাটো কেন্দ্ৰীয় চৰকাৰলৈ পঠাই দিব আৰু আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা লোৱাৰ এটা অৱস্থা যোৱা বছৰৰ পৰা হৈছে। তাৰ আগতে আমি চীনদেশৰ পৰা একো communication পোৱা নাছিলো।

তাৰপিছতে মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই আৰু এটা কথা উল্লেখ কৰিলে সেইটো হৈছে যে আমাৰ মথাউৰি সমূহ বিজ্ঞানসন্মতভাৱে নিৰ্মান হোৱা নাই আৰু তাৰ কাৰণে অতি সোনকালে ভাগি যায়। মই অলপ আগতে কৈ গলো যে আমি এতিয়া গোটেই মথাউৰিবিলাক PWD ৰ ৰাস্তা বনোৱাৰ দৰে বনাবলৈ এইখিনি প্ৰচেষ্টা হাতত লৈছো।

তাৰপিছতে মাননীয় সদস্য বৃন্দাবন গোস্বামী ডাঙৰীয়াই কৈছিলে যে ব্ৰহ্মপুত্ৰ নদীৰ বানপানী আৰু গৰাখহনীয়াৰ সমস্যা স্থায়ী সমাধানৰ বাবে অকল ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰাটো সম্ভৱপৰ নহয়, ইয়াৰ অসম চৰকাৰে সকলো চুবুৰীয়া ৰাজ্যক সামৰি লৈ এটা সামগ্ৰীক ব্যৱস্থাপনা প্ৰতিষ্ঠান গঠনৰ বাবে প্ৰস্তাৱ জনাই আহিছে। মই আপোনালোকক এটা কথা দাঙি ধৰিব বিচাৰিছো যে এইক্ষেত্ৰত কিছু অগ্ৰসৰ হৈছো। যেতিয়া ২০১৭ চনৰ বানপানীৰ সময়ত ইয়ালৈ মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই বানপানীৰ বুজ লবলৈ আহিছিল, সেইসময়ত আমাৰ মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই এক বিশেষ ভূমিকা লৈছিল যিটোৰ কাৰণে আমি উত্তৰ- পূৰ্ব্বাঞ্চলৰ সকলো কেইখন ৰাজ্যক সামৰি আজি পৰিকল্পনা কৰিবলৈ আগবাঢ়িব পাৰিছো। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই ২০১৭ চনৰ আগষ্ট মাহত আহিছিল তাৰ পিছৰ পৰাই কেন্দ্ৰীয় চৰকাৰে এটা বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে।

ইয়াৰ পিছত ইয়াত বক্তৃতা ৰাখিছিল সন্মানীয় সদস্য শ্ৰী হাফিছ বছিৰ আহমেদ ডাঙৰীয়া

তেখেতে river traning works ৰ কাম বিভাগে হাতত লৈছে যাৰ কাৰণে নদীৰ কাষৰীয়া অঞ্চলৰ সাময়িক ভাৱে খহনীয়াৰ পৰা সকাহ পাইছে, এনেধৰণৰ বক্তব্য তেখেতে দাঙি ধৰিছিল। তাৰ পিছতে আমাৰ আমিনুল ইছলাম ডাঙৰীয়াই কলং ৰ পুনৰ জীৱিতৰ বিষয়ে দাঙি ধৰিছিল আৰু মাজুলীৰ বান খহনীয়াৰ ওপৰত বক্তব্য ৰাখিছিল। কলঙৰ ক্ষেত্ৰত মই কৈ যাব বিচাৰিছো কলং খনৰ ক্ষেত্ৰত ইতিমধ্যে আমাৰ নতুন প্ৰাক্কলন ঠিক হৈছে। গতিকে এই প্ৰাক্কলন আমি অতি সোনকালে পাম পালে এই কলঙৰ পুনৰ জীৱিতৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইয়াৰোপৰি জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই এটা কথা দাঙি ধৰিছিল এই যিটো Mines and Mineral Department আছে, এই বিভাগৰ সলনি জলসম্পদ বিভাগত নদীৰ বালীৰ কতৃত্ব দিব লাগে। এই ক্ষেত্ৰত আমি এটা ফাইল চৰকাৰৰ ভিতৰত জলসম্পদ বিভাগৰ পৰা দিয়া হৈছে কিন্তু ইয়াৰ ডাঙৰ মূল সমস্যাটো হৈছে কি আমাৰ ক'ত সমস্যা হয় আমি বালি হয় কেতিয়াবা পাৰ্কুপাইন নহয় কেতিয়াবা জিঅ' বেগ কৰাবলৈ এইবিলাগ দি নদীৰ স্বীলটিং কৰো আৰু আমাৰ অজ্ঞাতে বন বিভাগ বা Mines and Mineral Department য়ে সেই আমি যিখিনি বালি পইচা খৰছ কৰি আঁচনি লৈ গোটোৱালো, সেই বালিখিনি খাণ্ডি তাৰ পৰা লৈ যায়। এতিয়া ঠিকাদাৰক দি দিয়ে। সেই কথাটো লৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা বিশেষ ব্যৱস্থা লৈছে আটাইকেইটা বিভাগক একে লগ কৰিছে আৰু এই বালিৰ কতৃত্ব আৰু আমাৰ বিশেষকৈ বি টি এডি এলেকাত কাৰ্বি আংলং এলেকা আৰু ডিমাহাচাও এলেকাত তাত কি হয় যে যিখিনি পাথৰ আমি পাৰটো বান্ধিবলৈ দিও সেই পাথৰ খিনিকে পাথৰ বিক্ৰী কৰা ঠাইত একেবাৰে জে চি বি লগাই উঠাই লৈ গুছি যায় ঠিকাদাৰে, ই হৈছে আনিথোৱা পাথৰ। গতিকে তেনেকুৱা ক্ষেত্ৰত জলসম্পদ বিভাগৰ কৰি থোৱা কামো তাৰ পৰা হোৱা আমি দেখিছো। গতিকে এই ইয়াত পাথৰ সমস্যা আৰু ব্ৰহ্মপুত্ৰত হৈছে বালিৰ সমস্যা। গতিকে এই ক্ষেত্ৰত ইয়াৰ কতৃত্বটো জলসম্পদ বিভাগক দিবৰ কাৰণে ইতিমধ্যে আবেদন কৰিছো। তাৰপিছতে ইয়াত আমাৰ ভূৱন পেগু ডাঙৰীয়া তেখেতে কেইটামান পৰামৰ্শ আগবঢ়াইছিল যে Hydel project and Downstream impactৰ Assesment হোৱাটো একান্তই বাঞ্ছনীয়। গতিকে এই ক্ষেত্ৰত আমি কিছু ব্যৱস্থা ইতিমধ্যে গ্ৰহণ কৰিছো আৰু NHPC কতৃপক্ষৰ সোৱনশীৰি বান্ধৰ নামনিত যিটো গড়াখহনীয়া প্ৰতিৰোধৰ কথা তেখেতে কৈছে গতিকে আমি এইখিনি কথাটো কিছু ব্যৱস্থা ল'বলৈ আগবাঢ়িছো। এই ক্ষেত্ৰত যিটো অধ্যয়ণ কৰিবলগীয়া আছে সেই অধ্যয়ন কৰিবলৈও আমি ঠিকথাক কৰিছো। আমৰ চক্ৰধৰ গগৈ ডাঙৰীয়াই কৈছে যে উপায়ুক্ত আৰু দূৰ্যোগব্যৱস্থাপনা প্ৰাধিকৰণৰ যিটো নিপকোই পানী এৰি দিয়াৰ ক্ষেত্ৰত আৰু নিপকোৰ ক্ষেত্ৰত আমি ইতিমধ্যে কেইবাটাও আলোচনা কৰিছো। আমাৰ উপায়ুক্তৰ লগত সেইখিনি আগতীয়াকৈ যোগাযোগ কৰিহে পানী এৰিব পাৰিব এই কথাটো আমি নিশ্চিত হৈছো। তাৰপিছত তেখেতে কৈছে মথাউৰীৰ আয়ুস শেষ হ'লে কাম কৰিব লাগে। এতিয়া লাহে লাহে আমি সেই ঠাইলৈ আহিছো। এতিয়া মথাউৰীখিনি পুনৰ মেৰামতি আৰু তাৰ উপৰিও মেৰামতিৰে নহয় আমি মথাউৰীবিলাক লাহে লাহে পকী কৰিবলৈ কেনেধৰণে পাৰো সেই কথাটো কৰিছো। কমল সিং নাৰ্জাৰী ডাঙৰীয়াই তেখেতে তেখেতৰ বক্তব্যত Flood modernizationৰ কাৰণে যিখিনি জলবিদ্যুৎ প্ৰকল্পৰ অধীনত পানী মজুত কৰাৰ বাবে প্ৰয়োজনীয় জলধাৰা নিৰ্মাণৰ আৱস্থকতা অনুভৱ কৰি কেন্দ্ৰীয় চৰকাৰক অৱগত কৰিছো। সেইখিনি ক্ষেত্ৰত তেখেতে যিটো বক্তব্য ৰাখিছিল সেই বক্তব্যটোত তেখেতৰ মতে ১৯১৭ চনৰ ৰঙা নদীৰ বানপানীৰ পিছত আই আই টি গুৱাহাটীয়ে এই বিষয়ত অধ্যয়ন কৰি পৰামৰ্শ দিয়ে, এই মৰ্মে ৰঙা নদীৰ জলবিদ্যুৎ প্ৰকল্পত উজনিত এটি জলধাৰা নিৰ্মাণৰ

বাবে প্ৰস্তাৱ আগবঢ়াইছে। গতিকে এই ক্ষেত্ৰত এটা কাম কৰা হৈছে সেইটো হৈছে আমাৰ ৭৯ টি এ চি ৰ ওপৰত ইতিমধ্যে কাৰিকৰী উপাদেষ্টা সমিতিয়ে এটা DPR প্ৰস্তুত কৰিছে, যিটো হৈছে Intregrated River Basin Management of Assam. সেইটো ইতিমধ্যে আমি প্ৰকল্প লৈছো। মই নিজেই এই প্ৰকল্পটোৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰীৰ কথা পাতিছো, তেওঁলোকক আমি প্ৰস্তাৱ দিবলৈ দিছো যাতে তেওঁলোকে DPR টো বনাবলৈ অতিসোনকালে আমাক দিয়ে। প্ৰায় এইটো ১০০০ কোটি টকাৰ DPR হ'ব। ইয়াৰ পিছত গুৰুজ্যোতি দাসে কেইটামান পৰামৰ্শ আগবঢ়াইছে, তেওঁ মেইন পৰামৰ্শ আগবঢ়াইছিল Road cum Enbankment ৰাস্তা আৰু মথাউৰী একেটা হ'ব লাগে। গতিকে এই ক্ষেত্ৰত প্ৰস্তাৱ ইতিমধ্যে কৈছো আৰু শেহতীয়া ভাৱে আমি কেন্দ্ৰীয় জলসম্পদ মন্ত্ৰীক কৈছো, এই ক্ষেত্ৰত বিশেষ সহায় বিচাৰিছো। মই আমিনুল ইছলাম ডাঙৰীয়াই কৈছে যে আমাৰ যিটো বৰঘুলীকে ধৰি আমাৰ যিখিনি শীলঘাট ধিং মথাউৰী সেই মথাউৰীটো যথেষ্ট এইবাৰ ভাঙিছে। গতিকে আমি এচ ও পি ডি এফ ডি আৰ ৰ ক্ষেত্ৰত ইতিমধ্যে আঁচনি গ্ৰহণ কৰিছো। তাত ৪৯ কোটি ৭৮ লাখ ইতিমধ্যে ধাৰ্য্য কৰা হৈছে। ইয়াৰ পিছত তেখেতে তিনিটা ৰাজ্যৰ নদী সমূহৰ কথা কৈছিল, গতিকে এই ক্ষেত্ৰটো আমি আগতে কৈ গৈছো। ইয়াৰোপৰি আমাৰ ইতিমধ্যে মৃণাল শইকীয়া ডাঙৰীয়াই কৈছিল যে বৰ্তমান চৰকাৰৰ নীতি অনুসৰি সাধাৰণতে নিম্নতম আৱন্টন, এই ঠিকাদাৰৰ ক্ষেত্ৰত কৈছিল। ঠিকাদাৰৰ ক্ষেত্ৰত মই ইতিমধ্যে কৈ গৈছো যে ঠিকাদাৰ এতিয়া এজনে হ'ব আৰু সেই ধৰণে আমি ঠিকথাক কৰিছো। তাৰ লগতে তেখেতে কৈছে যে জড়িপ হৈছে নে নাই? আমি জড়িপ কৰিলো আৰু জড়িপ কৰি ২৯-১২-২০১৭ তাৰিখে নিটিন গাডাৰী ডাঙৰীয়াক আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই গোটেই ব্ৰহ্মপুত্ৰৰ জড়িপৰ কথা কেন্দ্ৰীয় চৰকাৰৰ হাতত দিছে। এতিয়া আমাৰ চক্ৰধৰ গগৈয়ে কৈছিল যে মইনামাৰী ৰিং বান্ধ পুনৰ নিৰ্মাণৰ প্ৰস্তাৱৰ অনুমোদন, তেখেতৰ তাত দুটা আঁচনি ইতিমধ্যে অনুমোদন দিছো। তেখেতে ভালকৈ জানে, এইখিনি কাম আৰম্ভ হ'ব। তাৰ পিছত এইখিনিয়ে প্ৰত্যকৰে বক্তব্যত যি পাৰো মই চুই গৈছো। কাৰণ আপোনালোকে কিবা এটা উল্লেখ কৰি যায় কিন্তু উত্তৰ দিওতে জেনেৰেল উত্তৰখিনিয়ে দি যোৱা কেতিয়াবা দেখো, কিন্তু সেইটো নহয়। গতিকে আমি প্ৰত্যেকৰে কথাটোত আমি চুই যাবলৈ চেষ্টা কৰিছো। এতিয়া মই আৰু দুই এটা কথা লগতে উল্লেখ কৰিব বিচাৰিছো। এইবাৰ আমাৰ World Bank ত, সেইটো এতিয়ালৈকে চলি আছিল ADB, এতিয়া World Bank ত আৰু কিছু আমি আঁচনি লবলৈ বিচাৰিছো। গতিকে World Bank ৰ কথা হৈছে কি যে World Bank ত আমি কেইবাটাও আঁচনি ইতিমধ্যে দাঙি ধৰিছো। তাত প্ৰায় ৫০০ মিলিয়ন, ৫০০ মিলিয়ন হলে ৩৫০০ কোটি আৰু ষ্টেট শ্বেয়াৰে কলে প্ৰায় ৫০০০ কোটি, প্ৰায় ৫০০০ কোটি টকাৰ আঁচনি তাত হ'ব। যি কেইটা আঁচনিত আমি অগ্ৰগতি লাভ কৰিছো। World Bank ৰ preliminary Project Report হ'ল। preliminary Project Report দিয়াৰ পিচত Department of Economic Affairs, Govt of India য়ে Agree কৰিলে । তাৰ পিচত নিটি আয়োগত সেইটো পাছ হ'ল । আমাক ডোনাৰ মিনিষ্ট্ৰি, হোম এফেয়াৰছৰ পৰা এন ও চি লাগে সেইটো ইতিমধ্যে হৈ আছে কিন্তু কিছু বস্তু আমাৰ পৰা বিচাৰিছে। তাৰ পিছতে যিটো আমাৰ CWC য়ে সকলো বিবেচনা কৰি চায় গতিকে CWC ত ইতিমধ্যে কেইটামান প্ৰক্ৰিয়া আমাৰ আৰম্ভ হৈছে। যিখিনি কেৰেৰী আমি মিট কৰিব লাগিব আমি ভাবিছো পাৰিম। গতিকে মিট কৰিব পাৰিলে আমি World Bank ৰ ক্ষেত্ৰত ৫০০০ কোটি টকা আমি পাম । তাত বুঢ়িদিহিঙ আছে জিয়াধলো , শিংৰাও আছে, তাৰ পিছত বেকী, আইলৈকে সকলো দিশ সকলো ফালে সামৰি লোৱা

হৈছে। সকলো দিশ সামৰি লৈ এই আঁচনিখন দিয়া হৈছে। আঁচনিখন আমাৰ বিভাগ আৰু মাননীয় মুখ্যমন্ত্ৰীৰ অনুমোদন সাপেক্ষে প্ৰেৰণ কৰা হৈছে। ৱৰ্ল্ড বেংকৰ ৫০০ মিলিয়ন ইউ এচ ডলাৰৰ কাৰণে ঠিক কৰা হৈছে। আমাৰ ৰাজ্যৰ ১.২৫ ইউ এচ ডলাৰ লাগিব। ৬২৫ মিলিয়ন ইউ এচ ডলাৰ হ'লে প্ৰায় ৪৫০০ কোটি হ'ব লাগে। এই ধৰনে আমি বুঢ়ী দিহিঙ, বেঁকী, জিয়াধল আদিকে ধৰি সকলো দিশ এই আঁচনিখনৰ অৰ্ন্তভূক্ত কৰা হৈছে। ইয়াৰ পিছতে আৰু এটা প্ৰস্তাৱ আছে গতিকে মই এইটো শেষ কৰো। অধ্যক্ষ মহোদয় এইখিনিৰ ওপৰিও মোৰ আৰু কেইটামান কথা ক'বলগীয়া আছিলে কিন্তু মই চমুকৈ ক'ম। এতিয়া এই কথাটো হৈছে যে এইটোৰ ক্ষেত্ৰত আপোনালোকে এইটো এটা ৰাষ্ট্ৰীয় সমস্যা হিচাপে গ্ৰহণ কৰাৰ বাবে সৰ্ব্বসন্মত প্ৰস্তাৱ ল'ব লাগিব। ইয়াৰ আগতে ২০০২ বাজেট অধিবেশনত ২৪ মাৰ্চ তাৰিখে এই প্ৰস্তাৱটো গৃহীত হোৱাৰ পিছত ভাৰতৰ মাননীয় প্ৰধান মন্ত্ৰীক এপ্ৰিল মাহত ইয়াৰ পৰা গৈ এই প্ৰস্তাৱটো দিয়া হৈছিল । তাৰ পিছতো ২০১২ চনত এই প্ৰস্তাৱটো আমিও আনিছো। তেতিয়া তাত মই আছিলো, পদ্ম হাজৰিকা , ফনীভূষণ চৌধুৰী আছিল। ২০১২ চনত যেতিয়া প্ৰস্তাৱটো অনা হৈছিল তেতিয়া কেন্দ্ৰ চৰকাৰক অনুৰোধ কৰা হৈছিল । ২০১৫ চনতো একেটা কথাকে পুনৰ অনা হৈছিল। তাৰ পিছত আমাৰ DRSC ত যিসকল বিধায়ক আচিল তেখেতসকলেও এই কমিটিত প্ৰস্তাৱ এটা লৈছিল যে, খহনীয়াৰ ব্যৱস্থাপনাৰ বাবে এটা সুকীয়া পুঁজিৰ ব্যৱস্থা ল'ব লাগে। তাৰ বাবে ৫০০ কোটি টকা সুকীয়াকৈ ধৰা হওঁক। এই গোটেই কথাটো পুনৰবাৰ কেন্দ্ৰীয় চৰকাৰৰ জলস্পদ বিভাগৰ মন্ত্ৰী ডাহৰীয়াক অৱগত কৰিলো আৰু গড়াখহনীয়াৰ পুঁজিটো কেন্দ্ৰীয় ৰাজ্যিক দুৰ্যোগ সহাৰি পুঁজিৰ অৰ্ন্তভূক্ত কৰাৰ বাবে আমি কৈছিলো। এই গোটেইখিনি কথা তাত দাঙি ধৰা হৈছে। এতিয়া এই কথাটো আমি আগবঢ়াই নিবলৈ চেষ্টা কৰিছো। ৰাষ্ট্ৰীয় পৰ্য্যায়লৈ আগবঢ়াই লৈ যোৱাৰ পদ্ধতিটো এনেকুৱা হৈছে যেতিয়া ২০১৯ আগষ্ট মাহত মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়া অসমলৈ আহিছিল তেতিয়া এই বিষয়টো আমি উত্থাপন কৰিছিলো তেতিয়া প্ৰধান মন্ত্ৰী মহোদয়ে ক'লে যে নিটি আয়োগৰ উপাধ্যক্ষৰ অধ্যক্ষতাত এখন হাই লেভেল কমিটি এখন কৰা হওঁক। আৰু এই High Level Committee অধ্যায়ণ কৰিবলৈ ১০০ কোটি টকা দিলে। অসম তথা উত্তৰ পূৰ্ব্বঞ্চলৰ বান সমস্যাটো স্থায়ী সমাধানৰ বাবে অনুভৱ কৰি প্ৰধান মন্ত্ৰী মহোদয়ে ১০০ কোটি টকা অনদান দিলে। ইয়াৰ পৰিপ্ৰেক্ষিতত Central DONER Ministry য়ে এখন উচ্চস্তৰীয় সমিতি ২০১৭ চনৰ অক্টোৱৰ মাহত নিটি আয়োগৰ উপাধ্যক্ষৰ অধ্যক্ষতাত গঠন কৰি দিয়ে। অসমত ২০১৭ চনত যিটো প্ৰলংকৰী বান হৈছিল তাৰ পিচত এই কমিটিয়ে ১৫-৯-২০১৭ তাৰিখে নতুন দিল্লীত প্ৰথম বৈঠকখন অনুষ্ঠিত কৰে। তাতে কেন্দ্ৰীয় জল আয়োগৰ প্ৰাক্তন অধ্যক্ষ এ টি পাণ্ডিয়াৰ অধ্যক্ষতাত এখন বিশেষজ্ঞ সমিতি গঠন কৰি দিয়া হৈছিল। ইয়াৰ পিছত এই হাই লেভেল সমিতিয়ে ২৯-০১-২০১৮ তাৰিখে দ্বিতীয়বাৰৰ বাবে বৈঠক কৰে। তাৰ পিছত তেওলোকে ঠিক কৰি দুটা এজেন্সি - Recharch Agency Trangle Institute, আৰু Versus Lab এই দুটাক Consultancy দিলে। ইতিমধ্যে inception Report তেওলোকে দাখিল কৰিছে। ইয়াত আৰু এখন বিশ্ব বেংকৰ দ্বাৰা এখন ৱৰ্কশ্বপ হৈছিল। ৱৰ্ক শ্বপৰ বস্তুটো এইটো বিষয়তে আছিল। ইয়াৰ তৃতীয় বৈঠকখনো ইতিমধ্যে হৈ গৈছে নতুন দিল্লীত। ইয়াত ভাল খবৰ এইটো যে, তাৰমানে কেন্দ্ৰীয় চৰকাৰে বহুবাৰ চেষ্টা কৰিছে ইয়াত এটা অথোৰিটি বনাবলৈ । আগতে বহুবাৰ চেষ্টা কৰিও হোৱা নাই। ২০০৫ চনতNorth East Water Resource Authority গঠন কৰিবলৈ আপোনালোকে প্ৰত্যেকে জানে ২-৩খন মান ষ্টেটে আপত্তি কৰিলে। অৰুনাচলে আপত্তি কৰিলে, নহ'ল। তাৰ

পিছত ২০১২ চনত Brahmaputra River Vally Authority সেইটো কৰাৰ বাবে যত্ন কৰিলে । সেইটোও নহ'ল আপত্তি কৰাৰ কাৰনে। তাৰ পিচত ২০১৪ চনত North East Brahmaputra River Rejumination Authority সেইটোও নহ'ল। ষ্টেটবিলাকে আপত্তি কৰিলে। তাৰ পিছত২০১৬ চনত Brahmaputra- Borak North East River Development Corporation সেইটোও নহ'ল। কাৰন ষ্টেটবিলাকে আপত্তি কৰিলে । গতিকে আপত্তি কৰাৰ ফলত আমি যিটো ইয়াত Afford লৈছিলো , ইয়াৰ আগতো চৰকাৰবিলাকে লৈছিল যদিও এইটো সম্ভৱ হৈ উঠা নাছিল। এতিয়া মাননীয় প্ৰধান মন্ত্ৰী মহোদয়ৰ বিশেষ হস্তক্ষেপত উত্তৰ পূৰ্ব্বঞ্চলৰ বাকী ৰাজ্যকেইখন এতিয়া সন্মত হৈছে। আমাৰ বাবে এইটো সুখৱৰ। ২০০৪-২০০৫ চনৰ পৰা আমি প্ৰতিখন চৰকাৰে attempt লৈছো কিন্তু ব্যৰ্থ হৈছিলো। আমাৰ ওচৰ চুবুৰীয়া ৰাজ্যই সন্মতি দিয়া নাছিল। এতিয়া অসম চৰকাৰে যিখন খঁচৰা দিছে সেই প্ৰতিবেদনত অসম চৰকাৰে বিচৰাৰ দৰে এটা নদী অৱবাহিকা ইয়াত স্থাপন কৰিবৰ কাৰণে ঠিক কৰিছে। সেইটো হৈছে North East Water Management Authority ( NEWMA). মই প্ৰথমতে কৈছো যে আমাৰ উৎস বিলাক হৈছে ওচৰৰ ৰাজ্য বিলাক। ওচৰৰ ৰাজ্য বিলাকে যেতিয়ালৈকে সন্মতি নিদিয়ে তেতিয়ালৈকে আমি ইয়াত কৰ্তৃত্বশীল ব্যৱস্থা কৰিব নোৱাৰো। কিন্তু প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ হস্তক্ষেপত এই কথাটো এতিয়া সম্ভৱ হৈছে যে ওচৰৰ সকলো ৰাজ্যই এতিয়া আমাক সন্মতি দিলে আৰু আমাৰ authority টোৰ নাম হ'ব North East Water Management Authority ( NEWMA) আৰু ইতিমধ্যে এই authority টোৱে কনচালটেঞ্চী দিছে। প্ৰধানমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে ১০০ কোটি টকা ইয়াত দিছে আৰু প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ মূল কথাটো হৈছে এইটোৱে যে যদি কেন্দ্ৰীয় চৰকাৰে পইচা দিওঁ আমি স্থায়ী ভাৱে দিম। গতিকে কেন্দ্ৰীয় চৰকাৰে এইটো ৰাষ্ট্ৰীয় সমস্যাৰ মৰ্য্যদা দি এই কামখিনি কৰিছে। ঘোষণাটো দিয়া হোৱা নাই। হয়তো ঘোষণা দিয়াৰ লগে লগে ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যবোৰে ও যিকোনো কথাত হস্তক্ষেপ কৰিব। গতিকে ঘোষণা বিহীন ভাৱে ৰাষ্ট্ৰীয় সমস্যাৰ মৰ্য্যদা দিবলৈ লৈ গৈছে। গতিকে আমি এই North East Water Management Authority ( NEWMA) ৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় পৰ্য্যায়লৈ লৈ যাব পাৰিছো আৰু কেন্দ্ৰীয় চৰকাৰৰ তত্বাৱধানত এই authority টো হ'ব আৰু এই authority টোৱে আমাৰ বানপানী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰিব। বৰ্তমান ইয়াৰ কাম আগবাঢ়ি আছে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিভাগে এই ক্ষেত্ৰত যাতে শীঘ্ৰে ফলপ্ৰসু হয় তাৰবাবে সময়ে সময়ে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আলোচনাৰ বাবে ঠিক কৰিছো। আমি আশা কৰিছো অতি সোনকালে North East Water Management Authority ( NEWMA) ৰ এখন বিল আনি সংসদত গৃহীত কৰি এই authority টো সম্পূৰ্ণ কৰে। সেয়ে আমি অনুৰোধ জনাই আহিছো আৰু তেওঁলোকে প্ৰক্ৰিয়াৰ ভিতৰত থকা বুলি কৈছে। মই সন্মানীয় আটাইকেইজন সাংসদলৈকে এই বিষয়টো চাবৰ বাবে অনুৰোধ জনাইছো। শ্ৰী ৰণোজ পেগু ডাঙৰীয়াই পৰহি ৰেলৱে আৰু গড়কাপ্তানী বিভাগৰ বিষয়ে কেইটামান বিশেষ কথা কৈছিলে, সেই কেইটা মই ক'ব বিচাৰিছো।ৰেলৱে আৰু গড়কাপ্তানী বিভাগে ইতিমধ্যে যিবিলাক ঠাইত ৰাস্তা হৈছে এইক্ষেত্ৰত তেখেত সকলৰ লগত এটা সু-সম্পৰ্কৰে যাতে আমি কামখিনি আগবঢ়াও এই ক্ষেত্ৰত ইতিমধ্যে আলোচনা বিলোচনা হৈছে বুলি মই তেখেতক জনাব বিচাৰিছো। আমাৰ মাননীয় সদস্য সকলক সন্মানীয় অধ্যক্ষৰ জৰিয়তে মই অনুৰোধ কৰিব বিচাৰিছো যিহেতু North East Water Management Authority ( NEWMA) হিচাবে প্ৰধানমন্ত্ৰী ডাঙৰীয়াই এটা বিশেষ ব্যৱস্থা

গ্ৰহণ কৰিছে আৰু যিহেতু ৰাষ্ট্ৰই এই বিষয়ে দায়িত্ব গ্ৰহণ কৰিছে সেয়ে আজি যিটো ৰাষ্ট্ৰীয় সমস্যাৰ প্ৰস্তাৱ আনিছে এই প্ৰস্তাৱটো আজি আমি উঠাই ল'বলৈ অনুৰোধ কৰিছো। আমি ইতিমধ্যে বহুখিনি অগ্ৰসৰ হ'লো আৰু বাকী থকাখিনি যাতে অতি সোনকালে সংসদত বিল আহি সম্পূৰ্ণ হয় তাৰবাবে আমি আশা কৰিছো আৰু ইয়াকে কৈ মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ওৱাজেদ আলী চৌধুৰী।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে দক্ষিণ শালমৰা সমষ্টিৰ গড়াখহনীয়া চলি থকাৰ সময়ত তেখেতে চাই আহিছে আৰু তেখেতে আজি এই কথাটো ৰিফ্লেক্ট কৰিছে আৰু তাত ইতিমধ্যে তেখেতে ঘোষণা কৰা মতে ২৫০ কোটি টকাৰ ৱৰ্ল্ড বেংকৰ এটা আঁচনি তাত দিয়া বুলি কৈছে। এই ২৫০ কোটি টকা ৱৰ্ল্ড বেংকৰ পৰা চেংচন হৈ আহোতে আহোতে আৰু ২-৩ বছৰ সময় লাগিব পাৰে। যি হাৰত গড়াখহনীয়া হৈ আছে এই হাৰত গড়াখহনীয়া চলি থাকিলে ২-৩ বছৰত মেঘালয় পাব। মন্ত্ৰী মহোদয়ে লগতে এচ ডি আৰ এফ বা নাবাৰ্ডৰ পৰা ব্যৱস্থা লম বুলি কৈছে। তাৰবাবে মন্ত্ৰী মহোদয়ক মই ধন্যবাদ জনাইছো। যোৱা বছৰ বানপানীত ৬৮৯২ টা পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে। মৃত্যুৰ সংখ্যা হৈছে ১০২। ২ লাখ ৮৩ হাজাৰ ৬৪৮ হেক্টৰ কৃষি ভূমি ১ বছৰত গড়াখহনীয়াত ক্ষতিগ্ৰস্ত হৈছে। যুগ যুগ ধৰি এই গড়াখহনীয়াৰ ফলত যথেষ্ট কৃষি ভূমি ক্ষতিগ্ৰস্ত হৈছে। আজি ধুবুৰী জিলাৰ ফকিৰগঞ্জত ব্ৰহ্মপুত্ৰ নদীৰ দূৰত্ব আছিল মাত্ৰ ৭ কিলোমিটাৰ। এতিয়া গৈ ২০ কিলোমিটাৰ পাইছেগৈ। গতিকে আমাৰ মথাউৰি মেৰামতি বা বনোৱাতকৈ বেছি গুৰুত্বপূৰ্ণ হৈছে গড়াখহনীয়া নিয়ন্ত্ৰণ। যদি মথাউৰি বনাই গড়াখহনীয়া নিয়ন্ত্ৰণ কৰিব নোৱাৰো তেতিয়া মথাউৰিটো অতি সোনকালে গড়াখহনীয়াত ধ্বংস হৈ যাব। যদিও মন্ত্ৰী মহোদয়ে সদনত আশ্বস্ত কৰিছে যিটো আমাৰ সদনত প্ৰস্তাৱ উত্থাপন কৰা হৈছিল যে আমি সকলোৱে ইয়াত সিদ্ধান্ত লৈ সৰ্ব্বদলীয় এটা দল দিল্লীলৈ যাব লাগে। কাৰণ গড়াখহনীয়াৰ যি সমস্যা এই বিষয়ে আমি কেন্দ্ৰীয় চৰকাৰক অৱগত কৰাৰ প্ৰয়োজন আছে। গতিকে এই কথাখিনি মোক আজি হাউচত ক'বলৈ সুযোগ দিয়াৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ আৰু ৰিজ'লিউশ্যন আছে। নিয়মমতে যি কেইজনে বিষয়টো প্লেচ কৰিছিল তেওঁলোকক মই সুধিব লাগিব যে তেওঁলোকে উদ্ৰ কৰিব নে নকৰে? দ্বিতীয়তে, যদি উদ্ৰ নকৰে তেতিয়া আমি ভোটত যাব লাগিব আৰু যদি সকলোৱে মিলি উদ্ৰ কৰে তেতিয়া ভাল হ'ব। সেইকাৰণে বেছি আলোচনা কৰিবলৈ সময় নাথাকিব। কাৰণ তিনিটা ৰিজ'লিউশ্যন দিছে। এটা কংগ্ৰেছ বিধায়িনী দল, এটা এ আই ইউ ডি এফ বিধায়িনী দল আৰু এটা অসম গণ পৰিষদ দলৰ পৰা শ্ৰী বৃন্দাবন গোস্বামী ডাঙৰীয়াই দিছিলে। তিনিজনৰ এজন নাই। বাকী দুজনে কি ক'ব খুজিছে আমি জানি ল'ব লাগিব।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই বহুতখিনি ভাল কথা য়ে ক'লে। কিন্তু কথাটো হৈছে অধ্যক্ষ মহোদয়, ২০১৭ ৰ শেষৰ ফালে আমাৰ তাত ভয়ংকৰ বানপানী হৈছিল। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু জলসম্পদ মন্ত্ৰী ডাঙৰীয়াও তালৈ গৈছিল। এই অঞ্চল সমূহ ঠিক কৰাৰ বাবে তাত ১০০ কোটি টকাৰ এটা পেকেজ দিয়া হৈছিল। ২০১৭-১৮, ২০১৮-১৯, ২০১৯-২০ এই দুই তিনি বছৰ গুছি গ'ল। আজিলৈ এক টকাও পোৱা নাই। এইবিলাক কিয় হৈ থাকে। ঘোষণা কৰা হয় কিন্তু আলটিমেটলী যেতিয়া ফিল্ড লেভেল কামত যায় সেইবিলাক ইম্পলিমেণ্ট নহয়। বৰ্তমানৰ ষ্টেটাচটো কি, কেতিয়ালৈকে আমি কামটো

আৰম্ভ কৰিব পাৰিম এই বিষয়ে জানিব বিচাৰিছো। দ্বিতীয়তে, নাবাৰ্ডৰ ৩ কোটি টকাৰ এটা কাম মোৰ সমষ্টিত চেংচন হৈছে। টেণ্ডাৰ ইতিমধ্যে হৈ গৈছে। ৮ জন মানুহে টেণ্ডাৰটো পালে। যদি ৩ কোটি টকাৰ কাম এটা ৮ জন মানুহৰ মাজত ভগাই দিয়া হয় বহুটো অসুবিধাৰ সৃষ্টি হ'ব। এইক্ষেত্ৰত যাতে এটা প্লেন কৰা হয় যে এনেকুৱা ধৰণৰ কাম যাতে এজনেই পায় তাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** হাফিজ বছিৰ আহমেদ ডাঙৰীয়াৰ কিবা ক'ব লগা আছে নেকি?

**শ্ৰী হাফিজ বছিৰ আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আলোচনা কৰা বিষয়টো অতি গুৰুত্বপূৰ্ণ বিষয়।

**মাননীয় অধ্যক্ষ ঃ** মই Discussion দিব পাৰো, এটা এটাকৈ কিন্তু Next টো নাহে। সকলোৱে ক'ব লাগিব বুলি কথা নাই। ৰাজেদ ডাঙৰীয়াই কৈছিল তেখেতৰ অলপ দৰকাৰ আছিল। মই Add কৰি দিম। কথাটো হৈছে decide কৰক। whether we will take the second resolution or not। আপোনালোকৰ হাফিচ বচিৰ আহমেদৰ কিবা ক'ব লগা আছে নেকি? কাৰণ সময় কম।

**শ্ৰী হাফিচ বচিৰ আহমেদ, দক্ষিণ শালমৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে শিক্ষা বিষয়ৰ আলোচনা কৰা হ'ল। এইটো অত্যন্ত গভীৰ বিষয়। অসমৰ উন্নয়নৰ ক্ষেত্ৰত, এই সমস্যাটো সমাধান কৰা অত্যন্ত প্ৰয়োজনীয়। আমি যিবোৰ কথা আলোচনা কৰিছিলো, মন্ত্ৰী মহোদয়ে যথেষ্ট গুৰুত্বপূৰ্ণ কিছুমান পৰিকল্পনা আৰু সিদ্ধান্ত লোৱা বুলি বুলি জানিব দিছে। আমাৰ এটা পৰামৰ্শ থাকি ব, এই Water Resource Department ৰ যি সকলে বানপানী সম্পৰ্কে আলোচনা কৰে এনেকুৱা এটা Engineering Course হ'ব লাগে। আমাৰ Existing Engineer যিসকল আছে আৰু এনেকুৱা সমস্যা থকা যিবোৰ দেশ আছে তাত প্ৰশিক্ষণ লৈ অহাৰ ব্যৱস্থাও কৰিব লাগে। এইটো আমাৰ কাৰণে ভাল হ'ব বুলি আমি আমি ভাৱো।

দ্বিতীয়তে, বানপানীত হাজাৰ হাজাৰ মানুহ সৰ্বস্বান্ত হৈছে। এই মানুহবিলাকো পৰৱৰ্তী পৰ্য্যায়ত নিজৰ ঠিকনা আৰু নিজৰ স্থান পৰিৱৰ্তন হোৱাৰ কাৰণে বিভিন্ন ধৰণৰ সমস্যাৰ সন্মুখীন হয়। আৰু তাৰ ভিতৰত আটাইতকৈ বেচি সমস্যা হ'ল সন্দেহ যুক্ত নাগৰিক হিচাপে চিনাক্তকৰণ কৰাটো।

গতিকে এই শ্ৰেণীৰ মানুহবোৰ যেতিয়া বানপানীৰ দ্বাৰা আক্ৰান্ত হয় বা সৰ্বস্বান্ত হয়, তেওঁলোকে Internally displaced persons বুলি এটা প্ৰমান পত্ৰ দিয়াৰ ব্যৱস্থা হ'ব লাগে।

তৃতীয়তে, মই মোৰ বক্তব্যত উল্লেখ কৰিছিলো যে মোৰ সমষ্টিত গৰাখহনীয়াটো হৈয়ে আছে, ব্ৰহ্মপুত্ৰৰ কথা কোৱাৰ প্ৰয়োজন আৰু নাই। টিপকাই নৈত এইবাৰ আমাৰ মাননীয় মন্ত্ৰী নিজে গৈছিল, তাত ধাৰাবাহিকভাৱে প্ৰতিবছৰে হয় যদিও এইবাৰ যিটো গতি লৈছে যদি তাৎক্ষনিকভাৱে ব্যৱস্থা কৰা নহয়, সেই নদীখনৰ গতি পৰিৱৰ্তন হৈ যাব আৰু অন্যফালেদি নদীখনে গতি কৰিব। হাজাৰ হাজাৰ মানুহ ইয়াৰ ফলত Displaced হ'ব। মন্ত্ৰী মহোদয়ে কথা দিছে, মই আকৌ তেখেতক স্মৰণ কৰি দিব বিচাৰিছো যাতে, তেখেতে টিপকাই নৈৰ বিষয়টো অহা বছৰ বানপানী অহাৰ আগতে সুৰক্ষাৰ ব্যৱস্থা কৰে তাৰ বাবে মই তেখেতৰ দৃষ্টি আকৰ্ষণ কৰিলো। লগতে আহ্বান জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মন্ত্ৰী ডাঙৰীয়াই reply দিওঁতে বিতং তথ্যখিনি দিছে বা পৰৱৰ্তী সময়ত বিভাগৰ জৰিয়তে কি কি কাম কৰিব তাৰ বিৱৰণ দি গৈছে। মই আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম যে সাধাৰণতে দেখা যায়, Water Resource Department য়ে অসমত থকা ডাঙৰ ডাঙৰ নদী কেইখনৰ ওপৰতহে গুৰুত্ব দিয়ে। কিন্তু যোৱা বানপানীৰ ফলত ৬ হাজাৰৰো অধিক মানুহৰ ঘৰ-দুৱাৰ ক্ষতিগ্ৰস্ত হৈছে। এই কথাবিলাক আমি অধ্যয়ন কৰিলে দেখিম যে সৰু সৰু নদীবিলাকে বেছিকৈ ক্ষতি কৰিছে। গতিকে মন্ত্ৰী ডাঙৰীয়াই বিভাগক সৰু সৰু নদীৰ ক্ষেত্ৰতো সজাগ হ'বলৈ আহ্বান জনাব লাগে। এই ছেগতে আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াক মই ধন্যবাদ জ্ঞাপন কৰিছো। তেখেত তৎপৰ। যিকোনো বিষয়বৰস্তু লৈ গ'লেও তেখেতে সু-দৃষ্টি দিছে। মোৰ সমষ্টিতো তেখেতে বিভিন্ন আঁচনিৰ অধীনত টকা-পইচাও দিছিল। বৰ্তমান বানপানীৰ সময়ত দেখা যায় Water Resource Department য়ে বিভিন্ন ক্ষেত্ৰত দৌৰিব লাগে। মথাউৰি, গড়াখহনীয়াৰ ক্ষেত্ৰতে হওঁক, বিশেষকৈ আমি এই বিভাগত manpower বঢ়াব লাগে। এই বিভাগৰ যিমান পদ খালী আছে অতি সোনকালে পদসমূহ পূৰণ কৰিব লাগে। লগতে আমি বিভিন্ন জিলাত কোনটো সমষ্টিত নদী বেচি আছে সেই অঞ্চলবিলাক বাচি লৈ আমি departmentally তেওঁলোকৰ যিমান বিষয়ববীয়া আছে সেইবিলাকৰ পদৰ সংখ্যাও আমি নতুনকৈ সৃষ্টি কৰিব লাগে আৰু সেইবিলাকত নিয়োগ কৰিব লাগে।

দ্বিতীয়তে কথা হ'ল যে মন্ত্ৰী মহোদয়ে কৈছে যে আমি কেন্দ্ৰলৈ এটা প্ৰতিনিধি দল পঠাব লাগে। যিটো প্ৰস্তাৱ উঠাই লোৱাৰ কথা কৈছে আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম তেখেতৰ বক্তব্যৰ পৰা আমি জানিব পাৰিছো আমাৰ প্ৰধানমন্ত্ৰী ডাঙৰীয়াই উত্তৰ পূৰ্বাঞ্চলৰ অসমক লৈ বিশেষভাৱে তৎপৰ হৈছে বেলেগ এখন আঁচনিৰ আওঁতালৈ আনিবলৈ বিচাৰি আছে। গতিকে প্ৰধানমন্ত্ৰী মহোদয়ৰ যেতিয়া সদিচ্ছা আছে বা কেন্দ্ৰীয় চৰকাৰৰ সদিচ্ছা আছে মই ভাৱো অধ্যক্ষ ডাঙৰীয়া, অসম বিধান সভাৰ পৰা আমি যদি আকৌ প্ৰতিনিধি দল কেন্দ্ৰলৈ যাওঁ নিশ্চিতভাৱে এই পদক্ষেপটো আৰু তৰান্বিত হ'ব। অতি সোনকালে ইয়াত ৰূপায়িত হ'ব। গতিকে মই এই কথাখিনি আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অৱগত কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্বেৰমান আলী।

**শ্ৰী শ্বেৰমান আলী (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমে মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাব বিচাৰিছো যে সমস্যাটো গুৰুত্ব সহকাৰে লৈ তেখেতে বিস্তৃতভাৱে প্ৰতিবেদন দাখিল কৰিছে। মন্ত্ৰী মহোদয়ে এইবাৰ নতুনকৈ introduce কৰা SOPD, FDR আঁচনিৰ যোগেদি চিঙা মথাউৰিখিনি মেৰামতিৰ কাৰণে চৰকাৰে উদ্যোগ লৈছে। It is a very good step. তাৰ কাৰণে মই চৰকাৰ আৰু মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। এতিয়া কথা হ'ল মাননীয় অধ্যক্ষ মহোদয়, এই চিঙা মথাউৰিখিনিৰ বাদেও আৰু কিছু জৰাজীৰ্ণ মথাউৰি আছে যিবোৰ চিগালৈ অপেক্ষা কৰিলে বহুত লোকচান হৈ যায়। আমি শুনিছো অধ্যক্ষ মহোদয়, SOPD, FDR special বুলি আৰু কিছু টকা দিব। ইয়াত মুখ্যমন্ত্ৰী, বিত্তমন্ত্ৰী নাই যদিও তেখেতক আপোনাৰ জৰিয়তে অনুৰোধ জনাওঁ যে SOPD, FDR special দি যাতে জৰাজীৰ্ণ মথাউৰিবোৰ মেৰামতিৰ ব্যৱস্থা কৰে।

তৃতীয়তে, মাননীয় অধ্যক্ষ মহোদয়, যি সমস্যাই নহওঁক আপুনি দেখিছে FDR ত আমাৰ ২০০ কোটি টকা বা RIDF ত ১০০ বা ১৫০ কোটি, কিন্তু এইখিনি টকা হ'ল এমুঠি শাকত

এপাচি জালুক। সেইকাৰণে মই এটা প্ৰস্তাৱ ৰাখিব বিচাৰিছো, আমি যোৱা ২ বছৰত দেখিছো অসম চৰকাৰে SOPD ৰ পৰ PWD ত প্ৰায় ২০ কোটি টকাকৈ শাসকীয় পক্ষৰ পৰা বিৰোধী পক্ষক দিয়াৰ বাবে আমি বহুখিনি ৰাস্তা-ঘাট অসমত কৰিব পাৰিছো। সেইখিনি মই স্বীকাৰ কৰিছো। তাৰবাবে মই চৰকাৰক ধন্যবাদ জনাইছো। PWD ৰ দৰেই যিহেতু সমস্যাটো অত্যন্ত ব্যাপক আৰু মন্ত্ৰী মহোদয়ৰ সদায়ে support থাকে। অধ্যক্ষ ডাঙৰীয়া, আমি ১২৬ জন বিধায়কৰ ৮০-৯০ জনে সদায়ে তেখেতক দাবী কৰি থাকো আমাক এইটো লাগে, সেইটো লাগে। সেয়েহে বনোৱা list খন ৪-৫ বাৰ কাটিব লগা হয়। কাৰোবাক যদি ২ কোটি দিছিল তাৰ পৰা ১ কোটিলৈ যাব লগা হয়। এইটোত মন্ত্ৰী মহোদয়ৰ লগতে বিভাগৰ পৰা support থাকে। ইয়াত প্ৰতিজন বিধায়কে সাধাৰণভাৱেই কথাটো আনিছে। এই সমস্যাটো সমাধান কৰিবলৈ মাননীয় অধ্যক্ষ মহোদয়ৰ ওচৰত এটা সাধাৰণ প্ৰস্তাৱ ৰাখিব বিচাৰিছো। যদিও মন্ত্ৰী মহোদয় নাই সংসদীয় পৰিক্ৰমা মন্ত্ৰী উপস্থিত আছে। আপোনাৰ তৰফৰ পৰা এটা বিশেষ উদ্যোগ ল'বলৈ অনুৰোধ কৰিছো। ৫-৬ হাজাৰ কোটি নালাগে, minimum ১ কোটি টকা গৰাখহনীৰ বাবে SOPD ত দিলে তেতিয়া অন্ততঃ আমি local সমস্যাবোৰ সমাধান কৰিব পাৰো। World Bank হ'ব তাত নিৰ্দিষ্ট কিছুমান আঁচনি থাকিব। ADB হ'ব। নিৰ্দিষ্ট ৩-৪ টা আঁচনি আমাৰ এই ডাঙৰ সমস্যাটোৰ কাৰণে সদনত প্ৰায় ১০ বাৰ প্ৰস্তাৱ লৈছিলো ৰাষ্ট্ৰীয় সমস্যা কাৰণে। তাৰমানে সমস্যাৰ ব্যাপকতা আছে, ভয়াবহতা আছে, সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ উদ্যোগ তথা আমাৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰীৰ উদ্যোগত আমাৰ গৰাখহনীয়া ৰোধ কৰিবলৈ অন্ততঃ ১ হাজাৰ কোটি SOPD fund ৰ পৰা দিয়ে, তাৰ বাবে মই প্ৰস্তাৱ ৰাখিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মন্ত্ৰী মহোদয়ে অলপ চমুকৈ ক'লে ভাল হ'ব।

**শ্ৰী নোমল মমিন, বোকাজান ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰো এই সংক্ৰান্তত ক'বলগা আছে। আমাৰ ধনশিৰি নদীতো কোনো মথাউৰি নাই আৰু মথাউৰি নাথাকিলে তাত টকা sanction দিয়া নহয়। যিবিলাকত মথাউৰি নাই তাতো গৰাখহনীয়া ৰোধ কৰিব লাগে। গতিকে এইটো গুৰুত্ব সহকাৰে ল'লে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি সদ্যহতে এখন আঁচনি লৈছো। ভৱিষ্যতে স্থায়ীভাৱে ল'ম। আমাৰ সদস্য পুৰকায়স্থ দে ডাঙৰীয়াই কৈছিল যে CM ৰ ১০০ কোটি টকা যোৱাবাৰ দিয়া হৈছে আৰু এইবছৰ আমি তাৰ লগত প্ৰায় ৩৮ কোটি টকা ইতিমধ্যে যোগ দিছো। গতিকে মুখ্যমন্ত্ৰীৰ যিটো ঘোষণা তাতকৈ অতিৰিক্তভাৱে ইতিমধ্যে তাত আঁচনি লোৱা হৈছে। তাৰ পিছত আমাৰ যিটো কথা শ্বেৰমান আলী ডাঙৰীয়াই কেইবাটাও বিষয় উত্থাপন কৰিছে আৰু সেই ক্ষেত্ৰত ইতিমধ্যে যথেষ্টখিনি চিন্তা-চৰ্চা কৰা হৈছে। DRSC on Works ৰ তৰফৰ পৰা অকল গৰাখহনীয়াৰ বাবে ৫০০ কোটি টকা দিয়াৰ কাৰণে প্ৰস্তাৱ দিয়া হৈছিল। গৰাখহনীয়াৰ বাবে বিশেষকৈ কোনো ধাৰ্য কৰা fund নাই। General SOPD ত এটা fund থাকে। তাৰ পৰা আমি fund দিও। কেতিয়াবা NABARD ৰ টকা আহিলে দিও। SDRF ৰপৰা আমি fund দিব নোৱাৰো। গতিকে মথাউৰি মেৰামতি আৰু তাৰ protection লোৱাৰ ক্ষেত্ৰতো জোৰ দিয়া হৈছে যাতে গৰাখহনীয়াৰ কাম কিছু সংখ্যক হৈ উঠে। শিলঘাট, ধিং, চামগুৰি, ৰূপহী সমষ্টিত যিবোৰ মথাউৰি আছে তাত গৰাখহনীয়া যথেষ্ট বেছি। আজি আমাৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰীৰ উপস্থিতিত মই ক'ব বিচাৰিছো যে গৰা খহনীয়াৰ ক্ষেত্ৰত যদি কিবা Head আৰম্ভ কৰে তেন্তে ভাল হয়। জাকিৰ

হুছেইন সিকদাৰ ডাঙৰীয়াই যি কেইটা কথা কৈছে সেই কেইটাৰ উত্তৰ মই বিভিন্ন ধৰণে দিছো আৰু সেই কথাবোৰ আমাৰ দৃষ্টিগোচৰ হৈছে। আনহাতে, ডাঃ নোমল মমিন ডাঙৰীয়াৰ area টো Sixth Schedule Area । তেওঁলোকৰ সুকীয়া বাজেট থাকে । কিন্তু, তাৰ পিছতো তাত মথাউৰি নাই আৰু যোৱা বছৰ তেখেতে তিনিখনমান আঁচনি পাইছিল আৰু এই বছৰ দুখনমান আঁচনি পাইছে। বি.টি.এ.ডি. অঞ্চলতো ঠিক একেই। সেয়েহে নিয়ম-কানুনৰ মাজেৰে উপায় উলিয়াই প্ৰয়োজন সাপেক্ষে আঁচনি দিয়া হৈছে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী, কমলাক্ষ দে' পুৰকায়স্থ আৰু জাকিৰ হুছেইন সিকদাৰ, আপোনালোকে প্ৰস্তাৱটো withdraw কৰিব নে?

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বৃহত্তৰ স্বাৰ্থত জল সম্পদ বিভাগে যি ধৰণেৰে কাম কৰি আছে, তাৰ বাবে বৰ্তমানৰ মাননীয় মন্ত্ৰী মহোদয়ক আমি ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু, আমি দেখিবলৈ পাইছো যে প্ৰত্যেক বছৰে বানপানীত প্ৰায় ১২০/১৫০/২০০ পৰ্যন্ত মানুহৰ মৃত্যু ঘটিছে। ইয়াৰ লগতে, আজিৰ পৰা ৪০ বছৰ আগতে ব্ৰহ্মপুত্ৰৰ বহল য'ত ৭ কিঃমিঃ আছিল সেই ব্যৱধান আজি গৰাখহনীয়াৰ ফলত ১৭ কিঃমিঃ হ'ল। যাৰ ফলত আমাৰ অসমৰ মাটিকালি কমি আহিছে। আমি কেতিয়াবা বান সাহায্যৰ বাবে থমকি ৰ'ব লগা হয়। চৰকাৰে বান সাহায্য দিয়াৰ ব্যৱস্থা কৰিছে, সেইটো মই নাই কৰা বুলি নকওঁ। কিন্তু, এই ছেগতে আমি যদি জলসিঞ্চন বিভাগৰ কৰ্মচাৰীৰ সংখ্যা চাওঁ, তেন্তে সি তেনেই কম। ইয়াৰ লগতে, মথাউৰি বন্ধাৰ বাবে যিমান পুঁজিৰ দৰকাৰ, ক'ৰবাত তাৰ অভাৱো আমি দেখিবলৈ পাইছো। গতিকে, এই সকলোবোৰ কথা লক্ষ্য ৰাখি বানপানীৰ সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিলে আমি অসমে নিশ্চয় সকাহ পাম। মাননীয় সদস্য বৃন্দাবন গোস্বামী ডাঙৰীয়াই কোৱাৰ দৰে বানপানীৰ সমস্যাক যদি ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰা হয় তেন্তে কাষৰীয়া ৰাজ্যসমূহৰ সহায় লাগিব আৰু যেতিয়ালৈকে গছ-কটা, coal mining পাহাৰীয়া ৰাজ্যসমূহত চলি থাকিব তেতিয়ালৈকে গৰাখহনীয়াৰ সমস্যা হৈয়ে থাকিব। ব্ৰহ্মপুত্ৰ নদীখন বৰ্তমান বাম হৈ আহিছে কাৰণ সৰু-বৰ নদীয়ে ব্ৰহ্মপুত্ৰ নদীত শিল-বালি পেলাইছে। বৰ্তমানৰ চৰকাৰখনে dredging ৰ ব্যৱস্থা কৰিছে কিন্তু Dredger ৰ অভাৱত সেইটো বিফল হোৱা দেখা গৈছে। ইয়াত যথেষ্ট man power ৰো প্ৰয়োজন হয় । গতিকে চমুকৈ ক'বলৈ হ'লে আমি যদি বানপানীৰ সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে গ্ৰহণ কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰো, তেন্তে কেন্দ্ৰীয় চৰকাৰৰ পৰা নিশ্চিতভাৱে পুঁজি বেছিকৈ পোৱাৰ সম্ভাৱনা থাকিব আৰু খুব কম সময়ৰ ভিতৰত আমি বানপানীৰ স্থায়ী সমাধান কৰিব পাৰিম। কংগ্ৰেছ বিধায়িনী দলৰ তৰফৰ পৰা আজি পবিত্ৰ সদনত অনুৰোধ কৰিছো যে এই প্ৰস্তাৱটো সৰ্ব-সন্মতিক্ৰমে গৃহীত কৰি কেন্দ্ৰীয় চৰকাৰলৈ বানপানীক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাৰ বাবে প্ৰেৰণ কৰিব লাগে আৰু আমি এই প্ৰস্তাৱটোত একমত হৈ আছো।

**মাননীয় অধ্যক্ষঃ** হাফিজ বচিৰ আহমেদ ডাঙৰীয়া, আপোনালোকৰ তৰফৰ পৰা এটা প্ৰস্তাৱ আছিল।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ উত্তৰত বিস্তাৰিত ভাৱে যি প্ৰতিবেদন দিছে তাত আমি দেখিছো যে বিভাগে সমস্যাৰ গভীৰতালৈ গৈ পৰ্যালোচনা কৰিছে। চৰকাৰৰ তৰফৰ পৰা বিভিন্ন সময়ত কোৱা হৈছে যে বানপানীৰ সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰা হওঁক বা নহওঁক, এই সমস্যা নিশ্চয় সমাধান কৰা হ'ব। কিন্তু, আমি এই সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে এই কাৰণেই ঘোষণা কৰাটো বিচাৰিছো যাতে আমি কেন্দ্ৰৰ পৰা পৰ্যাপ্ত পুঁজি

লাভ কৰিব পৰা যায়। ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা নকৰাকৈ আমি যদি পৰ্যাপ্ত পুঁজি পাওঁ, তেন্তে ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰক বা নকৰক, আমাৰ আপত্তি নাই। সেয়েহে, আমাৰ দলৰ তৰফৰ পৰা Parliament ত যোৱা বছৰ এটা দাবী কৰা হৈছিল যে, কেন্দ্ৰীয় চৰকাৰে কমেও ২০ হাজাৰ কোটিৰ এককালীন টকা ব্ৰহ্মপুত্ৰ নদীৰ বুকু খন্দাৰ বাবে দিব লাগে। আনহাতে, ব্ৰহ্মপুত্ৰ নদীৰ দুয়োপাৰে Express Highway ৰ কাম যদি সম্ভৱ হয় তেন্তে আমি ভাৱো যে ইয়াৰ দ্বাৰা নিশ্চিত ভাৱে দীৰ্ঘকালীন সমস্যাৰ সমাধান হ'ব। গৰাখহনীয়া ৰোধ কৰাৰ বাবে সাময়িকভাৱে যি কাম কৰা হৈছে, ই ফলপ্ৰসূ হোৱা নাই। গতিকে, অধ্যক্ষ মহোদয়, মই ভাৱো, প্ৰয়োজন সাপেক্ষে এটা সৰ্বদলীয় প্ৰতিনিধিৰ দল যদি প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰে তেন্তে আমাৰ আৱেগখিনি কেন্দ্ৰক অৱগত কৰিব পৰা যাব যাতে কেন্দ্ৰই বানপানীৰ সমস্যা সমাধানৰ বাবে অন্ততঃ ১০-২০ হাজাৰ কোটি টকা মোকলাই দিয়ে। এই আশাৰে আমাৰ প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিছো।

**মাননীয় অধ্যক্ষঃ** প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিছে, কিন্তু কামখিনি কৰিব লাগে, নহয় জানো?

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** হয়, অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া যিহেতুকে বৃন্দাবন গোস্বামী ডাঙৰীয়া নাই তেখেতৰ প্ৰস্তাৱটো consider নকৰো। এই দুটা প্ৰস্তাৱেই থাকিব। এটা প্ৰস্তাৱ এই আশাৰে প্ৰত্যাহাৰ হৈছে যে দিল্লীত গৈ কেন্দ্ৰক special package ৰ বাবে ক'ব লাগে।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি )ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দলৰ হৈ মই দু-আষাৰ কথা কৈ প্ৰস্তাৱটোৰ বিষয়ে মন্তব্য কৰিম। আজি 'দৈনিক অসম' কাকতত এটা বাতৰি প্ৰকাশ পাইছে যে- 'যোৱা সময় ছোৱাত বিভাগে ১৪ খন পত্ৰ দিছে কেন্দ্ৰ চৰকাৰক বান ব্যৱস্থাপনা পুঁজিৰ বাবে - অধিক ধন মোকলাই দিব লাগে।' কিন্তু, ইয়াৰ সদ্ উত্তৰ এতিয়ালৈকে অহা নাই। ঠিক তেনেদৰে, আজি আৰু এটা তথ্য প্ৰকাশ পাইছে যে - GST বলবৎ হোৱাৰ পিছত ৰাজ্যৰ যি নিজা পুঁজি সেইটো যোৱা সময় ছোৱাত ১৮ % হ্ৰাস পাইছে। ইয়াৰ ফলত এইটো প্ৰমাণ হৈছে যে আমাৰ নিজাববীয়াকৈ বানপানী আৰু গৰাখহনীয়াৰ সমস্যা সমাধানৰ বাবে সামৰ্থ নাই। সেয়েহে পূৰ্বৰ নিচিনাকৈ অধ্যক্ষৰ নেতৃত্বত সৰ্বদলীয় দল এটা গ'লে ভাল হ'ব আৰু আশা কৰো আপুনি এই ক্ষেত্ৰত সন্মতি প্ৰকাশ কৰিব। যোৱা সময়ছোৱাত দেখিছো, PWD বিভাগক SOPD ৰ পৰা ৫ হাজাৰ কোটি টকাকৈ দুখন বাজেটত দিয়া হৈছে। গতিকে, আপোনাৰ যোগেৰে চৰকাৰ তথা বিত্ত বিভাগক অনুৰোধ জনাব বিচাৰিছো যাতে বানপানী, erosion ৰ বাবে SOPD ত ১ হাজাৰ কোটি টকাৰ বাজেট মঞ্জুৰ কৰি দিয়ে আৰু এইখিনি যদি হয় তেন্তে আমি প্ৰস্তাৱটো উঠাই লোৱাৰ বাবে আগ্ৰহী আৰু এটা সৰ্বদলীয় প্ৰস্তাৱ দিয়াৰ বাবে আপোনাক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষঃ** Condition দিলে নহ'ব। আপোনালোকে আশা কৰক যাতে কেন্দ্ৰীয় চৰকাৰে ১০০০ কোটি টকাৰ বাজেট দিয়ে আৰু দিল্লীলৈ এটা সৰ্বদলীয় দল যাব লাগে।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি )ঃ** হয় অধ্যক্ষ মহোদয়, এই আশাৰে মই প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিছো।

**মাননীয় অধ্যক্ষঃ** প্ৰস্তাৱ দুটা সেই আশাৰে প্ৰত্যাহাৰ কৰা হ'ল বুলি ঘোষণা কৰিলো।

ইয়াৰ পিছত আমাৰ ৪ নং কাৰ্যসূচী আৰু এটা বেচৰকাৰী সদস্যৰ প্ৰস্তাৱ আছিল।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** অধ্যক্ষ মহোদয়, এই কাৰ্যসূচীলৈ যোৱাৰ আগতে মই এটা Point of Order উত্থাপন কৰিব বিচাৰিছো যে, আজি যি resolution ৰ সিদ্ধান্ত হ'ল আৰু ইয়াৰ আগতে নাগৰিকত্ব সংশোধনী বিধেয়কৰ যি সংকল্প প্ৰস্তাৱ চলি আছিল, তাৰ পিছত যেতিয়া লোকসভা

**মাননীয় অধ্যক্ষঃ** তেতিয়া মই infructuous মানে অৰ্থহীন হ'ল বুলি কৈছিলো । গতিকে, এতিয়া দৰকাৰ হ'লে নতুনকৈ লাগিব। আপুনি সেই কথাখিনি এতিয়া নাটানিব। মই সেইটো infructuous বুলি ঘোষণা কৰিছিলো। এতিয়া দেৱব্ৰত শইকীয়া, দূৰ্গা ভূমিজ আৰু ৰূপজ্যোতি কুৰ্মীৰ নামত প্ৰস্তাৱ আছে। এই প্ৰস্তাৱটো পাঠ কৰি তেখেত সকলক বক্তব্য ৰখাৰ বাবে মই অনুৰোধ কৰিলো।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আপুনি সংকল্প প্ৰস্তাৱটো দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলো। প্ৰস্তাৱটো হ'ল- সময়ত ৰ'জ ভেলী, সাৰদা আদি প্ৰতিষ্ঠানে সহজ-সৰল ৰাইজৰ সাঁচতীয়া ধন জমা লৈ যি মাধমাৰ মাৰিলে একেধৰণে এতিয়া বন্ধন বেঙ্ক, আৰ জি ভি এন, অসমী আৰোহণ আদিৰ দৰে কিছুমান ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানে মহিলা আত্ম সহায়ক গোটৰ প্ৰমুখ্যে আমাৰ গ্ৰামীণ ৰাইজক চৰকাৰী বেঙ্কতকৈ বহুত অধিক সুতত অৰ্থাৎ চক্ৰ বৃদ্ধি সুত লৈ ঋণ দি সেই ঋণ তথা সুতৰ কিস্তি সপ্তাহিক বা পষেকীয়া ভাৱে দিবৰ বাবে বাধ্য কৰোৱাৰ ফলত বহুলোকে ইতিমধ্যে আত্মহত্যা কৰিছে। কিছুলোকে ঘৰ এৰি বৰ্হি ৰাজ্যলৈ সংস্থাপন বিচাৰি ওলাই গৈছে আৰু বহুতে ঘৰ, মাটি, পশুধন, পাৱাৰ টিলাৰ আদি বিক্ৰী কৰি সৰ্বস্বান্ত হৈছে। সেয়েহে অসম বিধান সভাৰ সন্মতিক্ৰমে প্ৰস্তাৱ লোৱা হওঁক যে এনে বিত্তীয় প্ৰতিষ্ঠান সমূহৰ কাম-কাজ নিয়ন্ত্ৰণ কৰিবৰ বাবে চৰকাৰে এখন আইন প্ৰণয়ণ কৰি ঋণ তথা সুত পৰিশোধৰ সাপ্তাহিক তথা পষেকীয়া কিস্তিৰ কথাটো বন্ধ কৰিব। মই যিটো এতিয়া প্ৰস্তাৱ পঢ়িলো সেই প্ৰস্তাৱটোৰ বিষয়ে ক'বলৈ হ'লে আমি কিছু পিছলৈ যাব লাগিব। ভাৰত চৰকাৰে কৈছিল যে আমাৰ গ্ৰাম্য অঞ্চলৰ লোক সকল ফাইনেনচিয়েল ইনক্লুচন হোৱা নাই। সেই গতিকে আমাৰ যিটো শৃঙ্খলিত বিত্তীয় ব্যৱস্থা তাৰ মাধ্যমলৈ আনিব লাগে। সেই গতিকে ২০০৫ চন বা তাতকৈ পৰৱৰ্তী সময়ত বিভিন্ন মাধ্যমৰ ব্যৱস্থা কৰিব আৰু বেংক সমূহৰ Branch. নথকাৰ বাবে কিছু Non banking financial Company ত দায়িত্ব দিয়া হৈছিল। Non Banking Financial Institution বিলাকে তেতিয়াৰ পৰা কাম কৰি আছে। বৰ্তমান সময়ত দেখা গৈছে অসমৰ গ্ৰাম্যাঞ্চলত প্ৰায় ৩৪ টা মান ঋণ প্ৰদানকাৰী সংস্থা, যিবোৰ Micro Financial Institute তেওঁলোকে কাম কৰি আহিছে। এই সমূহত Non Financial Institute উপৰিও ইউনিভাৰ্চেল বেংক, কমাৰ্চিয়েল বেংক আদিৰ অন্যান্য সংস্থা আছে। সেই সংস্থাসমূহে ঋণ সমূহ প্ৰদান কৰাৰ বাবে যি বেংকৰ নিচিনা গাইড লাইন থাকে, তেনেকুৱা গাইড লাইন বহুতৰে নাই। যাৰ ফলত বিভিন্ন ধৰণৰ চৰ্তত লোণসমূহ দিয়ে। এইকাৰণে কেতবোৰ সংস্থাই Micro Financial Institute নামেৰে চেল্ফ ৰেগুলেটৰি অথ'ৰিটি বনাইছিল। এই চেল্ফ ৰেগুলেটৰি অথ'ৰিটিটোৱে কিছুদিন আগতে এটা সমীক্ষা চলালে আৰু এই সমীক্ষাত ক'লে যে অসমত সৰ্ব ভাৰতীয় হাৰতকৈ দুগুণ বেছিকৈ Micro Financial Institute ৰ ঋণ লৈ থকা হৈছে। উজনিৰ পাঁচখন জিলাত সৰ্বভাৰতীয় হাৰতকৈ চাৰি গুণ বেচিকৈ লোণ লোৱা হৈছে। এই জিলাকেইখন হ'ল-ডিব্ৰুগড়, তিনিচুকীয়া, যোৰহাট, গোলাঘাট আৰু শিৱসাগৰ। এই যিসমূহ ঋণ তেওঁলোকে লৈছে, সেইসমূহত Joint Liability কৰা হয়। Joint Liability ৰ যোগেদি গ্ৰাম্য অঞ্চলৰ মহিলা সকলক সংগঠিত কৰি, ইজনে সিজনক চাপোৰ্ট কৰাৰ নিচিনাকৈ কৰা হয় আৰু ঋণ পৰিশোধ কৰিব নোৱাৰিলে এগৰাকীয়ে সিগৰাকীক সহায় কৰিব আগবাঢ়ি অহাৰ নিচিনা এটা চৰ্ত দিছে। এইটো যে কেৱল উজনিতে হৈছে, সেইটো

নহয়। আজি দুদিন আগতে আমাৰ অসমতো সমীক্ষা উলিয়াইছিল যে দুধনৈৰ ৰংজুলিৰ এখন গাওঁৰ ৪০ শতাংশ মানুহে বন্ধন বেংকৰ পৰা ঋণ লৈছে আৰু বিভিন্ন কাম কৰি আছে। মই আগতেও কৈছো যে এই ঋণ সমূহ তেওঁলোকে কেৱল Income generation ৰ কাৰণে নিদিয়ে। তেওঁলোকে নিজৰ ঘৰ মেৰামতি কৰা, শিক্ষা, উৎসৱ আদি অনুষ্ঠিত কৰা, চিকিৎসা সেৱাৰ বাবে আৰু ঘৰুৱা ব্যৱহাৰ্য্য সামগ্ৰী কিনিবলৈ ইত্যাদি বিভিন্ন কাৰ্য্যত তেওঁলোকে লোণ দিয়ে। এই ঋণ সমূহ যদি Income generation activity ৰ কাৰণে নহয়, তেতিয়াহ'লে ঋণ ঘূৰাই দিয়াৰ ক্ষেত্ৰত যথেষ্ট অসুবিধা হয়। এনেকুৱা পৰিস্থিতি ২০১০ চনত অন্ধ্ৰপ্ৰদেশত আহিছিল আৰু তাৰ ফলত তাত প্ৰায় একে বছৰতে প্ৰায় ৮০ জন লোকে আত্মহত্যা কৰিছিল। ২০১৫ চনত উত্তৰ প্ৰদেশত তেনেকুৱা ঘটনা ঘটিছিল আৰু বহু লোকে আত্মহত্যা কৰিছিল। ঠিক তেনেদৰে অসমতো আমি যদি চাওঁ বিগত সময়ছোৱাত বিভিন্ন বাতৰিকাকতৰ শিৰোনামাত আহিছে যে সৰ্বস্বান্ত বহুতো পৰিয়াল, ব্যক্তিৰ আত্মহত্যা, ক্ষুদ্ৰ ঋণ আদায়ৰ নামত সন্ত্ৰাস, ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানৰ গ্ৰাম্য অৰ্থনীতিৰ ঋণৰ কিস্তি পৰিশোধ কৰিব নোৱাৰি আত্মহত্যাৰ পথ ল'লে চকীমুখ পহুছিং গাওঁৰ পোনা তাঁতীয়ে, নাজিৰাত মাইক্ৰ' ফাইনেঞ্চ কোম্পেনীৰ দ্বাৰা সৰ্বস্বান্ত বহু পৰিয়াল। বিত্তীয় প্ৰতিষ্ঠানৰ ক্ষুদ্ৰ ঋণ গাওঁৰ পিছত গাওঁ উচন, ইয়াত বিভিন্ন ধৰণৰ তথ্য সম্বলিত কৰি দিছে আৰু কেইটামান মই নিজেও অঞ্চলটোত কৰি পাইছো। বেংকৰ নিয়মত আছে যে এক লাখতকৈ ওপৰত ঋণ দিব নোৱাৰি। কিন্তু গীতামণি গগৈ নামৰ এগৰাকী মহিলাক এক লাখ দহ হাজাৰ টকাত দুটা লোণ দিয়া হ'ল আৰু ঋণ কেইটাৰ বাবে তেখেতক প্ৰায় পোন্ধৰ শ টকাতকৈ অধিক লোণ দিব লাগে। এই ঋণ সমূহৰ ক্ষেত্ৰত কোনো ক'লেটাৰেল গ্যাৰাণ্টি দিব নালাগে। তেওঁলোকৰ ইনশ্যুৰেঞ্চ থাকে। কিন্তু ইনশ্যুৰেঞ্চৰ টকাখিনি পাব যদিহে পৰিয়ালৰ মানুহৰ মৃত্যু হয়, আত্মহত্যা কৰে বা তেনে কোনো পৰিস্থিতিৰ সৃষ্টি হয়। কিন্তু তাৰ আগতে যিমান ঋণ দিছিল সেই গোটেইখিনি চেটেল কৰি দিব লাগিব। অৰ্থাৎ যি মানুহে নিজৰ এটা কিস্তি দিব পৰা নাই তেওঁক কোৱা হয় যে গোটেইখিনি ঋণ চেটেল কৰি দিয়াৰ পিছতহে ইনশ্যুৰেঞ্চৰ পইচা খিনি পাব। সেই গতিকে এইটো কেনেকৈ সম্ভৱ হ'ব পাৰে। আমি আৰু বহু পৰিয়ালৰ ওচৰলৈ গৈছিলো যি সমূহ সাধাৰণ পৰিয়াল, তেওঁলোকে আজি ছয় মাহ ধৰি ঘৰত নাই, ঘৰটো উচন হৈ গৈছে। তেওঁলোকে কেৰেলা আদি বিভিন্ন ঠাইলৈ গৈ আত্ম গোপন কৰি আছে। তেওঁলোকৰ যি ল'ৰা-ছোৱালী আছে, তেওঁলোকে বিদ্যালয় বাদ দিব লগা হৈছে। কিছুমানৰ ক্ষেত্ৰত গাওঁৰ মহিলাসকলে যদি ঘৰৰ উন্নয়নৰ কাৰণে যদি লোণ লৈছিল, টিনপাত কিনিছিল, সেই টিনপাত সমূহ খুলি লৈছে, পাৱাৰ টিলাৰ মেচিন আদি বিক্ৰী কৰিবলগীয়া হৈছে। আনহাতে এই লোণ দিয়া কোম্পেনীসমূহৰ যিসকল কৰ্মচাৰী, তেওঁলোকে ঋণ আদায় কৰিবলৈ অতি বেয়া ব্যৱহাৰ কৰে, হেঁচা প্ৰয়োগ কৰে বুলি আমি শুনিবলৈ পাইছো। এই ঘটনাবোৰ হৈ থকাৰ কাৰণে গ্ৰাম্যাঞ্চলৰ লোকসকল বিপদত পৰিছে। আমি জানো যে গাওঁৰ ৯০ শতাংশ লোকে Food Security Act ত আছে ইয়াৰ অৰ্থ হ'ল যে তেওঁলোক সকলো বি পি এল । এই বি পি এল লোক সকলৰ অন্যতম উপাৰ্জন আছিল আমাৰ অন্যান্য চৰকাৰী আঁচনি। MGNREGA ত যোৱা জুলাই মাহৰ পৰা পেমেণ্ট হোৱা নাই। তেওঁলোকৰ পাৰিশ্ৰমিক বিভিন্ন কাৰণ বশত বন্ধ হৈ আছে। গতিকে সেই ক্ষেত্ৰত তেওঁলোকে নিয়মীয়াকৈ উপাৰ্জন হোৱা নাই। যাৰ বাবে ঋণ পৰিশোধ কৰিব পৰা নাই। পোনা তাঁতী নামৰ ব্যক্তি এজনে যেনেকৈ আত্মহত্যা কৰিছে, ঠিক তেনেকৈ আজি দুদিন আগতে খবৰ কাকতত প্ৰকাশ পাইছে যে ডবকাৰ পৰা এগৰাকী মহিলা, যাৰ স্বামীয়ে কেৰেলাত দিন হাজিৰা কৰি আছিল। তেখেতৰ ঋণৰ কিস্তি দিয়াৰ সময় আহিলে তেওঁ কৰো পৰা সেই কিস্তিৰ টকা যোগাৰ কৰিব নোৱাৰিলে আৰু

শেষত কন্যা সহ মহিলা গৰাকীয়ে আত্মহত্যা কৰিলে। কেইদিন মান আগতে কাছাৰৰ এজন লোকে আত্মহত্যা কৰাৰ কথা ওলাইছিল। ঠিক তেনেদৰে বহু লোকে আত্ম হত্যা কৰিছে। আমি ইয়াৰ পূৰ্বে দেখিছিলো যে অসমৰ এই বিধান সভাতে এখন আইন প্ৰনয়ণ কৰা হৈছি ল, যেতিয়া ৰ'জ ভেলী, সাৰদা আদি কেছত বহু লোকৰ জমা ধন সমূহ আত্মসাৎ বা মৰা গৈছিল। গতিকে ডিপোজিটৰ সকলৰ স্বাৰ্থৰ বাবে এখন আইন প্ৰণয়ন কৰা দেখা গৈছিল। মাননীয় অধ্যক্ষ মহোদয়, এতিয়াও মই ভাৰো যে এই ক্ষুদ্ৰ ফাইনেঞ্চ কোম্পেনীৰ ভুক্ত ভোগী যিসকল পৰিয়াল, সেই পৰিয়াল সমূহৰ সুৰক্ষাৰ বাবে আমাৰ বিধান সভাই পদক্ষেপ গ্ৰহণ কৰিব লাগে আৰু প্ৰয়োজন সাপেক্ষে মাননীয় অধ্যক্ষ মহোদয়ে এখন হাউচ কমিটিও দিব পাৰে যিয়ে গোটেইখিনি কথা চালি-জাৰি চায় আৰু তাৰ পিছত চৰকাৰক পৰামৰ্শ দিব পাৰে যে কেনেকৈ এই ভুক্তভোগী লোকসকলক সুৰক্ষা প্ৰদান কৰিব পাৰে আৰু তেওঁলোকৰ ঋণ মাফ কৰিব পাৰি নেকি। এই গোটেই কথাবোৰ হৈছে যে ফাইনেনঞ্চিয়েল ইনক্লোজন নামৰ কিছুমান ডাটা দেখুওৱাবৰবাবে বা ফিগাৰ দেখুৱাৰ বাবে যে আমাৰ ৰাজ্যত ইমানখিনি মানুহ বেংকৰ লগত সংযোজিত হৈছে। সেই কাৰণে এই তথ্যটো দিবলৈ গৈ এইবোৰ কৰা হৈছে। কিন্তু লোক সকলক তাৰ সজাগতা বা তেওঁলোকৰ কি দায়িত্ব আছে, সেই বিষয়ে সঠিকভাৱে নজনোৱাৰ বাবে ফাইনেনঞ্চিয়েলি এটা সন্ত্ৰাসৰ সৃষ্টি হৈছে নেকি, এই কথাটো আমি চিন্তা কৰিব লাগে বুলি এই পৱিত্ৰ সদনত আপোনাৰ যোগেদি উত্থাপন কৰিলো। আশা কৰো ভৱিষ্যতে আপুনি এটা পদক্ষেপ ল'বৰ বাবে সহায় কৰিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ হাতত আৰু দুই মিনিট সময় আছে। ইয়াৰ পিছতে বিধায়নী দলৰ সকলো ðÃÂ¡ ÂÁË÷±1 ßŽÂù ÷±¡ ÂåÆ¼á¡ ÂßÁðÿÂ÷ ¿òéÂÕ±áË Â÷ýÂHouse Adjourned কৰিব বিচাৰিছো। মই ভাৰো ইয়াত কাৰো আপত্তি নাই। This resolution will continue in the next session. আজি পিচবেলা চাৰি বজাত আমাৰ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি সকলৰ আৰ্থ সামাজিক সমস্যা সম্পৰ্কত আলোচনা কৰিবলৈ বিভিন্ন অঞ্চলৰ পৰা মানুহ গোট খাব। সেই আলোচনা লোকপ্ৰিয় গোপীনাথ বৰদলৈ ভৱনৰ সভা কক্ষত অনুষ্ঠিত হ'ব। মই মাননীয় সদস্য সকলক তেওঁলোকৰ সমস্যাসমূহ বুজি পোৱাৰ বাবে তাত উপস্থিত থাকিবলৈ অনুৰোধ কৰিলো। আপোনালোকে হয়তো গম পাইছে যে আমি এইটোৰ ওপৰত পৰহি Speaker initiative ত ST আৰু SC overall Socio- Economic Development ৰ ওপৰত আলোচনা কৰিম।

**মই এতিয়া <u>কাইলৈ ইংৰাজী ৪-১২-২০১৯ তাৰিখৰ পুৱা ৯.৩০ লৈ সদন স্থ</u>গিত ৰাখিলো।**